www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰতিকূলতাই কোনো কোনো মানুহক প্ৰায় ভাঙি দিয়ে, আকৌ এচাম মানুহ আছে, যিসকলে প্ৰতিকূলতাই ভাঙি পেলোৱাটো জীৱনৰ প্ৰত্যাহ্বান বুলি গ্ৰহণ কৰে। - উইলিয়াম এডবাৰ্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

সপ্তম বছৰ | সংখ্যা - ১১ | মঙ্গলবাৰ | ১৩ জানুৱাৰী, ২০২৬ চন | ২৮ পুহ, ১৯৪৭ শক | VOL - 7 | NO.- 11 | Tuesday | 13th January, 2026 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

■ শীতৰ বোকোচাত উঠি আকৌ পালেহি হেঁপাহৰ ভোগালী ■

# ভোগৰ ভোগজৰা লৈ আজি উৰুকা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জানুৱাৰী ঃ** ভোগৰ সম্ভাৰ লৈ অসমীয়াৰ পদূলিত ভোগৰ ভোগালী। বাপতি সাহোন বিহুটিক আদৰিবলৈ ব্যস্ত হৈ পৰিছে প্ৰতিগৰাকী চহা অসমীয়া। আখলত পিঠা-পনাৰ প্ৰস্তুতিত ব্যস্ত হৈ পৰিছেজীয়ৰী-বোৱাৰী। পথাৰে পথাৰে সাজু ভেলাঘৰ আৰু মেজি। ঢেঁকীৰ শব্দত ৰজনজনাইছে গ্ৰামাঞ্চল। ঐতিহ্য পৰম্পৰাৰে জিলিকি উঠিছে ৰাজ্যৰ চৌদিশ। এয়াই ভোগালী, এয়াই ভোগালীৰ ভোগজৰা। উৰুকাৰ নিশাৰ ভোগৰ প্ৰস্তুতি। হাঁহ, ছাগলী, কুকুৰা, ভিন্ন প্ৰজাতিৰ মাছেৰে লগে-ভাগে এসাঁজ খাবলৈ উদগ্ৰীৱ গ্ৰামাঞ্চল, চহৰাঞ্চলৰ ৰাইজ। ফলত ভোগালীৰ ভোগৰ সামগ্ৰী সংগ্ৰহৰ বাবে বিহুলিয়াৰাইজে ভিৰ কৰিছে বজাৰত। উছৰমুখৰ হৈ পৰিছে ভোগালীৰ বজাৰ। » ৬ পৃষ্ঠাত

## অধিবক্তা সমাজৰ প্ৰতিবাদক অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰংমহলত উচ্চ ন্যায়ালয়ৰ শিলান্যাস

### প্ৰতিবাদ অব্যাহত বাৰ এছ'চিয়েচনৰ; মুখ্যমন্ত্ৰী, ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১২ জানুৱাৰী ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থানান্তৰ প্ৰস্তাৱক লৈ সৃষ্টি হোৱা তীব্ৰ বিতৰ্কৰ মাজতে গুৱাহাটী » ৬ পৃষ্ঠাত

মুকলি হোৱাৰ দিনাই প্ৰতিবাদত উত্তাল; ৰাষ্ট্ৰীয় ঘাইপথৰ কাম সম্পূৰ্ণ নোহোৱাকৈয়ে টোলগেট মুকলি

## ভোগালীৰ প্ৰাকমুহূৰ্তত ৰাজ্যবাসীলৈ চৰকাৰৰ উপহাৰ 'ৰঙামাটি টোলগেট'




**অসম বাৰ্তা, দেৰগাঁও, ১২ জানুৱাৰী ঃ** ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ নিৰ্মাণ সম্পূৰ্ণ কৰা তথা ইয়াক যাতায়াতৰ উপযোগী কৰি তোলাৰ ক্ষেত্ৰত কোনোধৰণৰ গুৰুত্ব নিদিয়া চৰকাৰে পুনৰ নতুনকৈ মুকলি কৰিলে দেৰগাঁৱৰ ৰঙামাটি » ৬ পৃষ্ঠাত

■ উত্তৰ-পূবৰ প্ৰথম বেচৰকাৰী উপগ্ৰহ নিৰ্মাণত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ অভূতপূৰ্ব সাফল্য ■

## বিফলতাৰ মাজতো সফলতাৰ নতুন অধ্যায় ঃ 'লাচিত-১' উপগ্ৰহৰ উৎক্ষেপন



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জানুৱাৰী ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মহাকাশ বিজ্ঞানৰ ইতিহাসত আজি এক নতুন, সোণালী অধ্যায়ৰ সূচনা হৈছে। অসম ডনবস্ক' বিশ্ববিদ্যালয়ে নিৰ্মাণ কৰা উত্তৰ-পূবৰ প্ৰথম বেচৰকাৰী কৃত্ৰিম উপগ্ৰহ 'লাচিত-১'ৰ উৎক্ষেপণৰ » ৬ পৃষ্ঠাত

কংগ্ৰেছে অনুমতি দিব নালাগিছিল ঃ অখিল গগৈ

## শিৱসাগৰক ধুবুৰী কৰিব নোৱাৰি, ভুল বক্তব্যৰে বিজেপিক সহায় কৰিছে ৰেজাউল কৰিম সৰকাৰে



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১২ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাইজৰ দলে গৌৰীপুৰৰ বটেৰতলত আয়োজন কৰা ৰাজহুৱা সভাত শিৱসাগৰ » ৬ পৃষ্ঠাত

◂ সমসাময়িক ▸

### মাঘ বিহু আৰু আমি

ড° আৰ কে বেজবৰুৱা

**অ**সমৰ বিহু, পৰম্পৰাগত এক হাজাৰ বছৰীয়া উৎসৱ। বিহু, আমাৰ সৃষ্টিশীলতাৰ পটভূমি ৰচিত হৈছিল কোনোবা আন্ধাৰ যুগৰ জোনাকী পৰুৱা পোহৰৰ দৰেই। মানুহে » ৬ পৃষ্ঠাত

স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ বিৰুদ্ধে সৰৱ; শীঘ্ৰে অজাপত যোগদানৰ সম্ভাৱনা

## সমৰ্থকসহ বিজেপি ত্যাগ প্ৰভাৱশালী জ্যেষ্ঠ বিজেপি নেতা জীৱন চুতীয়াৰ



**অসম বাৰ্তা, ধনশিৰি, ১২ জানুৱাৰী ঃ** '২৬ৰ বিধান সভা নিৰ্বাচন চমু চপাৰ লগে লগেই ৰাজ্যৰ প্ৰতিটো প্ৰান্তত চলিছে গৰম বতাহ। এই গৰম বতাহৰ মাজতে সৰুপথাৰ বিধান সভা সমষ্টিৰ এজন » ৬ পৃষ্ঠাত

ৰাজহুৱাকৈ ক্ষমা বিচাৰিলে ন-কংগ্ৰেছী ৰেজাউল কৰিমে

## শিৱসাগৰ ৰেজাউল কৰিম সৰকাৰৰ পৈতৃক সম্পত্তি নহয় ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১২ জানুৱাৰী ঃ** কংগ্ৰেছত যোগদান কৰাৰ প্ৰথম দিনাই প্ৰাক্তন আমছু (আল ইণ্ডিয়া মাইনৰিটি ষ্টুডেণ্টছ ইউনিয়ন) সভাপতি ৰেজাউল কৰিম সৰকাৰে » ৬ পৃষ্ঠাত

◂ আজিৰ কলম ▸

### পুহ-মাঘৰ সংক্ৰান্তিত এয়া ভোগালীৰ পয়োভৰ

শৰৎ চন্দ্ৰ চিৰিং ফুকন

**অ**সমীয়া সমাজৰ এক গতানুগতিক প্ৰাকৃতিক পৰিৱেশত স্বাভাৱিকতে আহি পৰেহি বছৰৰ তিনি বিহু - মাঘ বিহু, ব'হাগ বিহু » ৬ পৃষ্ঠাত

দেৱব্ৰত শইকীয়াৰ সতৰ্কবাণী

## বৰ অসমৰ কথা ক'বলৈ গৈ তেওঁ যি ক'লে সেয়া অবাঞ্ছনীয় ঃ গৌৰৱ গগৈ

প্ৰাক্তন আমছু সভাপতিৰ যোগদানৰ পাছতে শিৱসাগৰক ধুবুৰী বনোৱা মন্তব্যৰ প্ৰতিক্ৰিয়া



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১২ জানুৱাৰী ঃ** প্ৰাক্তন অল অসম সংখ্যালঘু ছাত্ৰ সন্থা (আমছু)ৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে শনিবাৰে ভাৰতীয় জাতীয় » ৬ পৃষ্ঠাত












উদ্বোধনী সভাৰ মুখ্য অতিথি হ'ব গৱেষক-ভাষাবিদ, সাহিত্যিক ড° উপেন ৰাভা হাকাচাম

# ৯৩ সংখ্যক ঐতিহাসিক চেঙা সভা মহোৎসৱৰ ব্যাপক আয়োজন

**অসম বাৰ্তা চেঙা, ১২ জানুৱাৰী** ঃবৃহত্তৰ চেঙা অঞ্চলৰ সামাজিক প্ৰশাসনিক ব্যৱস্থাৰ সৰ্বোচ্চ অনুষ্ঠান চেঙা ঐক্য সন্মিলনৰ উদ্যোগত এইবেলি ১৫ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ আঠদিনীয়া বিভিন্ন ধৰ্মীয়- পৰম্পৰাগত, সাংস্কৃতিক-শৈক্ষিক কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৯৩ সংখ্যক ঐতিহাসিক চেঙা মহোৎসৱ। ইতিমধ্যেই উদ্যোক্তাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি জানিব পৰা গৈছে। কাৰ্যসূচী অনুসৰি অহা ১৫ জানুৱাৰীৰ পুৱা ৯ বজাত চেঙা ঐক্য সন্মিলনৰ পতাকা উত্তোলন কৰিব সন্মিলনৰ সভাপতি গৌতম পাঠকে। পুৱা ৯:১৫ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰিব চেঙা ঐক্য সন্মিলনৰ উপ সভাপতি খনিন পাঠকে। পুৱা ৯:৩০ বজাত অনুষ্ঠিত হ'বলগীয়া শ্বহীদ তৰ্পণ কাৰ্যসূচীত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকিব সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশ কুমাৰে। পুৱা ৯:৪০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব চেঙা ঐক্য সন্মিলনৰ প্ৰাক্তন সভাপতি ক্ৰমে হিৰণ্য কুমাৰ দাস আৰু অঞ্জন কুমাৰ ৰয়ে। ইয়াৰ পাছতেই গছপুলি ৰোপণ কৰিব চেঙা মুছলমান গাঁও উন্নয়ন সমিতিৰ ক্ৰমে সাধাৰণ সম্পাদক আলাউদ্দিন আহমেদ আৰু কাৰ্যকৰী সম্পাদক ফিৰোজ তালুকদাৰ আৰু চেঙা ঐক্য সন্মিলনৰ সহকাৰী সম্পাদক জয়ন্ত ঠাকুৰীয়াই। পুৱা ১০ বজাত শ্ৰীকৃষ্ণ মন্দিৰত অখণ্ড বন্তি প্ৰজ্বলন, ভোগথগী স্থাপন আৰু নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। বন্তি প্ৰজ্বলন আৰু ভোগথগী স্থাপন কৰিব বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে। সন্ধিয়া ৫: ১৫ বজাত আতচবাজী প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া ৫: ৩০ বজাত সভা মহোৎসৱৰ দ্বাৰ মুকলি কৰিব বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে। সন্ধিয়া ৫: ৪৫ বজাত চেঙা ঐক্য সন্মিলনৰ সভাপতি গৌতম পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হ'ব উদ্বোধনী সভা। উদ্বোধনী সভাত মুখ্য অতিথি হিচাপে গৱেষক-ভাষাবিদ, সাহিত্যিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° উপেন ৰাভা হাকাচাম, সন্মানীয় অতিথি হিচাপে কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মুকুন্দ শৰ্মা, নিৰ্দিষ্ট বক্তা হিচাপে চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মা উপস্থিত থাকিব। নিশা ৯ বজাত ঢুলীয়া প্ৰদৰ্শন আৰু নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১৬ জানুৱাৰীৰ পুৱা ১০ বজাত হোমযজ্ঞ, ভাগৱত পাঠ আৰু সমূহীয়া নাম-কীৰ্ত্তন অনুষ্ঠিত হ'ব। ভাগৱত পাঠ কৰিব বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰনাথ গোস্বামীয়ে আৰু ভাগৱত পাঠত অংশগ্ৰহণ কৰিব চেঙা আঞ্চলিক ভাগৱতী বৈষ্ণৱ সমাজে। হোমযজ্ঞ অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অসম চৰকাৰৰ পঞ্চায়ত, পৰ্যটন, আইন, সাধাৰণ প্ৰশাসন দপ্তৰৰ মন্ত্ৰী ৰনজিৎ কুমাৰ দাস, বিজেপিৰ বৰপেটা জিলা সমিতিৰ সভাপতি মহেন্দ্ৰ দাস, অসম বিত্তীয় নিগমৰ প্ৰাক্তন উপাধ্যক্ষ অনিল কুমাৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকিব। আবেলি ৩ বজাত আৰু নিশা ৯ বজাত ঢুলীয়া প্ৰদৰ্শন, নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১৭ জানুৱাৰীৰ পুৱা ৯ বজাত নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। পুৱা ৯:৩০ বজাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব চেঙা ঐক্য সন্মিলনৰ প্ৰাক্তন সভাপতি ক্ৰমে হৰেন্দ্ৰনাথ পাঠক আৰু অজিত চন্দ্ৰ দাসে। পুৱা ১০ বজাত শিল্পী দিৱস উপলক্ষ্যে চেঙা ঐক্য সন্মিলনৰ পৃষ্ঠপোষকতাত চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সমৰেন্দ্ৰ পাঠক (ধন) সোঁৱৰণী দ্বাদশ শ্ৰেণী পৰ্য্যন্ত বিদ্যালয় পৰ্য্যায়ত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কুইজ প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ৩,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ২,০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ১,০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। কুইজ প্ৰতিযোগিতাখন মুকলি কৰিব চেঙা প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই। সন্ধিয়া ৫:৩০ বজাত বন্তি প্ৰজ্বলনেৰে জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ, দীপক শৰ্মাক সোঁৱৰি "হেৰুৱা সুবাস বিচাৰি" শীৰ্ষক স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন ছাত্ৰ নেতা প্ৰদীপ দাসে। বন্তি প্ৰজ্বলন কৰিব চেঙা ঐক্য সন্মিলনৰ সম্পাদক চিন্ময় ডেকাই। নিশা ১০ বজাত পাপৰি মিনি থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। ১৮ জানুৱাৰীৰ পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতা মুকলি কৰিব চেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধৰ্মানন্দ ঠাকুৰীয়াই। পুৱা ১১ বজাত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত মহিলাৰ থিয়নাম প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ১০,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৭,০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৫,০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাখন মুকলি কৰিব চেঙা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মিনাক্ষী বৰ্মনে। সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত একক আধুনিক নৃত্য প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ১০,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৭,০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৫,০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাখন মুকলি কৰিব হাউলীৰ সমাজসেৱিকা নিপামণি কলিতাই। ১৯ জানুৱাৰীৰ পুৱা ১০ বজাত নাম-প্ৰসংগ আৰু আবেলি ৩ বজাত ঢুলীয়া প্ৰদৰ্শন কৰা হ'ব। আবেলি ৫:৩০ বজাত আৱাহন থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। আৱাহন থিয়েটাৰৰ মঞ্চ উদ্বোধন কৰিব চেঙা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মৃদুল শৰ্মাই। নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ২০ জানুৱাৰীৰ পুৱা ১০ বজাত নাম-প্ৰসংগ, আবেলি ৩ বজাত ঢুলীয়া প্ৰদৰ্শন, আবেলি ৫:৩০ বজাত আৱাহন থিয়েটাৰৰ নাট প্ৰদৰ্শন, নিশা ৯ বজাত ঢুলীয়া প্ৰদৰ্শন আৰু নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ২১ জানুৱাৰীৰ পুৱা ১০ বজাত নাম-প্ৰসংগ, আবেলি ৩ বজাত ঢুলীয়া প্ৰদৰ্শন, আবেলি ৫:৩০ বজাত আৱাহন থিয়েটাৰৰ নাট প্ৰদৰ্শন, নিশা ৯ বজাত ঢুলীয়া প্ৰদৰ্শন আৰু নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰিব সৰ্থেবাৰীৰ ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে। সভা মহোৎসৱৰ অন্তিম দিনা অৰ্থাৎ ২২ জানুৱাৰীৰ সন্ধিয়া অনুষ্ঠিত হ'ব "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান। উক্ত অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিবেশন কৰি চৰ্চিত হোৱা আৰু জনপ্ৰিয়তা লাভ কৰা মৰ্মিতা মিত্ৰই গীত পৰিৱেশন কৰিব। মৰ্মিতা মিত্ৰৰ উপৰিও কেইবাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীয়ে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সদৌ অসম উকীল সন্থাৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দাসে। উল্লেখ্য যে ১৫, ১৬, ১৭ আৰু ১৮ জানুৱাৰীত অসমীয়া চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে'ৰ বিশেষ প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তাই জানিবলৈ দিয়ে। ৯৩ সংখ্যক ঐতিহাসিক চেঙা সভা মহোৎসৱৰ প্ৰতিটো কাৰ্যসূচীতেই ৰাইজৰ উপস্থিতি কামনা কৰিছে চেঙা ঐক্য সন্মিলনৰ সভাপতি গৌতম পাঠক আৰু সম্পাদক চিন্ময় ডেকাই।

একালৰ ছাত্ৰ নেতা দেৱ কুমাৰ দাসৰ; ভৱিষ্যত নিৰ্ভৰ কৰিছে ৰাজীৱ ভৱনত

# বিহালীত কংগ্ৰেছৰ প্ৰাৰ্থীৰ তিনিকোণীয়া যুঁজ

**অসম বাৰ্তা, বিহালী, ১২ জানুৱাৰী** ঃ আগন্তুক ২০২৬ চনৰ অসম বিধান সভা নিৰ্বাচনলৈ এতিয়াও যথেষ্ট সময় বাকী যদিও ৭১ নং বিহালী বিধান সভা সমষ্টিত ইতিমধ্যে ৰাজনৈতিক গৰম বতাহ বৱলৈ আৰম্ভ কৰিছে বিশেষকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ ভিতৰত প্ৰাৰ্থীত্বক লৈ আৰম্ভ হোৱা তৎপৰতাই সমষ্টিটোৰ ৰাজনৈতিক পেক্ষাপটত নতুন গতি প্ৰদান কৰিছে। সমাগত বিধানসভা নিৰ্বাচনত বিৰোধী কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থীত্বৰ দৌৰত আছে একালৰ সদৌ অসম অনুসূচীত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আগশাৰীৰ দাবীদাৰ হিচাপে যুৱনেতা দেৱ কুমাৰ দাস। ইতিমধ্যে বিহালীত যুৱনেতা দেৱ কুমাৰ দাসে শক্তিশালী ৰূপত সাংগঠনিক ভেঁটি সৱল কৰাৰ উপৰিও প্ৰচাৰ অব্যাহত ৰাখিছে। উল্লেখ যে, যুৱনেতা প্ৰাৰ্থীত্ব প্ৰত্যাশী দেৱ কুমাৰ দাসে বিগত ডেৰ বছৰৰ অধিক সময় ধৰি বিহালী সমষ্টি অন্তৰ্গত ২১খন গাঁও পঞ্চায়ত এলেকাত নীৰৱচ্ছিন্নভাৱে দলীয় কাম-কাজ চলাই আহিছে। দলীয় সভা, বুথ পৰ্যায়ৰ বৈঠক, কৰ্মী সভা, সমন্বয় সভা আদি আয়োজনৰ জৰিয়তে তেওঁ কংগ্ৰেছ দলৰ তৃণমূল সংগঠন শক্তিশালী কৰাৰ দিশে গুৰুত্ব প্ৰদান কৰিছে। গাঁও-চহৰ, হাট-বজাৰ আদি অঞ্চলত উপস্থিত হৈ ৰাইজৰ সমস্যা বুজ লোৱা, যুৱক-যুৱতীৰ সৈতে মত বিনিময়ৰে দলীয় আদৰ্শৰে ভেঁটি সৱল কৰা পৰিলক্ষিত হৈছে। প্ৰাৰ্থীত্ব প্ৰত্যাশী দেৱ কুমাৰ দাস ইয়াৰ পূৰ্বে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হিচাপে ১৪ বছৰ ধৰি দায়িত্ব পালন কৰিছিল। এই সময়ছোৱাত তেওঁ অনুসূচিত জাতি সমাজৰ শিক্ষা, সংৰক্ষণ, সামাজিক ন্যায় আৰু অধিকাৰৰ প্ৰশ্নক লৈ বহু আন্দোলন, স্মাৰক-পত্ৰ আৰু সংগঠনিক কাৰ্যসূচীৰ সৈতে জড়িত আছিল। । অৱশ্যে বিহালী সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্বৰ দৌৰ কেৱল এজনতে সীমাবদ্ধ নহয়। দেৱ কুমাৰ দাসৰ বিপৰীতে কংগ্ৰেছ দলৰ অনুসূচিত জাতি বিভাগৰ ৰাজ্যিক অধ্যক্ষ কৃষ্ণা দাস, ৰাজীৱ দাসকে আদি কৰি একাধিক নেতাই প্ৰাৰ্থীত্বৰ দাবী উত্থাপন কৰিছে। দলীয় সূত্ৰ অনুসাৰে, ২০ জানুৱাৰী তাৰিখৰ ভিতৰত সকলো প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে প্ৰদেশ কংগ্ৰেছ সমিতিৰ হাতত আনুষ্ঠানিক আবেদন-পত্ৰ দাখিল কৰিব। ইয়াৰ পাছতেই দলীয় নেতৃত্বই সামাজিক সমীকৰণ, সংগঠন শক্তি আৰু বিজয় সম্ভাৱনাৰ আধাৰত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি আশা কৰা হৈছে। বিহালী সমষ্টিৰ ৰাজনীতিত জনগোষ্ঠী সমীকৰণ সদায়েই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী, সংখ্যালঘু আৰু সাধাৰণ শ্ৰেণীৰ ভোটাৰে এই সমষ্টিৰ ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ হয়। এনে পৰিস্থিতিত, অনুসূচিত জাতি সমাজৰ পৰা উঠে অহা দেৱ কুমাৰ দাসে কেৱল নিজ জনগোষ্ঠীতেই নহয়, বিভিন্ন সমাজ আৰু জনগোষ্ঠীৰ মাজত সংযোগ স্থাপন কৰি এক সমন্বিত ৰাজনৈতিক মঞ্চ গঢ়ি তোলাৰ চেষ্টা চলাইছে বুলি স্থানীয় ৰাজনৈতিক মহলত আলোচনা চলিছে। বিশেষকৈ বিহালীত দেৱ কুমাৰ দাসৰ সমৰ্থনত এক শক্তিশালী যুৱশক্তি গঢ় লৈ উঠা দেখা গৈছে। শিক্ষিত যুৱ সমাজে তেওঁক নতুন প্ৰজন্মৰ কণ্ঠস্বৰূপে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। ৰাইজৰ মাজত তেওঁ বিশ্বাস আৰু আশা জগাবলৈ সক্ষম হৈছে বুলি বহুজনৰ মত। একাংশ সচেতন নাগৰিকে দেৱ কুমাৰ দাসক বিজেপিৰ সৈতে শক্তিশালীভাৱে যুঁজ দিব পৰা সম্ভাৱনাময় কংগ্ৰেছী প্ৰাৰ্থী বুলি ক'ব খোজে। ৰাজনৈতিক পৰ্যবেক্ষকসকলৰ মতে, বিহালী সমষ্টিত বিজেপিৰ বিৰুদ্ধে সফলভাৱে যুঁজ দিবলৈ কংগ্ৰেছ দলক এজন এনে নেতা লাগে যিজন যুৱ, সংগঠিত, তৃণমূল-সংযোগী আৰু জনগোষ্ঠীসমূহৰ মাজত গ্ৰহণযোগ্য। সেই দৃষ্টিকোণৰ পৰা চালে, দেৱ কুমাৰ দাসৰ প্ৰাৰ্থীত্বৰ দাবী কংগ্ৰেছ দলৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ হৈ উঠিছে। এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে প্ৰদেশ কংগ্ৰেছ নেতৃত্বৰ চূড়ান্ত সিদ্ধান্তৰ ওপৰত - যুৱনেতা দেৱ কুমাৰ দাস, কংগ্ৰেছ নেত্ৰী কৃষ্ণা দাস, ৰাজীৱ দাসৰ ভিতৰত কোন গৰাকী প্ৰাৰ্থীক কংগ্ৰেছ দলে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিহালীৰ প্ৰাৰ্থীত্ব প্ৰদান কৰে।

# মাকুম লক্ষীপথাৰ ৰঙচঙীত অগপৰ ৰণশিঙা



**অসম বাৰ্তা, মাকুম, ১২ জানুৱাৰী** ঃ সমাগত ২০২৬ৰ বিধানসভা নিৰ্বাচন। প্ৰস্তুতিৰ তুংগত উঠিছে প্ৰাথমিক পৰ্যায়ৰ দলীয় কৰ্মীৰ পৰা উচ্চ বৰ্গ দলীয় কৰ্মী সকললৈকে। শাসক-বিৰোধী সকলোৱে উঠি পৰি লাগিছে নিজৰ পাৰদৰ্শিতাৰ প্ৰতিযোগিতাত। ৰাজ্যৰ ১২৬টা সমষ্টিৰ ভিতৰত নতুনকৈ নিৰ্ধাৰণ হোৱা নৱগঠিত সমষ্টি সমূহত ২০২৬ ৰ বিধানসভা নিৰ্বাচনত অতি লক্ষণীয় হ'ব। কাৰণ কোনোবা এটা সমষ্টিৰ পৰা কৰ্তন কৰি অন্য এটা সমষ্টিত সংলগ্ন কৰা হৈছে লগতে কেইবাটাও নতুন সমষ্টিও গঠন কৰা হৈছে। ইয়াৰে ভিতৰত বিশেষকৈ উজনি অসমৰ তিনিচুকীয়া জিলাৰ নৱগঠিত ৮৫ নং মাকুম বিধানসভা সমষ্টিটো। এই সমষ্টিটো আগন্তুক বিধান সভা নিৰ্বাচনৰ বাবে সকলোৰে দৃষ্টি গোচৰ হৈ আছে, ১খন পৌৰ সভা, ৪খন জিলা পৰিষদ আৰু ১৫খন গাঁও পঞ্চায়তেৰে আৱৰি আছে নৱগঠিত মাকুম বিধানসভা সমষ্টিটো। নৱগঠিত মাকুম সমষ্টিৰ এই পৌৰ সভা আৰু গাঁও পঞ্চায়তৰ অধীনৰ ৰাইজৰ আগ ধৰোঁতা কোন হ'ব, মাকুম সমষ্টিৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতা সকলৰ ব্যস্ততা দেখা পোৱা গৈছে। তাৰ সমান্তৰাল ভাৱে মিত্ৰজোঁটৰ অসম গণ পৰিষদ দলেও নিজৰ ভেঁটি মজবুত কৰিবলৈ মাকুম সমষ্টিৰ বিভিন্ন ঠাইত সভা অনুষ্ঠিত কৰিছে। প্ৰতিখন সভাত নন সদস্যই অগপ দলত যোগদান কৰা পৰিলক্ষিত হৈছে। ঠিক তেনেদৰে মাকুম বিধান পৰিষদৰ অন্তৰ্গত লক্ষ্মীপথাৰ ৰঙচঙী গাঁৱত আজি অসম গণ পৰিষদৰ বুথ সন্মিলন খনি অনুষ্ঠিত কৰা হয়। বুথ সন্মিলনখনৰ সভাপতিত্ব কৰে অসম গণ পৰিষদ মাকুম বিধান পৰিষদৰ সভাপতি প্ৰবাল চেতিয়াই। বুথ সন্মিলনৰ লগত সংগতি ৰাখি গাঁওখনৰ ৪০ গৰাকীকৈ গণ-মান্য ব্যক্তি সকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বুথ সন্মিলনখন আয়োজন কৰি বিভিন্ন সমস্যাৰে জৰ্জড়িত হৈ থকা লক্ষ্মীপথাৰ পঞ্চায়তৰ সমস্যাসমূহ অনাগত দিনত উন্নয়নৰ স্বাৰ্থত কাম কৰি যোৱাৰ পন লোৱাৰ কথা অসম গণ পৰিষদ মাকুম বিধান পৰিষদৰ সভাপতি প্ৰবাল চেতিয়াই সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে। আজিৰ বুথ সন্মিলনৰ সভাত অগপ কেন্দ্ৰীয় সমিতিৰ হৈ সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণ, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক স্বপন মজুমদাৰ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জয়ন্ত চেতিয়া, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰতন বৰুৱা, কেন্দ্ৰীয় চাহ পৰিষদৰ সভাপতি প্ৰমোদ ভেংৰা, জিলাৰ সম্পাদক উমাকান্ত গোহাঁই, জিলা মহিলা পৰিষদৰ সভানেত্ৰী নমিতা নন্দ তাঁতি, তিনিচুকীয়া বিধান পৰিষদৰ সম্পাদক ইমৰান হুচেইন, জিলা যুৱ পৰিষদৰ হৈ সম্পাদক পল্লৱ বড়া, মাকুম বিধান পৰিষদৰ সম্পাদকদ্বয় কৃষ্ণ কমল দহোটীয়া আৰু দিগন্ত শইকীয়া, মাকুম যুৱ পৰিষদৰ সম্পাদক বিমল দাস প্ৰমুখ্যে অন্যান্য দলীয় কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

সদৌ অসম এক গুচ্ছ সাহিত্য সন্মিলনৰ উদ্যোগত 'অসম বাৰ্তা'ৰ সাংবাদিকক বিশেষ সন্মান

# 'অসম বাৰ্তা কাকত'ৰ লংকাৰ সাংবাদিক আবু ছোফিয়ান বেগলৈ এক গুচ্ছ যুৱ সাংবাদিকতা বঁটা



**অসম বাৰ্তা, লংকা, ১২ জানুৱাৰী** ঃ অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত সক্ৰিয় ভূমিকা পালন কৰি অহা সদৌ অসম এক গুচ্ছ সাহিত্য সন্মিলনৰ উদ্যোগত অসম বাৰ্তা কাকতৰ সাংবাদিক তথা লেখক আবু ছোফিয়ান বেগলৈ এক গুচ্ছ যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। সাংবাদিকতাৰ ক্ষেত্ৰত তেখেতে আগবঢ়োৱা দায়িত্বশীল, সমাজমুখী আৰু সত্যনিষ্ঠ অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। কালি গুৱাহাটীৰ শিলপুখুৰীস্থিত ৰাজহুৱা নামঘৰৰ বিৰাজ কুমাৰ শৰ্মা সোঁৱৰণী প্ৰেক্ষাগৃহত সদৌ অসম এক গুচ্ছ সাহিত্য সন্মিলনৰ তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ লগত সংগতি ৰাখি অনুষ্ঠিত এক মৰ্যাদাপূৰ্ণ অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। অনুষ্ঠানটোত অসমৰ বিভিন্ন প্ৰান্তৰ খ্যাতনামা সাহিত্যিক, সাংবাদিক, সমাজকৰ্মী, বুদ্ধিজীৱী তথা সংস্কৃতিক সংগঠনৰ প্ৰতিনিধিসকলৰ উপস্থিতিয়ে পৰিৱেশটো বিশেষভাৱে উজ্জ্বল কৰি তোলে। উল্লেখযোগ্য যে, লংকাৰ কপিলী পাৰ গাঁৱৰ বাসিন্দা সাংবাদিক আবু ছোফিয়ান বেগে দীৰ্ঘদিন ধৰি ছপা মাধ্যমৰ জৰিয়তে সমাজৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়- সামাজিক সমস্যা, জনস্বাৰ্থ, দুৰ্নীতি, অন্যায়-অবিচাৰ আদিৰ বিৰুদ্ধে দৃঢ়তা, নিষ্ঠা আৰু সততাৰ সৈতে সাংবাদিকতা কৰি আহিছে। সত্য উদঘাটনৰ ক্ষেত্ৰত তেখেতৰ নিৰ্ভীকতা আৰু সমাজৰ দায়িত্ববোধে তেখেতক এগৰাকী দায়িত্বশীল সাংবাদিক হিচাপে পৰিচিত কৰি তুলিছে। এই সন্দৰ্ভত সদৌ অসম এক গুচ্ছ সাহিত্য সন্মিলনৰ মুখ্য সম্পাদক কংকন ডেকাই কয় যে, "আবু ছোফিয়ান বেগৰ সাংবাদিকতা সদায় সমাজৰ সাৰ্বজনিক স্বাৰ্থৰ পক্ষে থিয় দি আহিছে। সত্যনিষ্ঠ আৰু নৈতিক মূল্যবোধক আঁকোৱালি লৈ কৰা তেওঁৰ এই সাংবাদিকতাক মূল্যায়ন কৰিয়েই এই যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হৈছে।" বঁটা প্ৰদান অনুষ্ঠানৰ লগতে সাহিত্যিক পৰিৱেশ আৰু সমন্বয়ক অধিক সমৃদ্ধ কৰি তোলাৰ উদ্দেশ্যে সংগঠনটোৰ বাৰ্ষিক স্মৰণিকা 'এক গুচ্ছ কবিতা সংকলন' উন্মোচন কৰা হয়। অনুষ্ঠানটোত সাহিত্য, সাংবাদিকতা আৰু সমাজসেৱাৰ মাজত থকা সম্পৰ্কৰ ওপৰত আলোকপাত কৰি বক্তাসকলে মত প্ৰকাশ কৰে। উল্লেখযোগ্য এই সন্মানে সাংবাদিক আবু ছোফিয়ান বেগৰ আগন্তুক সাংবাদিকতা জীৱনলৈ অধিক অনুপ্ৰেৰণা যোগাব বুলি উপস্থিত ৰাইজে আশা প্ৰকাশ কৰে।

প্ৰাক্তন মইনা, অভিনেত্ৰী বনশ্ৰী নাথক সম্বৰ্ধনা

# মঙলদৈ জিলা মইনা পাৰিজাতৰ উদ্যোগত তৰ্ক আৰু আকস্মিক বক্তৃতাৰ কৰ্মশালা সম্পন্ন



**অসম বাৰ্তা, মঙ্গলদৈ, ১২ জানুৱাৰী** ঃমঙলদৈ জিলা মইনা পাৰিজাতৰ উদ্যোগত আৰু চপাই পদুম পাহি মইনা পাৰিজাতৰ আতিথ্যত আজি চপাই যুৱ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত তৰ্ক আৰু আকস্মিক বক্তৃতাৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। সভাপতি এনী ভূঞা ডেকাৰ সঞ্চালনাত হোৱা এই কৰ্মশালাৰ আঁত ধৰে সম্পাদক দ্বীপেন বৰুৱাই। দিনৰ ১১ বজাত আৰম্ভ হোৱা এই কৰ্মশালাত সমল ব্যক্তি জ্যেষ্ঠ সাংবাদিকদ্বয় দিগন্ত কুমাৰ শৰ্মা, মুকুট ৰাজ শৰ্মা, এসময়ৰ তাৰ্কিকদ্বয় গণেশ দত্ত, সত্যেন্দ্ৰ কলিতাই আকস্মিক বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতা সম্পৰ্কত মইনা সকলক সাম্যক জ্ঞান প্ৰদান কৰে। সাহিত্যিক পেঞ্চনাৰ ললিতা দেৱী, মঙলদৈ জিলা মইনা পাৰিজাতৰ উপ-সভাপতি হৰিচন্দ্ৰ শৰ্মা, সহকাৰী সম্পাদক বিপুল ডেকা, ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰবীণ বৰুৱা, খেল বিভাগৰ সভাপতি পুৰণ শৰ্মা, সাংগঠনিক সম্পাদক সত্যেন্দ্ৰ কলিতা, কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চন্দ্ৰ ডেকা, দ্বীপেন্দ্ৰ শৰ্মা, চপাই পদুম পাহি মইনা পাৰিজাতৰ উপদেষ্টা ইবিনাথ ৰাভা, উপেন চন্দ্ৰ ডেকা, প্ৰতিষ্ঠাপক সম্পাদক দুগ্ধ ডেকা আদি উপস্থিত থকা এই অনুষ্ঠানত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ অধিৱেশন উপলক্ষে ধেমাজিত অনুষ্ঠিত নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান লাভ কৰি দৰঙলৈ গৌৰৱ কঢ়িয়াই অনা চপাই পদুম পাহি মইনা পাৰিজাতৰ প্ৰাক্তন মইনা বনশ্ৰী নাথক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে আজি শিশু সকলৰ মাজত আজি অনুষ্ঠিত আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰিয়াংশ্ৰী শিৰমে প্ৰথম, অনুৰাগ ডেকাই দ্বিতীয়, নিলয় নূপুৰ শৰ্মা আৰু দীপাসা বড়োই তৃতীয় স্থান লাভ কৰে। অনুষ্ঠানত গোলাঘাটত ২৯ ডিচেম্বৰত সামৰণি পৰা অষ্টাদশ দ্বি-বাৰ্ষিক ৰাজ্যিক শিশু সমাৰোহত পুৰস্কৃত হোৱা আৰু অংশগ্ৰহণ কৰা মঙলদৈ জিলা মইনা পাৰিজাতৰ শিশু-পৰিচালক সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

# আমিনগাঁৱত কামৰূপ জিলাৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত ৰাষ্ট্ৰীয় যুৱ দিৱস পালন

**অসম বাৰ্তা, কমলপুৰ, ১২ জানুৱাৰী** ঃকামৰূপ জিলাৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত যোৱা ৭ জানুৱাৰীত আমিনগাঁওস্থিত বেংগলী প্ৰাথমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। সজাগতা সভাত ছাত্ৰ-ছাত্ৰী সকলক নিজৰ নিজৰ অধিকাৰ আৰু প'কচো আইনৰ বিষয়ে বৰ্ণনা কৰা হয়। উক্ত অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী সকলক নিজৰ নিজৰ অধিকাৰ আৰু প'কচো আইনৰ বিষয়ে বৰ্ণনা কৰে কামৰূপ, আমিনগাঁৱৰ সহকাৰী আইনী সাহায্য প্ৰতিৰক্ষা অধিবক্তা সুনয়না শৰ্মা, অধিবক্তা সোণমণী ঠাকুৰীয়াই। সজাগতা সভাত আমিনগাঁও বেংগলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ লগতে জিলা আইন সেৱা প্ৰাধিকাৰী, কামৰূপৰ আমিনগাঁৱৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য কামৰূপ জিলাৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে যোৱা ৫ জানুৱাৰীৰ পৰা বিভিন্ন সজাগতামূলক সভাৰ আয়োজন কৰা হৈছে।

হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ ধ্বনিৰে মুকালমুৱাত কংগ্ৰেছৰ প্ৰতিবাদ

# প্ৰকৃত ভাৰতীয় নাগৰিকক হাৰাশাস্তি বন্ধ কৰাৰ দাবী

**অসম বাৰ্তা, দৌলাশাল, ১২ জানুৱাৰী** ঃভোটাৰ তালিকা বিশেষ সংশোধনীৰ জৰিয়তেই ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ সংখ্যালঘু ৰাইজক হাৰাশাস্তি কৰাৰ অভিযোগত আজি নলবাৰীৰ মুকালমুৱাত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছৰ বৰক্ষেত্ৰী ব্লক সংখ্যালঘু বিভাগৰ উদ্যোগত আৰু নলবাৰী জিলা সংখ্যালঘু বিভাগৰ সহযোগত মুকালমুৱাৰ ৰাজহুৱা মঞ্চত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ পৰে কংগ্ৰেছ কৰ্মীসকলে। দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰা কংগ্ৰেছ কৰ্মীসকলে অসম চৰকাৰ হায়-হায়, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, বিজেপি হায়-হায়, অশোক সিংঘাল মুৰ্দাবাদ, সংখ্যালঘু ৰাইজক হাৰাশাস্তি কৰা বন্ধ কৰক ইত্যাদি শ্লোগান প্ৰদান কৰি উত্তাল কৰি তোলে ধৰ্মঘটস্থলী। ধৰ্মঘটত নলবাৰী কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সভাপতি ৰকুনউদ্দিন আহমেদে অংশগ্ৰহণ কৰি সংখ্যালঘু ৰাইজক হাৰাশাস্তি কৰা বন্ধ নকৰিলে আগন্তুক দিনত তীব্ৰতৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক নাছিৰ প্ৰধানীয়ে ধৰ্মঘটত উপস্থিত থাকি "শেহতীয়াকৈ অসমত ভোট চুৰি পৰ্ব আৰম্ভ হৈছে" বুলি কয়। ভোটাৰ তালিকা বিশেষ সংশোধনীৰ জৰিয়তেই শুদ্ধৰ ঠাই অশুদ্ধ ভোটাৰ তালিকাহে প্ৰকাশ পাব বুলি মন্তব্য কৰে নাছিৰ প্ৰধানীয়ে। কাৰ্যসূচীত নলবাৰী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক চাধুল্লা আলী উপস্থিত থাকি বৰক্ষেত্ৰীৰ নিৰ্বাচনী পঞ্জীয়কগৰাকীয়ে কংগ্ৰেছী মানুহ চাই চাই শুনানিৰ বাবে জাননী জাৰি কৰিছে বুলি অভিযোগ কৰে। চাধুল্লা আলীয়ে লগতে কয় যে যদিহে ভোটাৰ তালিকাত বিদেশী লোক আছে তেন্তে চিনাক্ত কৰি খেদি পঠিওৱাক, কিন্তু প্ৰকৃত ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰাটো গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয় বুলিও মন্তব্য কৰে নলবাৰী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক চাধুল্লা আলীয়ে। অৰ্ধশতাধিক কংগ্ৰেছকৰ্মীয়ে হাতে হাতে প্লে' কাৰ্ড লৈ চৰকাৰ বিৰোধী বিভিন্ন শ্লোগান প্ৰদান কৰে। ধৰ্মঘট কাৰ্যসূচীৰ অন্তত ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ক গৰাকীক দহটা দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। কাৰ্যসূচীত সংখ্যালঘু বিভাগৰ বৰক্ষেত্ৰীৰ সভাপতি মুক্তাৰ হুছেইনকে প্ৰমুখ্য কৰি অৰ্ধশতাধিক কংগ্ৰেছকৰ্মী উপস্থিত থাকে।

হিমাংশু দাসৰ অৰ্ধশতকেৰে ডুমডুমা ক্ৰিকেট একাডেমী সম্পাদক একাদশ চেম্পিয়ন

# আপাৰ আসাম ১৪ বছৰ অনুৰ্ধ্ব ক্ৰিকেট প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ জানুৱাৰী** ঃ ডুমডুমা ক্ৰিকেট একাডেমীৰ উদ্যোগত ডুমডুমা নগৰ খেলপথাৰত যোৱা ২৯ ডিচেম্বৰৰ পৰা চলি থকা ১৪ বছৰ অনুৰ্ধ্ব আপাৰ আসাম ইণ্টাৰ ক্ৰিকেট কচিং চেণ্টাৰ-একাডেমী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনত ডুমডুমা ক্ৰিকেট একাডেমীৰ সম্পাদক একাদশে গোলাঘাট ক্ৰিকেট কচিং চেণ্টাৰক ৬ উইকেটত পৰাস্ত কৰি চেম্পিয়ন হয়। গোলাঘাট দলে প্ৰথমে বেটিং কৰি বিবেক শৰ্মাৰ ২৯, জাভেদ হুছেইনৰ ২৯ আৰু লক্ষেশ্বৰ তাঁতীৰ ১৮ ৰাণৰ সহায়ত ২৮.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱায় ১৩২ ৰাণ কৰে। ডুমডুমা দলৰ প্ৰিয়তম সন্দিকৈ, ইমৰাণ উদ্দিন আৰু ধীৰাজ চুতীয়াই ৩ টাকৈ উইকেট দখল কৰে। ১৩৩ ৰাণৰ লক্ষ্য লৈ বেটিং কৰিবলৈ অহা ডুমডুমা দলৰ হিমাংশু দাসৰ ৫০, ইমৰাণ উদ্দিনৰ ২৮ আৰু ধীৰাজ চুতীয়াৰ ২৮ ৰাণৰ জৰিয়তে ২৩.৩ অভাৰত ৪টা উইকেট হেৰুৱায় ১৩৬ ৰাণ কৰি চেম্পিয়ন হয়। বলিংত গোলাঘাট দলৰ জাভেদ হুছেইন আৰু ৰাহুল আগৰৱালাই ২ টকা উইকেট লাভ কৰে। এই চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ ৰূপে ডুমডুমা ক্ৰিকেট একাডেমীৰ সম্পাদক একাদশৰ ধীৰাজ চুতীয়া নিৰ্বাচিত হয়। ইয়াৰ উপৰিও টুৰ্ণামেণ্টৰ শ্ৰেষ্ঠ খেলুৱৈ ৰূপে বিবেচিত হোৱা ডুমডুমা ক্ৰিকেট একাডেমীৰ সম্পাদক একাদশৰ হিমাংশু দাসক হেমাংগ বৰুৱা মেমৰিয়েল ট্ৰফী প্ৰদান কৰে। বঁটা বিতৰণী অনুষ্ঠানত চেম্পিয়ন দল, ৰাৰ্ণাছ আপ দলৰ লগতে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ বলাৰ প্ৰিয়তম সন্দিকৈ (ডুমডুমা ক্ৰিকেট একাডেমী সম্পাদক একাদশ), শ্ৰেষ্ঠ বেটাৰ হিমাংশু দাস (ডুমডুমা ক্ৰিকেট একাডেমী সম্পাদক একাদশ) আৰু শ্ৰেষ্ঠ উইকেটকীপাৰ বিবেক শৰ্মা (গোলাঘাট ক্ৰিকেট কচিং চেণ্টাৰ)ক বঁটা প্ৰদান কৰে ডুমডুমাৰ বিশিষ্ট চিকিৎসক ডাঃ প্ৰণৱজ্যোতি ডেকা, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খান, ব্যৱসায়ী কিষাণলাল পাৰিক, সমাজকৰ্মী ৰাজকুমাৰ গাৰোদিয়া আৰু দিলীপ প্ৰসাদ, ডুমডুমা ক্ৰিকেট একাডেমীৰ সভাপতি ৰাজকুমাৰ ৰায়, সম্পাদক সুদীপ্ত ৰাজকোঁৱৰ আৰু প্ৰশিক্ষক দ্বীপেন মহন্তই। চূড়ান্ত খেলখনৰ আম্পায়াৰ আছিল ৰূপজ্যোতি ভৰদ্বাজ আৰু সঞ্জয় দত্ত গুপ্ত।

বিদ্যালয়ৰ পৰিচালন সঞ্চালক লোহিত দাসক ‘প্ৰভাতী সূৰুয’ সন্মানেৰে বিভূষিত

# শংকৰদেৱ বিদ্যা মন্দিৰৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত ‘জুবিন গাৰ্গৰ নামেৰে বিশাল তোৰণ’ উন্মোচন বিশিষ্ট কণ্ঠশিল্পী ড° সংগীতা কাকতীৰ

## প্ৰাচীৰ পত্ৰিকা ‘কমলাক্ষী’ৰ চতুৰ্থ বৰ্ষৰ প্ৰথম সংখ্যাটি উন্মোচন বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহৰ



**অসম বাৰ্তা, ছয়গাঁও, ১২ জানুৱাৰী** ঃ কম সময়তে ৰাইজৰ হৃদয় জিনিবলৈ সক্ষম হোৱা দক্ষিণ কামৰূপৰ অন্যতম আগশাৰীৰ বিদ্যালয় হিচাপে স্বীকৃত কুকুৰমাৰাৰ শংকৰদেৱ বিদ্যা মন্দিৰৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি মূল তোৰণখন উন্মোচন কৰা হয়। শংকৰদেৱ বিদ্যা মন্দিৰৰ উক্ত তোৰণখন এক মাঙ্গলিক অনুষ্ঠানৰ মাজেৰে শুভ উদ্বোধন কৰে অসমৰ বিশিষ্টা কণ্ঠশিল্পী ড° সংগীতা কাকতিয়ে। “জুবিন গাৰ্গ তোৰণ” নামেৰে নামকৰণ কৰা হয় এই তোৰণখনৰ।আটাইতকৈ আকৰ্ষণীয় দৃশ্য আছিল মূল তোৰণ সংলগ্ন পকী বেৰত অসমৰ গুৰু, জাতিৰ জনক, স্বনামধন্য সাহিত্যিক শিল্পী ক্ৰমে শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে অৰণী কাকতীয়ে, অসমৰ হিয়াৰ মণি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে সমাজকৰ্মী গণেশ দাসে, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ভাঠিপাৰা ৰাইজ গয়ৰহৰ সভাপতি নগেন দাসে, জ্ঞানপীঠ বঁটা বিজয়ী মামনী ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে আমত’লা সত্ৰ ৰাইজ গয়ৰহৰ সভাপতি জগদীশ কলিতাই, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে গাওঁ ৰক্ষী বাহিনীৰ সেনানী বৰটাৰীৰ ৰত্নেশ্বৰ কলিতাই, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ৩নং আমত’লা গাঁৱৰ বিশিষ্ট সমাজকৰ্মী পবিত্ৰ কুমাৰ দাসে, আনন্দ ৰাম বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত আয়ুক্ত ৰাজীৱ প্ৰকাশ বৰুৱাই, একশৰণ ভাগৱতী সমাজৰ আচাৰ্য্য প্ৰয়াত ইলাৰাম দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কুকুৰমাৰা গাঁৱৰ উন্নয়ন সমিতিৰ সভাপতি ৰূপনাথ দাসে, শিল্পী পেঞ্চনাৰ বিশিষ্ট শিল্পী শুক্ৰেশ্বৰ মহন্তৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে তেওঁৰ সহধৰ্মিণী নৱমী মহন্তই, ভাঠিপাৰা গাঁৱৰ শ্বহীদ জ্যোতিষ চন্দ্ৰ দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ভাতৃ প্ৰভাত চন্দ্ৰ দাসে। তাৰ পিছতে বিদ্যালয়খনৰ ছমহীয়া প্ৰাচীৰ পত্ৰিকা “কমলাক্ষী”ৰ চতুৰ্থ বৰ্ষৰ প্ৰথম সংখ্যাটি উন্মোচন কৰে বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহই। তাৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নৃত্য, গীতৰ লগতে বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যসূচী আৰম্ভ হয়। কালিৰ সভাতে ১৯৯৫ চনতে দক্ষিণ কামৰূপৰ ৩ নং আমত’লা গাঁৱত জন্মগ্ৰহণ কৰা প্ৰভাতী সূৰুয নাট্যগোষ্ঠীয়ে আমতলা গাঁৱৰ এটি সাধাৰণ কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰি ৰাজ্যখনৰ ভিতৰতে এজন আগশাৰীৰ বিশিষ্ট যুৱ ব্যৱসায়ী হিচাপে চিনাকি দি বৃহত্তৰ কুকুৰমাৰা অঞ্চলক গৌৰৱান্বিত কৰি শেহতীয়াকৈ শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটোক আগুৱাই নিব খোজা শংকৰদেৱ বিদ্যা মন্দিৰৰ পৰিচালন সঞ্চালক লোহিত দাসক “প্ৰভাতী সূৰুয” সন্মানেৰে বিভূষিত কৰা হয়। সাংবাদিক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সঞ্চালক ধীৰাজ কুমাৰ দাসে পৰিচালনা কৰা উক্ত অনুষ্ঠানত যুৱ আৰু ক্ৰীড়া কল্যাণ বিভাগৰ সচিব অঙ্কুৰ বৰুৱা, অসম চৰকাৰৰ ৰাজহ বিভাগৰ সচিব ধৰ্মকান্ত মিলি, অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া ৰাজীৱ প্ৰকাশ বৰুৱা, অভীৰুচিৰ সঞ্চালক বলেন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# খৈৰাবাৰী আঞ্চলিক আৰু ওদালগুৰি জিলা বাঙালী যুৱ ছাত্ৰ ফেডাৰেশনৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ১২ জানুৱাৰী** ঃ ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ গুৰিহাটী ৰাস মন্দিৰ প্ৰাঙ্গনত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা খৈৰাবাৰী আঞ্চলিক আৰু ওদালগুৰি জিলা বাঙালী যুৱ ছাত্ৰ ফেডাৰেশনৰ দ্বাদশ দ্বি- বাৰ্ষিক অধিবেশন খনি ৰবিবাৰে সফল সামৰণি পৰে। অধিবেশনৰ লগত সংগতি ৰাখি সামৰণি দিনা খৈৰাবাৰীৰ বিভিন্ন জাতি ধৰ্ম জনগোষ্ঠীৰ সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে। বিজনীৰ বিধায়ক অজয় ৰয়ে। মুকলি সভাৰ পূৰ্বে খৈৰাবাৰী গুৰিহাটী ৰাস মন্দিৰৰ প্ৰাংগণ উন্নয়ন, পকীবেৰ নিৰ্মাণ আৰু মূল তোৰণ নিৰ্মাণৰ বাবে কলাইগাঁও বিধানসভা সমষ্টিৰ স্থানীয় বিধায়ক দুৰ্গাদাস বড়োই ১৮ লাখ, অসমৰ কেবিনেট মন্ত্ৰী চৰণ বড়োই ৫০ লাখ আৰু বিটিচিৰ ই এম লৌমশ্ৰাউ দৈমাৰীয়ে ১৫ লাখ টকাৰ অনুদান আগবঢ়োৱা আচনীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিচত প্ৰায় আঢ়ৈ হেজাৰ লোকৰ দ্বাৰা প্ৰাণৰ শিল্পী হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ জনপ্ৰিয় যাদুকৰী গীত মায়াবিনী পৰিবেশন কৰা হয়। মায়াবিনী গীতৰ শুভাৰম্ভণি কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰন বড়োই। ইয়াৰ লগতে বিটিচিৰ প্ৰাক্তন ই এম তথা বিটিচিৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেশ্যনৰ প্ৰতিষ্ঠাপক সভাপতি জগদীশ সৰকাৰৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভা। মুকলি সভা উদ্বোধন কৰে খৈৰাবাৰী বাঙালি ফেডাৰেশ্যনৰ উপদেষ্টা চঞ্চল কুমাৰ দেবনাথে। সভাৰ আৰম্ভণিত জাতিৰ কাৰণে প্ৰাণ আহুতি দিয়া ব্যক্তি সকলৰ আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত এক মিনিট মৌন প্ৰৰ্থনা কৰি সভাৰ শুভাৰম্ভ কৰে। শিক্ষক পংকজ চৰকাৰে আট ধৰা মুকলি সভাত উপস্থিত থাকে অসম বিধান সভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰি, নিৰ্দিষ্ট বক্তা হিচাপে তেজপুৰৰ কবি সাহিত্যিক তথা অধিবক্তা সঞ্জীৱ গোস্বামী, ফেডাৰেশ্যনৰ কেন্দ্ৰীয় সভাপতি হৰেন্দ্ৰ দাস, সম্পাদক শুভ মজুমদাৰ, বিধায়ক দুৰ্গাদাস বড়ো, এম চি এল এ পল টপ্পো, ফেডাৰেশ্যনৰ উপদেষ্টা মদন শৰ্মা, খৈৰাবাৰী মহা বিদ্যালয়ৰ অধ্যক্ষ ড° দেবব্ৰত সেন, সমাজসেৱী বিকন ডেকা, অধ্যাপক ড° উত্তম কলিতা, সমাজকৰ্মী নাৰায়ন দাস, সমাজকৰ্মী কৃষ্ণকান্ত বসুমতাৰী, প্ৰাক্তন সভাপতি, সুজিত সৰকাৰ উপৰিও বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। মুকলি সভাত খৈৰাবাৰী মহাবিদ্যালয়ৰ সহকাৰী জেষ্ঠ্য অধ্যাপক ড° উত্তম কলিতাই “চেতনা” স্মৃতি গ্ৰন্থ উন্মোচন কৰি ভাষণ প্ৰসংগত তেখেতে বাঙালি জাতিৰ “চেতনা” স্মৃতিগ্ৰন্থ এখন দলিল বুলি আখ্যা দিয়ে। অতীতৰ পৰা বৰ্তমানলৈ বাঙালি জাতিৰ সকলো ঘাট প্ৰতিঘাত সকলো লিপিবদ্ধ কৰি উলিওৱা এখন দলিল বুলি বক্তব্য ৰাখে। লগতে তেওঁ এই মহান স্মৃতি গ্ৰন্থখন সকলো ৰাইজক পঢ়িবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও সভাত বিধায়ক দুৰ্গা দাস বড়ো, বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰিয়ে ভাষণ প্ৰদান কৰে। অন্যহাতে সভাত সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ সভাপতি হৰেন্দ্ৰ দাসে অসম তথা বিটিচিত বসবাস কৰি অহা বাঙালি জাতিৰ বিভিন্ন সমস্যাৰ বিষয়ে বক্তব্য প্ৰদান কৰি তেওঁ কয় চৰকাৰ বিভিন্ন আচনীৰ লগতে ডি ভোটাৰ সমস্যা সমাধানৰ লগতে বিভিন্ন দাবি সমূহৰ চৰ্ত পূৰণ নকৰিলে অনাগত দিনত নিজাববীয়াকৈ নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰা হুংকাৰ দিয়ে। উক্ত সভাত সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ তৰফৰ পৰা বিশ্বজিৎ দৈমাৰি, দুৰ্গা দাস বড়ো আৰু পল টপ্পোক অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰিলৈ ন দফিয়া বাঙালি জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ দাবিৰে স্মাৰক পত্ৰ পেৰন কৰে। অন্যহাতে সা ৰে গা মা পা খ্যাত জী টিভি লিটিল চ্যাম্প কলিকতাৰ শালিনী মুখাৰ্জীৰ দ্বাৰা বিশেষ সাংস্কৃতিক সন্ধিয়া পৰিৱেশনেৰে সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ খৈৰাবাৰী অধিৱেশনৰ সফল সামৰণি পৰে।

সাংবিধানিক প্ৰদত্ত অধিকাৰ প্ৰাপ্তিৰ বাবে ‘আছা’ৰ নতুন সংকল্প

# আদিবাসীসকলৰ ন্যায়ৰ দাবী হৈছে সংসদীয় হস্তক্ষেপ ঃ ড° প্ৰবীণ টপ্ন

**অসম বাৰ্তা, নাহৰকটীয়া, ১২ জানুৱাৰী** ঃ অসমৰ আদিবাসী জনগোষ্ঠীৰ সাংবিধানিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰৰ বাবে সংগ্ৰাম তীব্ৰতৰ কৰাৰ নতুন সংকল্পৰে ডিব্ৰুগড় জিলাৰ ৰাজগড় পিঠাপথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ ‘আছা’ৰ উদ্যোগত আয়োজিত ‘২১ সংখ্যক আদিবাসী মহাসভা’ দেওবাৰে সম্পন্ন হয়। অসমৰ আদিবাসী জনগোষ্ঠীৰ সৰ্ববৃহৎ অনুষ্ঠান ৰূপে পৰিগণিত এই মহাসভাৰ কাৰ্যক্ৰম ৮ জানুৱাৰীৰ পৰা আৰম্ভ হৈছিল আৰু পাঁচটা বিষয়ভিত্তিক আলোচনা-চক্ৰ, প্ৰদৰ্শনী, সাংস্কৃতিক কাৰ্যক্ৰম আৰু জনগোষ্ঠীটোৰ বিভিন্ন জাতি-জনজাতীয় সমাজ, সংস্থাৰ সৈতে বিস্তৃতভাৱে আলোচনা হৈছিল। দেওবাৰে সামৰণি পৰা অনুষ্ঠানৰ মুকলি সভাত অসমৰ বিভিন্ন জিলাৰ হাজাৰ-হাজাৰ প্ৰতিনিধি, ছাত্ৰ-ছাত্ৰী, বুদ্ধিজীৱী আৰু জনগোষ্ঠীটোৰ ৰাইজ তথা সদস্যসকলে অংশগ্ৰহণ কৰে। সংগঠনটোৰ সভাপতি গডউইন হেমৰমে অসমৰ সামাজিক, অৰ্থনৈতিক বিকাশত বিশেষকৈ চাহ বাগিচা খণ্ডত আদিবাসী জনগোষ্ঠীৰ ঐতিহাসিক অৱিহণা আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰত আদিবাসীৰ অৱদানৰ প্ৰসংগ উল্লেখ কৰে। তেখেতে কয়, আদিবাসী জনগোষ্ঠীয়ে অসমৰ অৰ্থনীতি গঢ়ি তোলাত মুখ্য ভূমিকা পালন কৰিছে, কিন্তু তেখেতসকল মৌলিক সাংবিধানিক অধিকাৰ আৰু ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। তেওঁ চৰকাৰক সমালোচনা কৰি কয়, অনুসূচীৰ মৰ্যাদা, ভূমি পট্টা, সুনিশ্চিত মজুৰি আৰু চাকৰিৰ সংৰক্ষণৰ দৰে দীঘলীয়া দাবীসমূহ সমাধান কৰিবলৈ চৰকাৰ ব্যৰ্থ হৈছে। ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে, আদিবাসীসকলক যিকোনো চৰকাৰে সদায়েই প্ৰতাৰণা কৰি আহিছে। আদিবাসীসকলে বিজেপি চৰকাৰক বিশ্বাস কৰি বিধানসভা আৰু লোকসভা নিৰ্বাচনত সমৰ্থন কৰিছিল, কিন্তু প্ৰতিশ্ৰুতিসমূহ বৰ্তমান ভাষণ বাক্যহে হৈ আছে। যদিহে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ আগতে এই প্ৰতিশ্ৰুতিসমূহ পূৰণ নহয়, তেন্তে আদিবাসী জনগোষ্ঠীয়ে চৰকাৰ ওফৰাই পেলাব। সভাপতি হেমৰমে দৃঢ়তাৰে আদিবাসীসকল ৰাজনৈতিকভাৱে সচেতন হোৱাৰ আহ্বান জনায়। মুকলি সভাৰ মুখ্য বক্তা প্ৰখ্যাত শিক্ষাবিদ তথা গৱেষক ড° প্ৰবীণ টপ্নই ভাৰত আৰু অসমৰ আদিবাসী জনগোষ্ঠীৰ ঐতিহাসিক উৎপত্তিৰ কথা তুলি ধৰি তেওঁলোকক উপ-মহাদেশখনৰ প্ৰথম বাসিন্দা বুলি বক্তব্যত বৰ্ণনা কৰে। তেওঁ অসমৰ আদিবাসীসকলক অনুসূচীৰ মৰ্যাদা নিষেধ কৰা বিষয়ক ‘গুৰুতৰ সাংবিধানিক ব্যৰ্থতা’ বুলি কৰে। অসমভূমিৰ আদিবাসী হিচাপে, আদিবাসীসকলে প্ৰজন্মৰ পৰা প্ৰজন্ম বঞ্চনা আৰু নিপীড়নৰ সন্মুখীন হৈছে। তেওঁ কয়, ন্যায়ৰ দাবী হৈছে সংসদীয় হস্তক্ষেপ, আদিবাসী পৰিচয়ৰ পুনৰুদ্ধাৰ আৰু জয়পাল সিং মুণ্ডা আৰু আম্বেদকাৰ দৃষ্টিভংগীত সাংবিধানিক সুৰক্ষাৰ কাৰ্যকৰী কৰাৰ লগতে সংগঠনটোক সংগ্ৰাম, আন্দোলন অব্যাহত ৰাখিবলৈ তেখেতে আহ্বান জনায়। মুকলি সভাত প্ৰাক্তন কেবিনেট মন্ত্ৰী এতুৱা মুণ্ডা, লেখক আৰু সমাজকৰ্মী দয়ানন্দ শ্বাহ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কী, ‘আছা’ৰ প্ৰাক্তন সভাপতিদ্বয় ৰাফেল কুজুৰ, ষ্টিফেন লাকড়া, প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক যোচেফ মিঞ্জে ভাষণ ৰাখে। মুকলি সভাৰ পূৰ্বে আদিবাসীসকলৰ পৰম্পৰাগত পোছাক, বাদ্য-যন্ত্ৰ আৰু আদিবাসী প্ৰতীকি প্ৰদৰ্শন কৰি এখন ৰঙীন সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰে। শোভাযাত্ৰা মহাসভাস্থলীৰ পৰা ৰাজগড় টাউনলৈ গৈ পুনৰ মহাসভাস্থলীলৈ বাহিৰ কৰা হৈছিল, য’ত আদিবাসী জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য আৰু সন্মিলিত পৰিচয়ক প্ৰতিফলিত কৰিছিল। মহাসভাস্থলীত পৰম্পৰাগত পোছাক, আদিবাসী খাদ্য, হস্তশিল্প আৰু আদিবাসী সমাজৰ ঐতিহাসিক সাহিত্য প্ৰদৰ্শন কৰা প্ৰদৰ্শনী আৰু দোকানসমূহ আছিল পৰিৱেশটোক অনন্য কৰি তুলিছিল। আলোচনা-চক্ৰৰ ভিতৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰধ্যাপক ড° প্ৰাঞ্জল বুৰাগোহাঁইয়ে আদিবাসী যুৱক-যুৱতীক উচ্চাকাংক্ষাসহ সপোন দেখিবলৈ আৰু উদ্দেশ্যগত আত্মবিশ্বাসৰ সৈতে শিক্ষিত হ’বলৈ আহ্বান জনায়। আলোচনা-চক্ৰতে সাংবাদিক আৰু গৱেষক মিণ্টু মিঞ্জুৰ সম্পাদিত “ফুল-ঙ্গী” শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন হয়। ডিব্ৰুগড় জিলা আৰক্ষীৰ চাইবাৰ অপৰাধ শাখাৰ বিষয়াসকলে চাইবাৰ নিৰাপত্তা, অনলাইন জোৱা আৰু ডিজিটেল সচেতনতাৰ ওপৰত এখন পৃথক আলোচনা-চক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। পূৰ্ব ভাৰতী শৈক্ষিক ন্যাসৰ প্ৰতিনিধি বুলবুলি গোঁড় আৰু মনীষা তাঁতী গুণগত শিক্ষা সন্দৰ্ভত আৰু অনুসূচীকৰণ আৰু সাংবিধানিক অধিকাৰ সম্পৰ্কীয় আলোচনা-চক্ৰত গৱেষক, সাংবাদিক মিণ্টু মিঞ্জুৰ আৰু সামাজিককৰ্মী বাৰ্ণা কিণ্ডই সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, মহাসভাখনৰ বিভিন্ন আলোচনা-চক্ৰত ‘আছা’ আৰু বিভিন্ন আদিবাসী সংগঠন মাজত বিশেষ আলোচনা, মতামত হৈছিল আৰু ‘আছা’ই কৰিবলগীয়া একাধিক কামত প্ৰস্তাৱ তথা সিদ্ধান্ত গৃহীত হয়। মূল দাবী তথা প্ৰস্তাৱসমূহৰ ভিতৰত অসমৰ আদিবাসী জনগোষ্ঠীক শীঘ্ৰে অনুসূচীৰ মৰ্যাদা প্ৰদান, চাহ বাগিচা শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি, চাহ বাগিচাত মহিলা শ্ৰমিকৰ বাবে পৃথক প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা, ভূমি অধিকাৰৰ স্বীকৃতি আৰু সুৰক্ষা, শ্ৰম কল্যাণ আইনৰ কাৰ্যকৰীকৰণ, চাকৰিৰ সংৰক্ষণ বিকশিত কৰা, প্ৰত্যেক জিলাত আদিবাসী ছাত্ৰ-ছাত্ৰীৰ বাবে মহাবিদ্যালয়ত আদিবাসী হোষ্টেল স্থাপন আৰু আদিবাসী ভাষা, সংস্কৃতি আৰু পৰিচয়ৰ সুৰক্ষা আদি বিষয়সমূহ অন্তৰ্ভুক্ত আছিল। প্ৰস্তাৱসমূহে সংগঠনটোৰ দীঘলীয়া দাবীসমূহ পূৰণ হোৱাৰ লগতে স্থায়ী, সাধাৰণ আৰু একত্ৰিত আন্দোলন অব্যাহত ৰখাৰ পৰিকল্পনা কৰিছে।

# চৰাইদেউ পৰ্বত চাহ বাগিচাৰ শ্ৰমিকৰ ৰাজপথত উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, নামতি, ১২ জানুৱাৰী** ঃ নাজিৰা মহকুমা তথা নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ব্যক্তিগত মালিকানাধীন চৰাইদেউ পৰ্বত চাহ বাগিচাৰ শ্ৰমিক সকলৰ কৰ্মহীন পৰিস্থিতিৰ ভয়াবহ পৰিণতি আজি প্ৰতিফলিত হয় নাজিৰাৰ ৰাজপথত। সদৌ আদিবাসী ছাত্ৰ সন্থা, অসমৰ নাজিৰা আঞ্চলিক সমিতিৰ আহ্বানত বাগিচাখনৰ শ শ শ্ৰমিকে শিমলুগুৰিত সমবেত হৈ পদব্ৰজে প্ৰায় চাৰি কিঃমিঃ পথ অতিক্ৰম কৰি অসম চৰকাৰ, শ্ৰম বিভাগ, লগতে শাসকীয় বিজেপি দলৰ “সবকা চাথ, সবকা বিকাশ” নীতিৰ গুৰুত্বহীনতাক তীব্ৰ ভাষাৰে সমালোচনা কৰে। প্ৰায় তিনিবছৰ ধৰি বাগিচাখন পৰিত্যক্ত কৰি মালিক পক্ষই বিশাল ঋণ গ্ৰহণ কৰি বাগিচাখন ৰুক্ষ কৰি পেলোৱাৰ লগতে সম্প্ৰতি ঋণদাতা প্ৰতিষ্ঠানৰ সৈতেই আইনী যুঁজত নামি পৰি প্ৰকাৰণতে শ্ৰমিক সকলক চূড়ান্ত দুৰ্য্যোগৰ মাজলৈ ঠেলি দিয়াৰ তীব্ৰ অভিযোগ তুলিছে। ইফালে অসম চৰকাৰৰ শ্ৰম বিভাগ তথা সেই বিভাগীয় মন্ত্ৰী ৰূপেশ গোৱালাৰ দৰে ব্যক্তি শাসনত থাকি বিজেপি দলৰ সেৱক হৈ কোনো কাম কৰিব নোৱাৰাৰ বাবে তীব্ৰ সমালোচনা কৰে। প্ৰতিবাদৰ ধ্বনি তুলি প্ৰতিবাদকাৰী শ শ পুৰুষ - মহিলা প্ৰতিবাদকাৰীয়ে “বিজেপি চৰকাৰৰ কাম নাই”, “বিজেপি চৰকাৰ মিছলীয়া”, “ৰূপেশ গোৱালাই পদত্যাগ কৰক” আদি ধ্বনিৰে আকাশ বতাহ কঁপাই তোলে। “মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ”, “অসম চৰকাৰ কাম নাই” ধ্বনিৰ সমানভাৱেই “বিধায়ক দেৱব্ৰত শইকীয়া মুৰ্দাবাদ”, “সাংসদ গৌৰৱ গগৈ




মুৰ্দাবাদ” আদি ধ্বনিৰ মাজত কি শাসক কি বিৰোধী সকলোকেই শ্ৰমিকৰ দুৰ্দশাৰ বাবে অভিযুক্ত কৰে প্ৰতিবাদী চাহ শ্ৰমিক সকলে। স্থানীয় বিধায়ক দেৱব্ৰত শইকীয়াৰ বিৰুদ্ধে তিনিবছৰ ধৰি ভোকে লঘোণে চাহ বাগিচাত বসতি কৰি কৰ্মহীন হৈ ৰোৱা তথা বাগিচাৰ পৰিচালকৰ তীব্ৰ অন্যায়ৰ বলি হৈ অহা শ্ৰমিক সকলৰ মাজত থিয় হৈ কোনো আলোচনা নকৰা আৰু বিধান সভাত এই বিষয়ে কোনো বিষয় উত্থাপন নকৰাৰ তীব্ৰ অভিযোগ উত্থাপন কৰে। এনে পৰিস্থিতিত চাহ বাগিচাৰ শ্ৰমিকৰ উপবাসী অৱস্থাত প্ৰাণ যায় ভেটি যায় পৰিস্থিতিত বহু শ্ৰমিকৰ লৰা ছোৱালীয়ে স্কুল এৰা আৰু বহিঃ ৰাজ্যত কাম বিচাৰি গৈ আলৈ আহুকালত পৰাৰ বিষয়ে উদাত্ত ভাষাৰে কৈ যায় আদিবাসী ছাত্ৰ নেতা সকলে। প্ৰাপ্য গ্ৰেচুইটী বিনেই শ্ৰমিকৰ মৃত্যু ঘটা, চিকিৎসাৰ আন্তঃগাঁঠনি শূন্য হৈ পৰা বাগিচাখনৰ সমূহ সমস্যাৰ সমাধান কল্পে নাজিৰাৰ সমজিলাৰ আয়ুক্তক স্মাৰক পত্ৰ দিবলৈ অহা গণতান্ত্ৰিক আন্দোলনৰ সময়ত সমজিলা আয়ুক্তই ওলাই অহাত পলম কৰাৰ বাবে শ্ৰমিক সকলে সমজিলা আয়ুক্তই নিজ হাতে স্মাৰক পত্ৰ গ্ৰহণ কৰিবই লাগিব বুলি সোচ্চাৰ হৈ পৰে। অৱশেষত সমজিলা আয়ুক্ত নিজে সহকাৰী আয়ুক্ত সকলৰ সৈতে প্ৰৱেশ দ্বাৰলৈ ওলাই আহে। বাগিচাখন শীঘ্ৰে পুনৰ উজ্জীৱিত কৰা, শ্ৰমিকৰ অনাদায় প্ৰাপ্য সমূহ শীঘ্ৰে আদায়ৰ ব্যৱস্থা কৰা, বাগিচা পৰিচালন কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি বাগিচাখন অসম চৰকাৰৰ অধীনলৈ অনা, বাগিচাৰ চিকিৎসাজনিত আৰু জৰুৰীকালীন সেৱা কাৰ্য্যক্ষম কৰা, অৱসৰ প্ৰাপ্ত শ্ৰমিকৰ পিএফ, গ্ৰেচুইটী শীঘ্ৰে মুকলি কৰাৰ ব্যৱস্থা কৰা আদি দাবী সম্বলিত স্মাৰক পত্ৰত সভাপতি সনাতন নাহাক আৰু সম্পাদক ঔম প্ৰকাশ তাঁতীয়ে স্বাক্ষৰ কৰে। নিজ হাতে স্মাৰক পত্ৰ গ্ৰহণ কৰি সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে শ্ৰমিক সকলৰ বক্তব্য দীঘলীয়া সময়ৰ বাবে শুনাৰ লগতে প্ৰত্যুত্তৰত এই সমূহ কামৰ বাবে তেওঁ কিছু সময় বিচাৰে। শ্ৰমিক সকলে আগন্তুক নিৰ্বাচনৰ পূৰ্বে প্ৰশাসনৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে বাট চাব বুলি অৱগত কৰে।

# কামৰূপ জিলা ৰেফাৰী ব’ৰ্ডৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

## ড° কাৰ্তিক মেধিক অধ্যক্ষ, প্ৰভাত কলিতা পুনৰ সম্পাদক

**অসম বাৰ্তা, হাজো, ১২ জানুৱাৰী** ঃ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ ৰেফাৰী ব’ৰ্ডৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন আজি দিনযোৰা কাৰ্য সূচীৰে হাজো ষ্টেডিয়ামত অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে ব’ৰ্ডৰ অধ্যক্ষ ড° কাৰ্তিক চন্দ্ৰ মেধিয়ে। প্ৰয়াত ৰেফাৰী সকলৰ স্মৃতিত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে ব’ৰ্ডৰ উপাধ্যক্ষ মাধৱ চন্দ্ৰ কলিতাই। ইয়াৰ পিছতে অধ্যক্ষ ড° কাৰ্তিক চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত বিষয় বাছনি আৰু মুকলি সভাত সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক প্ৰভাত কলিতাই। ৰেফাৰী ব’ৰ্ডৰ কোষাধ্যক্ষ ভবিন চন্দ্ৰ ভৰালীয়ে হিচাপ নিকাচৰ খতিয়ান পাঠ কৰাৰ পিছতে পুৰণা সমিতিয়ে পদত্যাগ কৰে। ইয়াৰ পিছতে ২০২৬ ৰ পৰা ২০২৮ বৰ্ষলৈ তিনি বছৰীয়া কাৰ্যকালৰ বাবে পুনৰবাৰ ড° কাৰ্তিক চন্দ্ৰ মেধিক অধ্যক্ষ আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী প্ৰভাত কলিতাক সম্পাদক ( হেড অৱ ৰেফাৰী) হিচাপে নিৰ্বাচিত কৰি কামৰূপ জিলা ৰেফাৰী ব’ৰ্ডখন গঠন কৰা হয়। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা সৰ্ব ভাৰতীয় ফুটবল ফেডাৰেচনৰ ৰেফাৰী ৰেফাৰী ইনষ্ট্ৰাকটৰ মণিপুৰৰ জয়চন্দ্ৰ সিং, গুৱাহাটী ক্ৰীড়া সন্থাৰ ৰেফাৰী ব’ৰ্ডৰ সম্পাদক দিপক কুমাৰ দেচিইও মুনিন নবিচ, ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ হেড অৱ ৰেফাৰী পৰহেদ আলী, কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি জন্মি দাস, যুটীয়া সম্পাদক জ্ঞানদানন্দ দাস, বিশিষ্ট ক্ৰীড়া সংগঠক বাসুদেৱ ঠাকুৰীয়াই ফুটবল খেল পৰিচালক সকলক শাৰীৰিক সক্ষমতা বজাই ৰখাৰ লগতে ফুটবলৰ আইন সমূহ খেলপথাৰত সঠিকভাৱে প্ৰয়োগ কৰিব পাৰিলেহে এগৰাকী সুদক্ষ খেল পৰিচালক হ’ব পাৰে বুলি ভাষণত প্ৰকাশ কৰি কামৰূপ জিলা ৰেফাৰী ব’ৰ্ডৰ ভবিষ্যত উজ্জ্বল কামনা কৰে।

# পথালিপাহাৰত উচ্চ শিক্ষিত যুৱকৰ দ্বাৰা ভোগালীৰ জলপানৰ সম্ভাৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১২ জানুৱাৰী** ঃ আজি ভোগালী বিহু অৰ্থাৎ মাঘ বিহুৰ উৰুকা। অসমীয়া জনজীৱনৰ প্ৰাণৰ বিহুটিক আদৰাৰ প্ৰস্তুতিৰে গাঁও চহৰ সকলোতে মাথোঁ এতিয়া ব্যস্ততা। চাৰিওফালে এক উখল মাখল পৰিবেশ বিৰাজমান। ভোগালী বিহু মানেই উদৰ পুৰাই খোৱাৰ এটা বিশেষ পৰম্পৰা এতিয়াও আছে অসমীয়া সমাজ জীৱনত। মাছ, মাংস, আলু, দৈ, চিৰা, সান্দহ আৰু বিভিন্ন ধৰণৰ থলুৱা পিঠা-পনাই হেঁপাহৰ ভোগালীক আদৰাৰ প্ৰস্তুতি ঘৰে ঘৰে। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱতী পথালিপাহাৰ অঞ্চলৰ উচ্চ শিক্ষিত যুৱক পংকজ পানি শইকীয়াই নিজা প্ৰচেষ্টাৰে বিগত বৰ্ষৰ দৰে এই বাৰো এখন ভোগালীৰ বিপণি খুলি থলুৱা জলপানৰ সোৱাদ দিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। বকুলবৰা ধানৰ চিৰা, মালভোগ ধানৰ চিৰা, বৰা ধানৰ চিৰা, দৈ, ক্ৰীম, গুৰ, সান্দহ, কোমল চাউল, ভজা পিঠাগুৰি ভজা চাউল আৰু বিভিন্ন ধৰণৰ পিঠা-পনা আদি প্ৰস্তুত কৰি ৰাইজক সুলভ মূল্যত যোগান ধৰিছে। এইজন উচ্চ শিক্ষিত যুৱকে কেইবা বছৰো আগতেই চাকৰি ত্যাগ কৰি এনে ধৰণৰ ব্যৱসায়ত মনোনিবেশ কৰাত এতিয়া অঞ্চলটোৰ উঠি অহা নৱ প্ৰজন্মৰ বাবে তেওঁ আদৰ্শস্বৰূপ হৈ পৰিছে।

# আমত’লা গাঁৱৰ আগশাৰীৰ বাহুৱাল ডেকাৰ হাইদুদু খেলুৱৈ ৰঞ্জন দাসৰ মৃত্যু

**অসম বাৰ্তা, ছয়গাঁও, ১২ জানুৱাৰী** ঃ পলাশবাৰী সমষ্টিৰ ১ নং আমত’লা গাঁৱৰ আগশাৰীৰ বাহুৱাল ডেকাৰ হাইদুদু খেলুৱৈ ৰঞ্জন দাসৰ যোৱা নিশা প্ৰায় ১২ বজাত উচ্চ ৰক্তচাপত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হয়। পিছত নিশাই পৰিয়ালৰ লোকে বিজয়নগৰ লাইভ চেভ হস্পিতালত ভৰ্ত্তি কৰে যদিও চিকিৎসকে ৰঞ্জন দাসৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। এই খবৰে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। আজি পুৱা তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰা মাত্ৰকে অগণন গুণমুগ্ধ লোকে তেওঁৰ বাসগৃহত ভৰি পৰে। কুকুৰমাৰা বজাৰত দীৰ্ঘবছৰ উমা টেইলৰচ নামেৰে এখন কাপোৰৰ দোকান দি জনপ্ৰিয়তা অৰ্জন কৰা ৰঞ্জন দাসে দক্ষিণ কামৰূপৰ বিভিন্ন প্ৰান্তত হাইদুদু খেলুৱৈ হিচাপে বহুপুৰস্কাৰ লাভ কৰাৰ লগতে শেহতীয়াকৈ হাইদুদু আৰু ৰছী টনা খেলৰ বিচাৰক হিচাপে উপস্থিত থাকে দাস। এটা সাংস্কৃতিক প্ৰাণ লৈ জীয়াই থকা দাসে দক্ষিণ কামৰূপৰ বিভিন্ন প্ৰান্তত ভ্ৰাম্যমাণ থিয়েটাৰৰ আহিলেই এগৰাকী উচ্চ পৰ্যায়ৰ দৰ্শক হিচাপে উপস্থিত আছিল। ৫৩ বছৰ বয়সত মৃত্যু বৰণ কৰা দাসে মৃত্যুৰ সময়ত পত্নী জৰা দাস, দুইকন্যা ক্ৰমে অঞ্জলি দাস আৰু হিমাশ্ৰী দাসক এৰি থৈ যায়। তেওঁৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে অগণন গুণমুগ্ধ লোকে বাসগৃহত উপস্থিত হৈ মৃতদেহটো সৎকাৰ কৰিবলৈ তেতেলীভিঠা স্মশানলৈ নিয়ে। আজি দিনৰ কুকুৰমাৰা বণিক সন্থাই তেওঁৰ মৃত্যুৰ বাবে বজাৰখন বন্ধ ৰাখে।

# কমলপুৰ গাঁও যুৱ সমাজৰ তৃতীয় বৰ্ষৰ আন্তঃজিলা বেডমিণ্টন প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ১২ জানুৱাৰী** ঃ মাজুলীৰ কমলপুৰ গাঁও যুৱ সমাজৰ তৃতীয় বৰ্ষৰ আন্তঃজিলা বেডমিণ্টন প্ৰতিযোগিতাখন ৯ আৰু ১০ জানুৱাৰী ২০২৬ তাৰিখে সফলভাৱে অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত বিভিন্ন জিলাৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰি অঞ্চলটোত এক উৎসাহৰ সঞ্চাৰ কৰে। মুখ্য উপদেষ্টা আশিস দত্ত আৰু ঋতুপৰ্ণ শইকীয়া, সভাপতি সুদীপ্ত দত্ত, কাৰ্যকৰী সভাপতি প্ৰীতম পল্লৱ বৰা, সম্পাদক সুদীপ্ত বৰা, সহ-সম্পাদক কংকন দত্ত, বিত্ত সম্পাদক প্ৰাচুৰ্য্য প্ৰাণ শইকীয়া আৰু অভিনৱ শইকীয়া, খেল সম্পাদক ৰাজ প্ৰতিম ঠাকুৰ আৰু দেবাংশু গোস্বামী লগতে আৰু অন্যান্য বিষডববীয়া সকলৰ সৈতে এখনি সুন্দৰ পৰিচালনা সমিতি গঠন কৰা হয়। খেল খনৰ আৰম্ভণি বৃক্ষ ৰোপণ কাৰ্যসূচীৰে হয় আৰু বৃক্ষ ৰূপক হিচাপে উপস্থিত থাকে কমলপুৰ গাৱঁৰ অৱসৰ প্ৰাপ্ত শিক্ষক তথা আম্বেদকাৰ বঁটাৰে সন্মানিত অতুল হাজৰিকাই। উদ্বোধনী অনুষ্ঠানত মাজুলী জিলা উপায়ুক্ত ৰাতুল পাঠকে খেলখন শুভ উদ্বোধন কৰে। উক্ত অনুষ্ঠানত কমলপুৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি পদ্ম শইকীয়া, সম্পাদক কৃষ্ণকমল শইকীয়া, মাজুলী জিলাৰ বিভিন্ন বিশিষ্ট ব্যক্তি লগতে বাহিৰৰ পৰা অহা সন্মানীয় অতিথিসকল উপস্থিত থাকে। বিশেষভাৱে কমলপুৰ গাঁৱৰ বাসিন্দা তথা সদ্য ‘শিশু মহীয়ান’ উপাধি লাভ কৰা অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত বৰাক এই অনুষ্ঠানত ৰাজহুৱা ভাৱে সন্মান জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিত শুভ উদ্বোধনী বন্তি প্ৰজ্বলন কৰে কমলপুৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি পদ্ম শইকীয়া, সম্পাদক কৃষ্ণকমল শইকীয়া, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, মাজুলীৰ অধ্যক্ষ হিতেশ দাস আৰু মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন ঠাকুৰীয়াই। ইয়াৰ পাছত যুৱ সমাজৰ উদ্যোগত সমবেত সংগীত পৰিবেশন কৰা হয় আৰু ৰিদম ক্লাব মাজুলীৰ শিল্পীসকলে মনোমোহা নৃত্য অনুষ্ঠান পৰিবেশন কৰি অনুষ্ঠানটিক অধিক সজীৱ আৰু সৌন্দৰ্যমণ্ডিত কৰি খেলৰ বিজয়ীসকলৰ ক্ৰমে —জুনিয়ৰ একক তুষাৰ ফুকন বিজয়ী, দ্বিতীয় স্থানত কুকিল বৰা আৰু প্ৰজ্ঞান বৰা তৃতীয় স্থান লাভ কৰে। জুনিয়ৰ দ্বৈত তুশাৰ ফুকন আৰু কুকিল বৰা বিজয়ী, দ্বিতীয় স্থানত জনাৰ্দন গাম আৰু জ্যোতিষ্মান দত্ত আৰু চিন্ময় কমল শইকীয়া আৰ আয়ুস্মান ঝা তৃতীয় স্থান লাভ কৰে। ছিনিয়ৰ একক দিৱজ্যোতি পেগু বিজয়ী, দ্বিতীয় স্থানত বিক্ৰম চৌধুৰী। ছিনিয়ৰ দ্বৈত দিব্যজ্যোতি পেগু আৰু দ্বিপজ্যতি পেগু বিজয়ী, দ্বিতীয় স্থানত মানস বৰা আৰু দেৱাশিস বৰা। শ্ৰেষ্ঠ খেলুৱৈ হিচাপে তুষাৰ ফুকনে বিশেষ বঁটা লাভ কৰে।



# মাঘবিহু আৰু শৈশৱৰ দিনবোৰ

## বিপাশা বৰা

মাঘ বিহু বুলি ক'লেই চাগে পোনপ্ৰথমে মাছে-মঙহে এসাজ খোৱাৰ কথায়েই সকলোৰে মনলৈ আহে। নাহিবই বা কিয়? আচঁলতে ভোগৰ উৎসৱেই যে ভোগালী। দিন পাৰ হোৱাৰ লগে লগে ক'ত যে হেৰাই গ'ল শৈশৱৰ সেই দিনবোৰ। সময়ৰ লয়-লাসত সংস্কৃতি এটা কেনেকৈ সাল-সলনি হৈ গৈ থাকে সেয়া কেৱল বছৰৰ পাছত বছৰ ধৰি ভালকৈ অনুসৰণ কৰিলেহে অনুমান কৰিব পৰা যায়। জুই সেকি থাকোঁতে আঙুলিৰ ফাঁকেৰে জুইঁৰ শিখাবোৰ চাই চাই পুৰণিক সুৱৰি যেতিয়া সেই জুইঁৰ মাজতেই নিজক হেৰুৱাই পেলোৱা যায়, যেতিয়া আগতে বিহুত আমি কি কি কৰিছিলো সেই কথাই আমাক আমনি কৰে, তেতিয়া হয়টো আমি বিশ্বাস কৰিবলৈ বাধ্য হওঁ..."সময় যেন পাখি মেলি উৰা মাৰে, অতীতৰ পৰা ক্ৰমাত বৰ্তমানলৈ।" নৱবৰ্ষ আৰম্ভ হোৱা দিন ধৰি ক'ত কোনে কেনেকৈ পাৰে মেজি, ভেলাঘৰ সজা কাম আৰম্ভ কৰিয়েই দিয়ে। ভেলাঘৰ সাজি ভোজ-ভাত খোৱা, উৰুকাৰ দিনা ৰাতি মেজিৰ জুইঁৰ উম লোৱা। সঁচাকৈ এইবোৰেই অনাবিল প্ৰশান্তি দিছিল সেই সময়বোৰত। সময়ৰ লেণ্ডস্কেপত আধুনিকতাৰ কবলত পৰি সাল-সলনি হৈ অথবা সংশোধন ঘটি আহি আহি বৰ্তমান সময়ত ভোগালীয়েও ন'ৰূপ লৈছে। "ভোগালী" শব্দটোৰ বাদে সকলোবোৰেই যেন সাল-সলনি ঘটিছে। সময়ৰ সোতত মানুহ আগবাঢ়ি যায়। জীৱনৰ বহুপথ পাৰ হৈ গৈ থকাৰ পৰত হঠাৎ কেতিয়াবা মনৰ ভিতৰত কিছুমান স্মৃতি উঠলি উঠে। এই যে শৈশৱৰ সোণোৱালী দিনবোৰ, কেঁচা মাটিৰ গোন্ধ, নীলা আকাশখন আৰু তাৰ মাজতেই মাঘবিহুৰ উষ্ণতা। ই যেন আমাৰ শৈশৱতে সাঁচি থোৱা হৃদয়ৰ এক অবিচ্ছেদ্য অনুভৱ, যি কেতিয়াও নোহোৱা হৈ নাযায়। আজিও মাঘ বিহু আহিলে মনটো আপোনা-আপুনি শৈশৱৰ সেই দিনবোৰলৈ উভতি যায়। কি যে সুখময় আছিল দিনবোৰ। শীতৰ হাড় কপোৱা জাৰৰ মাজতো মানুহবোৰৰ মুখত হাঁহি আৰু কথোপকথনত উৎসৱৰ গোন্ধ পোৱা গৈছিল। শব্দৰে প্ৰকাশ কৰিব নাজানিছিলো যদিও সেই সময়খিনি আমি ভালকৈয়ে অনুভৱ কৰিব পাৰিছিলো। হয়টো সেইবাবেই মোৰ শৈশৱৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি থকা এই ক্ষণবোৰ সৌ সিদিনাৰ কথাৰ দৰেই মোৰ দুচকুত ভাঁহি আছে। আৰু আগলৈও মোৰ মনত আজিৰ দৰেই জীপাল হৈ থাকিব।

*লেখিকাৰ ঠিকনা ঃ মাজুলী*

# মাঘবিহুৰ পৰম্পৰাগত খেল আৰু ইয়াৰ ঐতিহ্য

অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ মাঘবিহু বা ভোগালী বিহুৰ এক অবিচ্ছেদ্য অংগ হৈছে পৰম্পৰাগত খেল-ধেমালিবোৰ।

এই খেলসমূহ কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়, বৰঞ্চ ইয়াৰ সৈতে জড়িত হৈ আছে অসমীয়া জাতিৰ বীৰত্ব, একতা আৰু কৃষিভিত্তিক সমাজৰ গভীৰ জীৱনবোধ। পুহ-মাঘৰ সংক্ৰান্তিৰ এই সময়ছোৱাত কৃষক ৰাইজে খেতি চপাই আহৰি হয়। গতিকে এই সময়ছোৱা খেতি চপোৱাৰ আনন্দ আৰু প্ৰাচুৰ্যৰ সময়। খেতি চপাই ভঁৰাল ভৰোৱাৰ পিছত কৃষিজীৱী সমাজখনে জিৰণি লয়। সেই জিৰণিৰ সময় ছোৱাতে কৃষক ৰাইজে অংশ গ্ৰহণ কৰে এই পৰম্পৰাগত খেল-ধেমালিবোৰত। মেজিৰ জুইত অসূয়া-অপ্ৰীতি বিসৰ্জন দি এখন সুস্থ সমাজ গঠনৰ যি প্ৰক্ৰিয়া, তাৰ এক বৃহৎ অংশ অধিকাৰ কৰি আছে আমাৰ এই জাতীয় খেলবোৰে। মাঘবিহুৰ এই খেল সমূহৰ সৈতে সাঙোৰ খাই আছে এক বিশাল ঐতিহাসিক ঐতিহ্য আৰু সমাজখনক একগোট কৰি ৰখাৰ এক গভীৰ দৰ্শন। আমাৰ এই লেখাত মাঘবিহুৰ লগত সম্পৰ্ক ৰাখি অসমৰ বিভিন্ন ঠাইত খেলা কিছুসংখ্যক পৰম্পৰাগত খেলৰ বিষয়ে এটি আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

প্ৰকৃততে অসমৰ পৰম্পৰাগত খেল সমূহৰ ইতিহাস অতি প্ৰাচীন। বিশেষকৈ আহোম স্বৰ্গদেউ সকলৰ শাসন কালত এই খেলবোৰে এক সুকীয়া মৰ্যাদা লাভ কৰিছিল। স্বৰ্গদেউ প্ৰমত্ত সিংহই নিৰ্মাণ কৰা ঐতিহাসিক ৰংঘৰৰ বাকৰিত মাঘবিহুৰ সময়ত ম'হ যুঁজ, হাতী যুঁজ আৰু শেন যুঁজৰ দৰে দুঃসাহসিক খেল সমূহ অনুষ্ঠিত হৈছিল। এই খেলবোৰৰ জৰিয়তে ৰজাই প্ৰজা সকলৰ সাহস আৰু বীৰত্বৰ পৰীক্ষা লৈছিল। ই কেৱল মনোৰঞ্জনৰ খোৰাক নাছিল, বৰঞ্চ যুদ্ধৰ বাবে প্ৰয়োজনীয় মানসিক আৰু শাৰীৰিক শক্তি প্ৰদৰ্শনৰ এক মাধ্যম আছিল। এই পৰম্পৰাগত খেলবোৰে অতীজৰে পৰা অসমীয়া সমাজত সামাজিক সংহতিৰ কাম কৰি আহিছে। ভোগালী বিহুৰ সময়ত গাঁৱৰ মুকলি পথাৰত আয়োজিত হোৱা খেলবোৰে মানুহৰ মাজত থকা বিভেদ দূৰ কৰে। লগতে খেলবোৰৰ প্ৰস্তুতি আৰু অংশ গ্ৰহণে সমাজৰ সকলো শ্ৰেণীৰ লোককে একেখন মঞ্চতে থিয় কৰায়। বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে এই খেলবোৰ আছিল নিজৰ শাৰীৰিক শক্তি আৰু কৌশল প্ৰদৰ্শন কৰাৰ এক অন্যতম মাধ্যম। এই খেল সমূহৰ জৰিয়তে সমাজত প্ৰতিযোগিতামূলক মানসিকতা গঢ়ি উঠিছিল, যিটোৱে সুস্থ সমাজ গঠনত বিশেষ ভূমিকা পালন কৰিছিল। আহোম স্বৰ্গদেও সকলৰ দিনত খেলোৱা মাঘবিহুৰ খেল সমূহক মূলতঃ তিনিটা ভাগত ভগোৱা হৈছিল-

১) সাহস আৰু শক্তিৰ খেল-ম'হ যুঁজ, হাতী যুঁজ, মালযুঁজ আদি।

২) মনোৰঞ্জনমূলক তথা প্ৰতিযোগিতামূলক খেল-কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, শেন চৰাইৰ যুঁজ আদি।

৩) কৌশলগত খেল-কঁড়ি খেল, ৰছী টনা, তেল ঘঁহি থোৱা বাঁহৰ খুটাত বগোৱা আদি।

এই প্ৰতিটো খেলৰে নিজস্ব বৈশিষ্ট্য আছিল। পিছলৈ এই খেল সমূহৰ সকলোখিনি নহলেও সেই ঐতিহাসিক ধাৰাক অক্ষুণ্ণ ৰাখি মাঘবিহুৰ সময়ত অসমৰ কোনো কোনো ঠাইত কেইবিধ মান খেলৰে খেলপথাৰ সমূহ জীপাল কৰি তোলা দেখা যায়।

মাঘবিহুৰ খেল বুলিলে প্ৰধানকৈ যিটো চিত্ৰ চকুৰ আগত জিলিকি উঠে, সেয়াটোৱেই হৈছে- ম'হ যুঁজ। এই খেলত বিশেষকৈ 'লুথুৰী' আৰু 'আঁকৰা' ম'হৰ মাজত তীব্ৰ যুঁজ হয়। জানিব পৰা মতে- যিবিলাক ম'হৰ শিং দুটা চুটি আৰু থিয় হৈ থাকে আৰু ইটোৰ পৰা সিটো সিং অলপ নিলগত থাকে- তাকে 'লুথুৰী' ম'হ বুলি কোৱা হয়। যুঁজৰ সময়ত এই ম'হবোৰে নিজৰ শিঙেৰে প্ৰতিপক্ষক খুঁচিবলৈ বা আঘাত কৰিবলৈ বেছি সুবিধা পায়। এনে ধৰণৰ ম'হক যথেষ্ট চঞ্চল আৰু আক্ৰমণাত্মক বুলি গণ্য কৰা হয়। আনহাতে'আঁকৰা' ম'হৰ শিং দুখন ভাঁজ খোৱা বা বেঁকা। এই ম'হবোৰৰ শিং দুখন আগফালে বা তলৰ ফালে হালি থাকে অথবা ধেনুভেৰীয়া হৈ থাকে। আঁকৰা ম'হবোৰে যুঁজৰ সময়ত প্ৰতিপক্ষৰ শিং দুখন নিজৰ শিঙৰ মাজেৰে সুমুৱাই দি পেঁচ লগাই বা জোৰ দি ৰাখিবলৈ চেষ্টা কৰে। এনে ধৰণৰ ম'হ শক্তিশালী আৰু ধৈৰ্যশীল হয়। কৃষক সকলে বিহুৰ বহু মাহ আগৰে পৰাই নিজৰ নিজৰ ম'হক বিশেষ খাদ্য খুৱাই যুঁজৰ বাবে প্ৰস্তুত কৰি তোলে। খেল অনুষ্ঠিত হোৱাৰ দিনা খেল পথাৰৰ এক নিৰ্দিষ্ট অংশত দুটা সমানে শক্তিশালী ম'হক মুখামুখি কৰি যুঁজিবলৈ এৰি দিয়া হয়। দুয়োটা ম'হৰ শিঙৰ খুন্দাত সৃষ্টি হোৱা শব্দই পথাৰ কঁপাই তোলে। অৱশেষত বহু সময় যুঁজাৰ পিছত এটা মহ আঘাত প্ৰাপ্ত হৈ বাগৰি পৰি হাৰ মানে। অতীতৰে পৰা এই খেল অসমীয়া কৃষিজীৱী সমাজৰ সাহস তথা শক্তিৰ প্ৰতীক হিচাপে বিবেচিত হৈ আহিছে। এই খেল আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহই প্ৰৱৰ্তন কৰিছিল। ৰংপুৰৰ ৰূপহী পথাৰত অনুষ্ঠিত কৰা এই খেল স্বৰ্গদেৱে ৰংঘৰৰ ওপৰৰ পৰা উপভোগ কৰিছিল। পৰৱৰ্তী সময়ত তিৱা প্ৰধান গোভা ৰজাৰ কৰ্তৃত্বত এই খেল নগাঁও আৰু মৰিগাঁৱলৈ বিয়পি পৰে। পিছত ১৯৭২ চনৰ পৰা মাঘ বিহু উদযাপনৰ অংশ হিচাপে নদীৰ পাৰৰ আঁহতগুৰিত ম'হৰ যুঁজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ আহিছিল যদিও ২০১৪ চনত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত জীৱ-জন্তুৰ আঘাতৰ বাবে এই প্ৰথাৰ অনুমতিত নিষেধাজ্ঞা আৰোপ কৰাৰ পিছত এই খেলবিধ বন্ধ কৰা হৈছিল। পুনৰ ২০২৪ চনত চৰকাৰী কঠোৰ নিৰ্দেশনাৰ অধীনত প্ৰথমবাৰৰ বাবে পৰম্পৰাগত ম'হ যুঁজৰ আয়োজন কৰা হয়। মৰিগাঁও জিলাৰ ঐতিহাসিক আঁহতগুৰিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ম'হ যুঁজৰ শুভাৰম্ভ কৰে। নগাঁও আৰু শিৱসাগৰ জিলাতো পুনৰাই এই দিনটোতে ম'হ যুঁজৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ এছ অ' পি অনুসৰি কমেও ২৫ বছৰ ধৰি এনেধৰণৰ অনুষ্ঠান আয়োজন কৰাৰ ইতিহাস থকা ঠাই সমূহত ম'হ যুঁজৰ আয়োজন কৰাৰ অনুমতি দিয়া হৈছিল।

এই খেল আমাৰ পূৰ্বপুৰুষৰ সাহস আৰু জীৱ-জন্তুৰ সৈতে থকা নিবিড় সম্পৰ্কৰ প্ৰতীক বুলি গণ্য কৰা হয়।

মাঘবিহুৰ আন এক অন্যতম জনপ্ৰিয় আৰু ঘৰে ঘৰে খেলা খেলটো হৈছে কণী যুঁজ। কণী যুঁজ বহাগ বিহুতো খেলা হয়। বিশেষকৈ উজনি অসমত এই খেলৰ প্ৰচলন অধিক। ইয়াত দুজন লোকৰ এজনে হাতত এটা কণী লৈ থাকে আৰু এটা নিৰ্দিষ্ট ফালে আনজনক তেওঁৰ হাতত থকা কণীটোৰে আঘাত কৰিবলৈ দিয়ে। সেইমতে আনজনে হাতত লৈ থকা কণীটোৰে প্ৰথম জনৰ কণীটোত আঘাত



নলিনী ৰঞ্জন ভূঞা

কৰে। এইদৰে আঘাত কৰোঁতে যি গৰাকীৰ কণীটো ভাঙি যায় তেওঁৱেই হাৰে। হৰাজনৰ হাতৰ ভগা কণীটো জিকাজনে লাভ কৰে। এই খেলটোৰ বাবে বিশেষ ধৰণৰ টান বা মজবুত হাঁহৰ কণী বাছি উলিওৱাটোও এক কৌশল। কণী যুঁজে সমাজৰ সকলো বয়সৰ লোকৰ মাজত আনন্দৰ জোৱাৰ তোলে। ইয়াক এক ধৰণৰ বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতা বুলি আখ্যা দিয়া হয়, য'ত পৰাজয়তকৈ অংশ গ্ৰহণৰ আনন্দইহে বেছি গুৰুত্ব লাভ কৰে।

হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ প্ৰাংগণত হোৱা বুলবুলি চৰাইৰ যুঁজ মাঘবিহুৰ আন এক অনন্য ঐতিহ্য। এই খেলৰ বাবে বিহুৰ বহুদিন আগতেই বিশেষ ফান্দৰ সহায়ত বুলবুলি চৰাই ধৰা হয় আৰু এমাহ মান যুঁজৰ প্ৰশিক্ষণ দিয়া হয়। উৰুকাৰ দিনা চৰাই বোৰক নিচাজাতীয় মাঘী কলৰ গুটি বা বিশেষ খাদ্য খুৱাই উত্তেজিত কৰি ৰখা হয়। পিছদিনা অৰ্থাৎ বিহুৰ দিনা যুঁজৰ বাবে সজা বিশেষ মঞ্চত যুঁজ কৰিবলৈ বুলবুলি চৰাইবোৰ এৰি দিয়া হয়। দুটা বুলবুলি চৰাইৰ মাজত অনুষ্ঠিত এই যুঁজত আটাইতকৈ শক্তিশালী বুলবুলি চৰাইটোৱেই জয়লাভ কৰে। যিটো চৰাই বিজয়ী হয়, তাক পাছৰ যুঁজলৈ বাছনি কৰা হয়। যুঁজত হৰা বুলবুলি চৰাইবোৰক আঁতৰাই দিয়া হয়। সাধাৰণতে এডোখৰ ভীমকলৰ লোভ দেখুৱাই দুটা বুলবুলিৰ মাজত যুঁজ লগোৱা হয়। যুঁজ পৰিচালনা কৰা লোকজনক 'মাহচিং' বোলা হয়। যুঁজত দেখুওৱা পাৰদৰ্শিতাৰ ভিতৰত তিনিটা বুলবুলি চৰাইক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয় আৰু চৰাইৰ মালিকে এই বঁটা লাভ কৰে। যুঁজ শেষ হোৱাৰ পাছত চৰাইবোৰ মুকলি কৰি দিয়া হয়। এই পৰম্পৰাই অতীতৰে পৰা প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্কটোক এক অন্য মাত্ৰা প্ৰদান কৰি আহিছে।

মাঘবিহুৰ সময়ত আন এক জনপ্ৰিয় খেল হ'ল কড়ি খেল। বিশেষকৈ বয়োজ্যেষ্ঠ সকলৰ মাজত এই খেলৰ আদৰ বেছি। কঁড়ি খেলৰ নিয়মবোৰ কিছু জটিল হ'লেও ই মস্তিষ্কৰ তীক্ষ্ণতা বৃদ্ধি কৰাত সহায় কৰে আৰু লোকবিশ্বাস অনুসৰি বিহুৰ দিনা কঁড়ি খেলিলে ঘৰলৈ সমৃদ্ধি আহে বুলি কোৱা হয়। কড়ি খেল ঢালত আৰু ঢাল নোহোৱাকৈ দুইধৰণে খেলিব পাৰি। ঢালত খেলিবৰ বাবে সাধাৰণতে মাটিত কড়িখেলৰ এখন ঢাল আঁকি লোৱা হয়। কেতিয়াবা ঢালখন কাপোৰ বা তেনেজাতীয় সামগ্ৰীতো আঁকি লোৱা হয়। কড়ি সাধাৰণতে চাৰিজনে খেলে। ঢাল পাতি খেলা কড়িখেলত মুঠছটা কড়িৰ আৱেশ্যক হয়। খেলুৱৈ জনে এহাতেৰে কড়িকেইটা ঢালখনত মাৰি পঠালে যদি এটা কড়ি উবুৰি খাই পাঁচটা চিংখাই পৰে তেতিয়া 'দহ' হয়। ইয়াকে 'জগোৱা' বোলে। পাঁচটা উবুৰি খাই এটা চিং খাই পৰিলে 'পচি' বোলে। ছয়টা কড়িয়েই যদি তললৈ চিং খাই পৰে তেতিয়া তাক 'মুদ্ৰা' বোলে। এনে দৰে বৰ্গক্ষেত্ৰাকাৰ ঢাল খনত চাৰিওজন খেলুৱৈৰ চাৰিওখন হাত বগাই যদিহে ৭৩টা ঘৰ চেৰাই যাব পাৰে তেতিয়াই গুটি পকে। যিজনে গুটি পকাব পাৰে সেইজনেই জিকে।

মাঘ বিহুৰ আন এবিধ পৰম্পৰাগত খেল হ'ল-ঢোপখেল। এই খেল খেলিবলৈ খেলুৱৈসকল দুটি দলত বিভক্ত হ'ব লাগে। দুইটি দলত এঘাৰ জনকৈ মুঠ বাইছজন খেলুৱৈ থাকে। খেল পথাৰ খনৰো নিৰ্দিষ্ট জোখ আছে। খেলুৱৈ সকলে পাল পাতি প্ৰতিপক্ষৰ ফালে ঢোপটো দলিয়ায়। প্ৰতিপক্ষই এই বলটো ধৰিব লাগে। এই খেলত ক্ষিপ্ৰ সিদ্ধান্ত, অংগ সঞ্চালন আৰু মানসিক শক্তিৰ প্ৰয়োজন হয়। সাধাৰণতে কাপোৰ মেৰিয়াই লাডু কৰি বলৰ আকৃতি কৰি লোৱা হয়- যাক ঢোপ বুলি কোৱা হয়।

ঢোপ খেলত এটা দলৰ এগৰাকী খেলুৱৈয়ে ঢোপটো আনটো দলৰ এগৰাকী খেলুৱৈলৈ এনেদৰে নিক্ষেপ কৰিবলৈ চেষ্টা কৰে যাতে ই নিৰ্দিষ্ট প্ৰতিদ্বন্দ্বী জনৰ কঁকালৰ তলৰ অংশত খুন্দা মাৰেগৈ। খুন্দা মাৰিব পাৰিলেই খুন্দাখোৱা খেলুৱৈজন মৰা পৰে। ঢোপটোৱে খুন্দা মৰাৰ আগতেই সেই নিৰ্দিষ্ট প্ৰতিদ্বন্দ্বী জনে ঢোপটো ধৰিবলৈ চেষ্টা কৰে আৰু ঢোপটো ধৰিব পাৰিলেই বিপক্ষৰ কোনোৱেই ঢোপটো কাঢ়ি নিব নোৱাৰাকৈ নিজৰ দলৰ ফালে দলিয়াই দিয়ে। ধৰা হ'ল- সেই নিৰ্দিষ্ট ১নম্বৰ খেলুৱৈ গৰাকীয়ে ঢোপটো ধৰি ৫ নম্বৰ খেলুৱৈলৈ মাৰি পঠিয়ালে। ৫ নম্বৰে যদি ধৰিব পাৰে, তেওঁ বেলেগ এজন খেলুৱৈলৈ ঢোপটো দলিয়াই দিব। যদি দলিয়াওতে খেলুৱৈ জনৰ গাত লাগে, তেতিয়া খেলুৱৈজন মৰা পৰিব। কিন্তু যদি গাত লগাৰ আগতে ধৰিব পাৰে, তেন্তে তেওঁ আন এজনলৈ দলিয়াই দিব। এনেকৈ খেলি থাকোঁতে শেষত যিজন খেলুৱৈ নমৰাকৈ থাকিব তেঁৱেই খেলখনত জিকিব। অৱশ্যে অঞ্চল ভেদে ঢোপ খেলৰ নিয়মৰ মাজত পাৰ্থক্য আছে। মাঘবিহুৰ পথাৰত ডেকা-গাভৰুৰ মাজত আয়োজিত হোৱা ৰছী টনা খেলেও দলগত সংহতি আৰু শক্তিৰ প্ৰমাণ দিয়ে। একেদৰে এটা ওখ বাঁহৰ খুঁটা পুতি খুঁটাটোত তেল বা পিছল পদাৰ্থ সানি দি সেই খুঁটাটোত বগাবলৈ দিয়া হয়। তেল ঘঁহা বাঁহ বগোৱা সহজ নহয়। এডোপ উঠিলে দুডোপ পিচলি তললৈ আহে। এই খেলৰ দ্বাৰা খেলুৱৈ জনৰ ধৈৰ্য আৰু শাৰীৰিক সন্তুলনৰ পৰীক্ষা লোৱা হয়।

মাঘবিহুৰ খেল সমূহৰ আটাইতকৈ ইতিবাচক দিশটো হ'ল ইয়াৰ সামাজিক সংযোগকাৰী শক্তি। গাঁৱৰ মুকলি পথাৰত যেতিয়া এখন ম'হ যুঁজৰ আয়োজন কৰা হয়, তেতিয়া তাত কোনো ধৰ্মীয় বা জাতিগত বিভেদ নাথাকে। সমাজৰ সকলো শ্ৰেণীৰ লোক একেলগ হৈ খেল উপভোগ কৰে। ইয়াৰ ফলত মানুহৰ মাজত মিলা-প্ৰীতি বৃদ্ধি পায় আৰু এটা শক্তিশালী সামূহিক চেতনা গঢ়ি উঠে। এই খেলবোৰে বিশেষকৈ যুৱ প্ৰজন্মৰ শাৰীৰিক সক্ষমতা বৃদ্ধিত অৰিহণা যোগায়। ৰছী টনা বা মালযুঁজৰ দৰে খেলে মাংসপেশী শক্তিশালী কৰাৰ লগতে ধৈৰ্য আৰু একাগ্ৰতা বৃদ্ধি কৰে। আনহাতে মাঘবিহুৰ খেল সমূহে মানুহ আৰু জীৱ-জন্তুৰ মাজত এক অনন্য বান্ধোন সৃষ্টি কৰিছিল। বুলবুলি চৰাই বা ম'হক যুঁজৰ বাবে সাজু কৰিবলৈ যি যতন আৰু স্নেহৰ প্ৰয়োজন হয়, সি মানুহক পশু-পক্ষীৰ মনোবিজ্ঞান বুজাত সহায় কৰে। চৰাই যুঁজ শেষ হোৱাৰ পিছত চৰাইবোৰক পুনৰ মুকলি আকাশত এৰি দিয়াৰ যি পৰম্পৰা, সি প্ৰকৃতিৰ ভাৰসাম্যৰ প্ৰতি থকা আমাৰ পূৰ্বপুৰুষৰ সচেতনতাকে প্ৰমাণ কৰে।

পৰিশেষত কব পাৰি যে-মাঘবিহুৰ পৰম্পৰাগত খেল সমূহ কেৱল অতীতৰ স্মৃতি নহয়, ই আমাৰ পৰিচয়। এই খেলবোৰৰ মাজতে নীহিত হৈ আছে অসমীয়াৰ স্বাভিমান, সাহস আৰু আমাৰ জাতীয় চৰিত্ৰ গঠনৰ এক শক্তিশালী আহিলা। গতিকে, পৰম্পৰা আৰু আধুনিকতাৰ মাজত এক সুন্দৰ সমন্বয় সাধন কৰি আমি এই খেলবোৰক আগুৱাই লৈ যোৱাটো উচিত। যাতে অনাগত বছৰ সমূহতো ভোগালীৰ পথাৰত ঢোল-পেঁপাৰ শব্দৰ লগতে আমাৰ থলুৱা খেলৰ জয়ধ্বনি অনুৰণিত হৈ থাকে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আধুনিক খেলৰ আগমনে এই থলুৱা খেলবোৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে যদিও ইয়াৰ সাংস্কৃতিক মূল্য কোনোদিনে হ্ৰাস নাপায়। আমাৰ এই ঐতিহ্যময় খেলবোৰক বিশ্ব দৰবাৰত চিনাকি কৰি দিয়া আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব হোৱা উচিত।

*লেখক অৱসৰপ্ৰাপ্ত শিক্ষক, উত্তৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়*
*জামুগুৰিহাট, শোণিতপুৰ, অসম*
*মোবাইল - ৯৮৫৪৫২৮৩০৪*

অণুগল্প

# মেজি

## ৰশ্মি ৰেখা দুৱৰা

গাঁৱৰ মুখিয়ালে ৰাইজৰ লগত আলোচনা কৰি মেজি জ্বলোৱা পৰম্পৰা বন্ধ কৰাৰ সিদ্ধান্ত ল'লে। বহু বছৰৰ আগৰ উৰুকা দিনাৰ কাজিয়াখনে কাল হ'ল।

মনৰ দুখ শাম কাটিবৰ বাবেই নাতিনীয়িকহঁতৰ লগত ঘৰতে মেজিৰ তাপ লৈছে যদিও অতীতৰ আনন্দ নাই। ওচৰৰ গাঁওখনত দাওদাওকৈ পুৰাতে জ্বলা মেজিটো দেখি ককাৰ চকুৰে অশ্ৰু নিগৰি আহিল।

# মেজিৰ পৰম্পৰা আৰু তাৎপৰ্য

## পদ্ম মৰাণ

মাঘ বিহু ইংৰাজী বছৰৰ লেখেৰে বছৰৰ প্ৰথম আৰু অসমীয়া মাহৰ লেখেৰে বছৰৰ শেষ বিহু। চহা কৃষকৰ গভীৰ আশা আৰু প্ৰত্যয়ৰ লগতে প্ৰয়োজনৰ ভাতমুঠি যেতিয়া পথাৰৰ পৰা ভঁৰাললৈ আহে, তেতিয়াই তেওঁলোকৰ মনত সীমাহীন আনন্দই বিৰাজ কৰে। আশা কৰা বস্তুটো হাতলৈ অহাৰ আনন্দৰ পৰিণতিৰ ফলস্বৰূপেই এই বিহুৰ আয়োজন। পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিত পালন কৰা এই বিহুৰ আন এটা নাম- ভোগালী বিহু। সম্ভৱত: আকালৰ অৱসান ঘটাই আৰু ভোগৰ দিনত অহাৰ বাবেই পৰৱতী সময়ত এই উৎসৱক 'ভোগালী বিহু' নামেৰে নামকৰণ কৰা হৈছিল। মুলত: চহা কৃষকে আশা কৰা মতে ধান মুঠি নিজৰ হাতলৈ অহাৰ আনন্দ আৰু শীতক বিদায় দিয়াৰ উদ্দেশ্যই এই বিহু পালন কৰা হয়। পোৱাৰ আনন্দ আৰু শীতক বিদায় দিয়াৰ বাবে পালন কৰা এই উৎসৱটোৰ উৎস সৰ্ম্পৰ্কে বিভিন্ন পণ্ডিতৰ বিভিন্ন মত যদিও ইয়াত অনাৰ্যৰ অৱদান সকলোতকৈ বেছি। চীনৰ তিবৃতীয়-বৰ্মীয় লোক সকলে লচাৰ নামৰ এটা উৎসৱ পালন কৰে য'ত মেজি জ্বলোৱা হয়। বৌদ্ধ ধৰ্মৰ তাই লোক সকলে মকৰ সংক্ৰান্তিৰ দিনা বুদ্ধৰ নামত মেজি সাজি জ্বলাই। লোক বিশ্বাসৰ মতে এই দিনটোতে বুদ্ধদেৱে নিজৰ মৃত্যুৰ আগজাননী দিছিল। সেইবাবে মাঘ বিহুৰ পাছৰ পুৰ্ণিমাত মেজি সাজি, ভোজভাত খাই এই উৎসৱ পালন কৰিছিল বুলি জনা যায়।

মাঘ বিহুত মেজি সজাৰ নিয়ম আৰু পৰম্পৰা ঠাইবিশেষে বেলেগ বেলেগ। উজনি অসমত আৰু মধ্য অসমৰ কোনো কোনো ঠাইত বাঁহ আৰু কাঠ খৰিৰে মেজি সজা হয় যদিও গুৱাহাটীকে ধৰি নামনি অসম আৰু মধ্য অসমৰ কিছু অঞ্চলত শুকান কলপাত আৰু খেৰ-নৰা বা বিৰিণা আদিৰে মেজি সাজি জ্বলোৱা নিয়ম আছে।

কোনো কোনো অঞ্চলত কেৱল শুকান কলপাতেৰে অথবা নৰাৰে মেজি প্ৰস্তুত কৰে। প্ৰথমে গোটা বাঁহ পুতি লৈ তাক কেন্দ্ৰ কৰি তাৰ চাৰিওফালে বাহঁৰ কামিৰে, দৌল আকৃতিৰ এটা জঁকা তৈয়াৰ কৰি, তাত নৰা বা বিৰিণা বান্ধি দি মেজি সাজাৰ নিয়ম আছে। কোনো কোনো ঠাইত মেজিটো ধুনীয়া দেখাবলৈ মূৰত বিৰিণাৰে এপাহ ফুল সাজি লগাই দিয়ে। এই খেৰৰ মেজিবোৰ দহৰ পৰা বিছফুট পৰ্যন্ত ওখকৈ সজা হয়। উৰুকাৰ সন্ধিয়া প্ৰীতিভোজ খোৱাৰ পাছত এই মেজি জ্বলাই সকলোৱে জুই পুৱায়।

আনহাতে ৰাতি মেজি ৰাখিবলৈ কাষতে এটা ভেলাঘৰো সজা হৈছিল। এই ভেলাঘৰতে ডেকাসকলে গোটেই ৰাতি জুই পুঁৱাই মেজি ৰখে। কাহিলীপুৱাতে ভেলাঘৰ জ্বলাই, সেই জুইৰে গা গৰম কৰি গা ধুবলৈ যায় আৰু তিতাই-তিয়নিয়ে আহি ৰাতি চুৰ কৰি আনি, মোটাকৈ বান্ধি থোৱা শুকান জেওৰা খৰিৰে মেজি জ্বলায়।

সামাজিকস্তৰত বা লোকাচাৰৰ দিশৰ পৰা অনুসন্ধান কৰিলে বুজা যায়, খেতি চপোৱাৰ সময়ত বন্য পশুৰ উপদ্ৰৱ বৃদ্ধি পায়। হাতী-মহে আহি জনপদ সমূহত অত্যাচাৰ কৰে আৰু পকা ধান আৰু শস্য বিনষ্ট কৰে। যাৰ ফলত গৰখীয়া বা খেতিয়কে জুই জ্বলায় আৰু পানীহিঁলৈ ফুটায় ধাননি আৰু পথাৰসমূহ ৰক্ষা কৰে। পিছলৈ ইয়ে বিৱৰ্তন বা ৰূপান্তৰ ঘটি উৰুকাৰ নাম পায়।

মাঘ বিহুতো বিভিন্ন লোকবিশ্বাস জড়িত আছে বা সেইবোৰক পৰম্পৰাগত ভাৱে পালন কৰি অহা হৈছে। বিহুৰ দিনা পুৱা জ্বলোৱা মেজিত দিবৰ বাবে নিয়া মাহকৰাই মেজিত উৎসগা কৰি তাৰে এটা অংশ ঘৰলৈ লৈ আনে আৰু সেইবোৰ আম-কঁঠাল, কলকল-নাৰিকল, তামোল-লাও আদি গুটি লগা গছত গুটি বেছিঁকৈ লাগিবলৈ ছটিয়াই দিয়ে। ভঁৰালৰ ধান সুৰক্ষিত অৱস্থাত থাকিবৰ বাবে আৰু যাতে কোনেও বাণ মাৰিব বা অপায়-অমংগল ঘটাব নোৱাৰে, তাৰ বাবেও ভঁৰাল আৰু ঘৰত সেইবোৰ ছটিওৱাৰ লগতে সমৃদ্ধিৰ কথাও ভৰা হয়। একে বিশ্বাসতে মেজিৰ আধাপুৰা খৰি আনি বাৰীৰ চাৰি চুকত পোতা হয়।

মাঘ বিহুত আলু নাখালে পাছৰ জন্মত গাহৰি হৈ আলু খান্দি খাই ফুৰিব লাগে বুলি বিশ্বাস আছে। সেয়ে মেজি পুৰাঁৱৰ দিনা মেজিৰ জুইতে মিৰি আলু, গৰীয়া আলু, মোৱাচীনা আলু পুৰি খোৱাৰ নিয়ম কোনো কোনো অঞ্চলত বৰ্তি আছে। পুৱা মেজি জ্বলোৱা হয় ৰাতি চুৰ কৰি আনি থোৱা জেওৰা খৰিৰে। লোকবিশ্বাসৰ মতে, এনেদৰে মেজি জ্বলালেহে ঠাণ্ডা আঁতৰে। সেয়ে ৰাতি ভেলাঘৰত থাকি মেজি ৰখি থকা ডেকাসকলে গৃহস্থৰ কোনোধৰণৰ অনিষ্ট নোহোৱাকৈ জেওৰা বা তেনেধৰণৰ শুকান বাঁহ চুৰ কৰি আনি তাৰে পুৱা মেজি জ্বলায়। জেওৰা বা শুকান বাহঁ কেৱল এঘৰ মানুহৰ পৰা নানে, কম কমকৈ কেইবাঘৰৰ পৰা আনে। যিকেইঘৰৰপৰা জেওৰা চুৰ কৰা হয়, তেওঁলোকে তাক ৰাইজৰ আশীবাদ বুলি ভাবে।

উদ্‌যাপন আৰু পৰম্পৰা

# মাঘ বিহু বা ভোগালী বিহু

## নিৰঞ্জন ঠেঙাল

অসমীয়াৰ লোক জীৱনৰ লগত সম্বন্ধ থকা বিহু উৎসৱৰ এক সুকীয়া আৰু সুৰীয়া মাদকতা আছে। অসমীয়াৰ বাপতিসাহোন তিনিটা বিহুৰ ভিতৰত মাঘ বিহুৰ গুৰুত্ব অপৰিসীম। অসম তথা ভাৰত বুলিলেই কৃষিৰ প্ৰধান। গতিকে অসমৰ প্ৰান্তে প্ৰান্তে লগতে ভাৰতৰ অধিকাংশ ঠাইতে কৃষিৰ এক বিশেষ ভূমিকা অপৰিহাৰ্য্য। যিহেতু অসমত তিনিটি বিহু অসমৰ বাবে আবেগ, গতিকে প্ৰথম বিহুৰ আৰম্ভণি হয় ব'হাগ বিহুৰ দ্বাৰা অৰ্থাৎ খেতি পথাৰ চহুৱাৰ পৰা। আৰু মধ্যাংশত আৰম্ভ হয় কাতি মাহৰ বিশেষ, কাতি বিহু! যাক এক প্ৰকাৰে অনাটনৰ বা অভাৱৰ বিহুও আখ্যা দিয়া হয়। কাৰণ, এই বিহুৰ সময়ত ভঁৰালত খাদ্যৰ সম্ভাৱ টুটি আহে অৰ্থাৎ সেউজীয়াৰ বসতি হয় আৰু শেষত আৰম্ভ হয় ভোগৰ উৎসৱ! য'ত অসমৰ প্ৰত্যেকৰে ঘৰত নদন-বদনকৈ শস্যৰে ঘৰ ওপচি পৰে। ধানো চপোৱা হয় আৰু লগতে উভৈনদী হৈ পৰে ভোগৰ সমস্ত সামগ্ৰীৰে।



মাঘ বিহুৰ বিষয়ে তথা মকৰ সংক্ৰান্তিৰ বিষয়ে বৈদিক শাস্ত্ৰত মকৰ সংক্ৰান্তিৰ পৱিত্ৰতা সম্পৰ্কে কেইবাটাও কাহিনী বা ঘটনা পোৱা যায়। মহাভাৰতৰ যুদ্ধত পিতামহ ভীষ্মই ৫১ দিন শৰশয্যাত থাকি মকৰ সংক্ৰান্তিৰ দিনা নশ্বৰ দেহ ত্যাগ কৰিছিল। শাস্ত্ৰজ্ঞসকলৰ মতে, মকৰ সংক্ৰান্তিত নশ্বৰ দেহ ত্যাগ কৰিলে জীৱই মোক্ষ লাভ কৰে আৰু সেইবাবেই পিতামহ ভীষ্মই এই দিনটোলৈ অপেক্ষা কৰিছিল। আন এক কাহিনী মতে অযোধ্যাৰ সূৰ্যবংশী ৰজা ভগীৰথে হিমালয় পৰ্বতত বহু যুগ ধৰি ঘোৰ তপস্যা কৰি পৱিত্ৰ গংগা নদীৰ ধাৰা স্বৰ্গৰ পৰা মৰ্ত্যলৈ নমাই আনিছিল। এই ঘোৰ তপস্যাৰ মূল উদ্দেশ্য আছিল পৱিত্ৰ গংগাজলেৰে আহুতি দি কপিল মুনিৰ দ্বাৰা শাপভ্ৰষ্ট হোৱা মহাৰাজ সাগৰকে আদি কৰি ৬০, ০০০ পূৰ্বজক মোক্ষলাভ কৰোৱাটো। অনেক বাধা-বিঘিনি অতিক্ৰম কৰি ৰজা ভগীৰথ এই কাম কৰিবলৈ সক্ষম হৈছিল পৱিত্ৰ মকৰ সংক্ৰান্তিৰ দিনা।

আমি জানো যে পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা মাঘ বিহু অৰ্থাৎ ভোগালী বিহু পালন কৰা হয়। মাঘ হৈছে প্ৰাচুৰ্য আৰু প্ৰাপ্তিৰ মাহ আৰু ভোগালী বিহু হৈছে খেতি চপোৱাৰ পৰৱৰ্তী সময়ৰ আনন্দৰ উৎসৱ, সম্প্ৰীতিৰ উৎসৱ আৰু এক কথাত ভোগৰ উৎসৱ। মাঘ বিহুত গাঁৱৰ চেমনীয়া সকলে পুহ মাহৰে পৰাই অতি আনন্দ আৰু উল্লাসেৰে খৰি কাটি মেজিৰ বাবে খৰি গোটাইছিল আৰু শস্য চপাই নিয়া পথাৰত নৰা-খেৰ কাটি সেই নৰা খেৰৰ ঘৰ, যাক ভেলাঘৰ বোলা হয় সেয়াও খুব ধুনীয়াকৈ পূৰ্বপুৰুষৰ এক চিন ৰখাই সাজিছিল। য'ত প্ৰকাশ তথা অনুভূত হৈছিল অসমীয়া স্বাভিমান। অসমীয়া নিয়ম অনুযায়ী বিহুলৈ প্ৰায় বিছ দিনমান থকাৰ পৰা গাঁৱৰ ডেকাসকলৰ তৎ নোহোৱা হয়। গাঁৱৰ ডেকাসকলে নৰা কাটি পুহতে ভেলাঘৰ প্ৰস্তুত কৰে।

মাঘ বিহুত সচৰাচৰ ব্যৱহৃত 'মেজি' শব্দ আহিছে সংস্কৃত 'মেধ্য' শব্দৰ পৰা। তেনেকৈ নামনি অসমত প্ৰচলিত 'ভেলাঘৰ' শব্দটো আহিছে সংস্কৃত 'মেষ গৃহৰ' পৰা। মাঘ বিহুৰ ম'হ যুঁজ প্ৰথা দ্ৰাবিড়ীয় সংস্কৃতিৰ পৰা আহিছে।

আমাৰ অসম-তো স্বকীয় চিন্তাৰে মাঘ বিহুত সভক্তিৰে মেজিৰ জুইৰ উত্তাপ লোৱা, তিলৰ লাডু আৰু তিল পিঠা খোৱা, ম'হযুঁজ আৰু বিভিন্ন ধৰণৰ খেল-ধেমালি উপভোগ আদিৰ অনুষ্ঠান হয়। উৰুকাৰ দিনা তেওঁলোকে লগ লাগি ভোজ-ভাত খাই নাচি-বাগি উজাগৰে থাকে। খেৰৰ নৰাৰে ভেলাঘৰ সাজি গাৱঁৰ ৰাইজে ভেলাঘৰত ভোজ-ভাত খায়।

অসমীয়া জাতীয় জীৱনৰ লগত সম্পৃক্ত বিহু উৎসৱৰ অতি গুৰুত্বপূৰ্ণ মাঘ বিহু উপলক্ষে বহুতো খেল-ধেমালি উদযাপন কৰা হয়। যেনে - হাতী যুঁজ, কুকুৰা যুঁজ, কণী যুঁজ, মল্ল যুঁজ মহ যুঁজ, বুলবুলি চৰাইৰ যুঁজ আদি। পৰম্পৰাগতভাৱে এই বিহুত উৰুকাৰ নিশা চেমনীয়া ল'ৰাবোৰে গাঁৱৰ মানুহৰ বাৰীৰ পৰা খৰি, শাক-পাচলি আদি চুৰি কৰি আনে। কাৰোবাৰ ঘৰত দুজনমান ল'ৰাই পিঠা খোৱাৰ চলেৰে সোমায় আৰু বাকী দুজনমানে বাৰীৰ পৰা কুকুৰা-পাৰ-হাঁহ, জেওৰা-জপনা, আলু-কবি আদি চুৰি কৰি লৈ যায়। এই প্ৰথাৰ বাবেই গৃহস্থয়ো সাধাৰণতে ওৰে ৰাতি ঘৰৰ বাৰী, চৌহদ আদিত চকু ৰাখে। সেইবাবে এই বিহুক চোৰ বিহু বুলিও কয়। উৰুকাৰ নিশা বাঁহ-কাঠ-খেৰ আদিকে ধৰি বাৰীৰ বয়-বস্তু গৃহস্থৰ অনিষ্ট নোহোৱাকৈ চুৰ কৰা কাৰ্যক দূষণীয় কাৰ্য বুলি গণ্য কৰা নহৈছিল।

এই উৎসৱ হৈছে পিঠা-পনাৰ সমল উৎসৱ। সেয়েহে এই বিহুৰ বিশেষ পিঠা হৈছে চুঙা পিঠা আৰু তিল পিঠা। তদুপৰি মাঘ বিহুত পানী পিঠা, টেকেলী পিঠা, পানী পিঠা, চুঙা পিঠা, ঘিলা পিঠা, সুতুলী পিঠা, তেল পিঠা, হেঁচা পিঠা, ডেকা পিঠা, মালপোৱা, কল পিঠা, ভুৰভুৰী পিঠা আদিও বনোৱা হয়। ভজা চাউল, হুৰুম, কোমল চাউল, চিৰা, সান্দহ, মুড়ী, আখৈ, চুঙা চাউল ইত্যাদি জলপানো বিহু বিশেষ। ৰাতিপুৱাৰ লগে লগে গা-পা ধুই মেজিত জুই লগাই দিয়ে। জুই জ্বলি উঠিলে মন্ত্ৰ মাতি মাহ, মগু, পিঠা, চাউল, ঘিঁউ আদি দি অগ্নিক সেৱা কৰে লগতে কিছু লোকৰ মাজত গছৰ গা-গছত খেৰেৰে ঘূৰণীয়াকৈ বন্ধাৰ নিয়ম আছিল আৰু খেৰেৰে ঘৰৰ মুধচৰ কোনোবা এটা মুখ্য খুঁটাত কাহিলী পুৰাই বান্ধি ৰাখিছিল। যাৰ দ্বাৰা জনবিশ্বাস যে ফাগুন-চ'তৰ বতাহে ঘৰখন উৰুৱাই নিব নোৱাৰাকৈ সুৰক্ষিত হৈ ৰয়। শেষত, পিঠা-পনা আৰু আলু-কচুৰে মেজিৰ জুই শেকি এসাঁজ সমূহীয়া ভোজ-ভাতৰ সৈতে এই বিহুটিৰ আৰম্ভণি কৰিছিল।

# উৰুকাৰ উমাল সান্নিধ্য

আল্পনা দলে

শীতৰ শুভ্ৰ কুঁৱলীৰ ওৰণি টানি ভোগালী আহে ভোগৰ সম্ভাৰ লৈ। হেঁপাহৰ ভোগালী উৰুকাৰ বোকোচাত উঠি আহে। সেয়ে অভিমানী উৰুকা। উৰুকাই মায়াসনা ভোগালীক আদৰ সম্ভাষণ জনায়। উখল মাখল ৰঙিয়াল মনেৰে ভোগালী ঘৰ সোমায়হি। উৰুকা উদযাপন কৰা যুগে যুঁজে চিহ্নিত হৈ আহিছে। উৰুকাই আজিও হাতবাউলি মাতে। অসমীয়া সমাজ জীৱনত উৰুকাৰ এক সুকীয়া মৰ্যাদা আছে। মাঘ মাহতেই জীয়াই থকাৰ সুখ, আনন্দ বিচাৰি পায় চহা কৃষকে। পুহ আৰু মাঘৰ মাহৰ সংক্ৰান্তিৰ দিনা উৰুকা উদ্‌যাপন কৰা হয়। বিহুৰ আগদিনাক উৰুকা বুলি কোৱা হয়। গঞা ৰাইজে মিলি ভাগে ভাগে নৰা কটা, হাবিত খৰি লুৰি ঘৰত গোটোৱা কামবোৰ উৰুকাৰ কেইবাদিনৰ আগৰ পৰাই কৰি থাকে। নৈ পৰীয়া মানুহে নদী পাৰ হৈ চাপৰিৰ পৰা নাঁৱৰে ঝাওবনৰ খৰি আনে। ভোগালী বিহুৰ ৰীতিনীতি পৰম্পৰাবোৰৰ ভিতৰত অন্যতম হৈছে মেজি। সাধাৰণতে মেজিটো নদী বা বিলৰ পাৰত সাজে। মেজিটো সুন্দৰ ভাবে কাঠ খৰিৰে নিৰ্ধাৰিত খাজেৰে জাপি জাপি ওখকৈ সজোৱা হয়। মেজিৰ কাষতেই বাঁহ আৰু নৰাৰে ভেলাঘৰটো সাজে।

উৰুকাৰ শীতৰ সেমেকা নিশাটোত ভেলাঘৰৰ ভিতৰত জুহালৰ জুইৰ কাষত বহি ভোজভাত খোৱা কথাটো ৰূপকথাৰ দেশৰ কাহিনীৰ দৰে অনুপম আছিল। গোটেই ৰাতি বিধে বিধে ৰন্ধাবঢ়া কৰি মিলাপ্ৰীতিৰে খোৱা বোৱা কৰে। দুদিনমানৰ আগৰ পৰাই কাপোৰ খাৰত সিজাই জীয়ৰী-বোৱাৰীয়ে নৈৰ ঘাটত ধোৱে, দাং বান্ধি কাপোৰ ৰ'দত মেলি দিয়ে। উৰুকাৰ ৰাতি ডেকাসকলে পৰম্পৰা বজাই ৰাখি কাঠ আলু, মিঠা আলু উদৰ পূৰাই পুৰি খাই। লগেভাগে খোৱা ভোজৰ কথাই সুকীয়া। পুৱা গা পা ধুই সেৱাকৰি মেজি জ্বলাই পিঠা-পনা আগবঢ়াই অগ্নি দেৱতাক সেৱা কৰি অপায়-অমঙ্গল নাশ কৰিবৰ বাবে প্ৰাৰ্থনা কৰে। এতিয়া উৰুকাক উপসৰ্গসমূহে হেঁচা মাৰি ধৰিছে। পুহমহীয়া জাৰত ঠেৰেঙা লগা হাত-ভৰিবোৰে জুইকুৰাৰ উম বিচাৰি ফুৰে। উমি উমি জ্বলে ন-পুৰণি স্মৃতি। জুহালত উম লওতে ঘৰুৱা আলোচনাই ঘনিষ্ঠতা, আন্তৰিকতা বঢ়াইছিল। অভাৱ, অনাটনে জুৰুলা কৰা কৃষিজীৱী গঞাই ইজনে সিজনৰ মনৰ কথা খুলি পাতে। জুই পুৱাওতে পকা আঙঠাৰ জুইত আলুগুটি, বেঙেনা পুৰা, মাছ পুৰি খোৱা কিমান যে তৃপ্তিদায়ক আছিল মনত পৰিলে ভৱাতকৈ বেছি প্ৰশান্তিৰে মন ভৰে। মেজিৰ আমেজবোৰ বুকুত বৈ যায়। এতিয়া সেই ক্ষণপ্ৰভ মুহূৰ্ত বুকুত সাৰটি অহৰহ গুণানুকীৰ্তন চলি আছে। হিটাৰত জাহ গ'ল উমাল সান্নিধ্যৰ জুইকুৰা, যান্ত্ৰিকতাত হেৰাল মাদকতা। অশীতিপৰ এজন লোকে উৰুকাৰ জগতত ভূমুকিয়াই চাব খোজে তেওঁ জীৱনত সেই দিনটোত কি কৰিলে কি নকৰিলে। প্ৰগতিৰ লগে লগে গাঁৱলীয়া জীৱনৰ, ক্ষেত্ৰতো কিছু পৰিবৰ্তন নামি আহিল। সমাজৰ বিভিন্ন স্তৰতো এই পৰিবৰ্তনৰ প্ৰতিফলিত হ'ল। খোৱাৰ কেন্দ্ৰবিন্দু উৰুকা হ'ব নোৱাৰে যদিও ভোগালীক জানিবলৈ, বুজিবলৈ উৰুকাৰ তাৎপৰ্য অনুধাৱন কৰিবলৈ হ'লে খোৱাৰ অবিহনে আন উপায় নাই। চিৰা, সান্দহ, পিঠা, লাৰু, মাছ, মাংস, দৈ ইত্যাদি উৰুকাৰ অলংকাৰ। কেইবাদিনলৈ ঘৰখনত সুগন্ধত আমোলমোলাই থাকে। অসমীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ মেজিৰ জুইয়ে অসূয়া-অপশক্তি নাশ কৰি সুখ শান্তি সমৃদ্ধিশালী কৰি ঐক্য সমন্বয় একতাৰ ডোলেৰে জাতিটোক শক্তিশালী কৰে বুলি কোনোবা অতীততে কোৱা কথা সকলোৱে বিশ্বাস কৰি আহিছে।



পুহ মাহ ১৫ দিন মান যোৱাৰ পিচৰ পৰাই ঢেকীৰ মাতত টোপনি ভাগে। ঢেকীৰ শব্দই বহু কথা কৈ যায়। পিঠাগুৰিত যৌৱনৰ সুবাস বিচাৰি পাঁও। আৱেগ জৰ্জড়িত ঠুনুকা হৃদয় সেই তাহানিলৈ এপলক উভতি যায়। ঢেকীত ধান, চিৰা সান্দহ খুন্দি বৰ সুখ আৰু আনন্দ উপভোগ কৰিছিলোঁ। স্মৃতিবোৰ সাক্ষী হৈ ৰয়। পিঠা, লাৰুৰ মাজতে ক'ত সপোন উনাই থাকে, ক'ত আশাই পোহাৰ মেলে। ক'ত কাহিনীৰে সমৃদ্ধ উৰুকা। হেঁপাহ পলুৱাই ৰং-ৰইচ কৰোঁ। দুখবোৰ এভঁৰাল মাদকতাত ডুব যায়। জীয়ৰী বোৱাৰীয়ে ধান শুকুৱাই জহা বৰা চাউল ভাগে ভাগে সামৰে। বিধে বিধে জলপানৰ আয়োজন-বৰা ধানৰ ভজা চাউল, চকোৱা ধানৰ চিৰা, মালভোগ ধানৰ সান্দহ, বৰবৰা ধানৰ হুৰুম, জহা ধানৰ ভাতৰ চাউল, মাগুৰি ধানৰ কোমল চাউল, চুঙা আৰু চেৰা জলপানৰ বাবে ক'লা বৰা ধানৰ চাউল, ৰঙা বৰাৰ আখৈ ইত্যাদি। উৰে ৰাতি পাচি ভৰাই বিধে বিধে পিঠা বনাও। সময়খিনি হাতৰ মুঠিত ধৰি ৰাখিব পৰা হ'লে, সোৱৰণীৰ পৃষ্ঠা খুলি কথা পাতিলোহেতেন। সঁচাই কি দিন আছিল! চৌপাশে ভোগালী বিহুৰ ব্যাপক আয়োজন চলে। চুবুৰিয়ে চুবুৰিয়ে ঢেঁকীৰ চাবত উখল-মাখল, অতিথিক আপ্যায়নৰ বাবে বিধে বিধে পিঠা বনোৱাত ব্যস্ত হৈ পৰে বিশেষকৈ যুৱতী সকল। তিল পিঠা, তাল পিঠা, ফেণী পিঠা, পানী পিঠা, নাৰিকলৰ পিঠা, কল পিঠা, সুতুলি পিঠা, ভাপ পিঠা, লাও পিঠা, খোলা- চপৰীয়া পিঠা, মুঠিয়া পিঠা, লুথুৰি পিঠা, ঘিলা পিঠা, জেং পিঠা, আদিকে ধৰি অধিকাংশই থলুৱা পিঠা-পনা ভোগালীত উভৈনদীকৈ বনাই। চিৰা, পিঠা, সান্দহ খুন্দিবলৈ বিহুৰ দহ-বাৰ দিন আগৰ পৰাই ঢেঁকীবোৰত চুবুৰ-চুবুৰ শব্দ হয়, গাওঁবোৰ ৰজনজনাই থাকে। পিচে দুখৰ কথা যে আধুনিকতাৰ পৰশত থলুৱা পিঠা-পনা লুপ্তপ্ৰায়ৰ নিচিনা হৈছে যদিও পিঠা-লাৰুৰ জনপ্ৰিয়তা কমি যোৱা নাই। মিঠা আলু, কাঠ আলু, ক'লিদৈ মহৰ গাখীৰৰ থমা দৈ দুমাহীৰ দিনা ৰাতিপুৱাইগা পা ধুই খাবলৈ ঘৰে ঘৰে যোগাৰ কৰে।

উৰুকাৰ পৰম্পৰা অসমীয়া জাতিৰ স্বাভিমানৰ পৰিচায়ক। বিহুৰ সৈতে আত্মীয়তা লুকাই থাকে। সেই আত্মীয়তাই অনাগত দিনৰ প্ৰাপ্তিৰ প্ৰত্যয়ৰ এক প্ৰাচুৰ্যৰ অনুভৱৰ কথা যেন ক'ব বিচাৰে। যি পবিত্ৰ আত্মীয়তাই অন্তৰৰো অন্তৰ আলোকিত কৰি তোলে। কবিতাৰ ভাষাত মনৰ মাজত আত্মীয়তা লুকাই থাকে। সংস্কৃতিয়ে আমাক সংস্কাৰৰ বাট দেখুৱায়। পিচে আমাৰ বদ অভ্যাসো আছে। আমি নিজৰটোত কৈ লোকৰটো বেচি ভাল পাওঁ। লোকক দেখি আমিও তেওঁলোকৰ লগতে খোজ মিলাই ৩১ ডিচেম্বৰ মাজনিশা উদ্‌যাপন কৰোঁ। আমি ইংৰাজী কেলেণ্ডাৰ মতে চলিলেও আমাৰ সমাজ জীৱন বৰ্তমানেও লোকসংস্কৃতিৰ পৰা বিছিন্ন হৈ যোৱা নাই। আমাৰ পৰম্পৰাত নতুন নতুন আচাৰ নীতি আহি আমাৰ সংস্কৃতিক বিজতৰীয়া কৰিবলৈ আৰম্ভ কৰিছে। এয়া কিন্তু শুভ লক্ষণ নহয়। সেয়ে আমাৰ উৰুকা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। যুঁজ-বাগৰ কৰি হলেও উৰুকাক ধৰি ৰাখিব লাগিব। বিভিন্ন অঞ্চলৰ লোকৰ মাজত সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰাৰ উদ্দেশ্যে ভোগালী বিহুৰ উৰুকাৰ দিনা অঞ্চলটোৰ ঐতিহাসিক বিলত সকলোৱে মিলিজুলি মাছ ধৰে। প্ৰচণ্ড জাৰকো নেওচি ঘন কুঁৱলী ভেদি সকলোৱে হাঁহি-ফুৰ্তিৰে মাছ মাৰে। একাংশৰ মাছ নাপালেও কোনো আক্ষেপ নাই। কাৰণ এইয়াই ভোগালী বিহুৰ আমেজ। নিশা পৰম্পৰা ৰক্ষা কৰি লগে-ভাগে এসাঁজ খোৱাৰ বাবে, গাঁৱৰ ৰাইজে লগলাগি জাকৈ, পল, জাল আদিৰে বিলত সমূহীয়াকৈ মাছ মাৰে। ইয়াৰ জৰিয়তে অঞ্চলটোৰ সৈতে থকা আত্মীয়তাৰ সম্মন্ধৰ প্ৰতিফলন ঘটে। সঁচাকৈয়ে কিছু সোৱৰণীৰ ভাগ নহয়, তুলনা নহয়। যান্ত্ৰিকতাৰ যুগত হেৰাই গৈছে সোণসেৰীয়া উৰুকা। উৰুকাৰ আগে আগে দবাপিটা নহলেও কিনকিনীয়া এজাক বৰষুণে শীতৰ তীব্ৰতা বঢ়ায়, পাতলীয়া চেঁচা বতাহে নমাই আনে শীতৰ কোমল মাদকতা। ভিন্ন স্থান কুঁৱলীৰ আচ্ছাদনে ঢাকি ৰাখে। ৰাতি ঠাণ্ডাৰ বিষাদৰে মন ভৰে। ঠেঁটুৰৈ ধৰা ঠাণ্ডাই হাত-ভৰি ঠেৰেঙা লগাই। কৃষিকেন্দ্ৰিক সমাজ খনত শীতৰ সময়চোৱাত জুহালৰ জুইকুৰাৰ এক সুকীয়া বৈশিষ্ট্য আছে। গঞাই উৰুষা পঁজাত জাৰত কঁপি কঁপি থাকে।

উৰুকা কেৱল দোমাহীয়েই নহয়, অসমীয়া জাতিৰ বুকুৰে বুকুৰে বৈ থকা পৰম্পৰাগত আশা সঞ্চাৰী সুবাস। গাঁওবাসীয়ে কাম-কাজৰ ব্যস্ততাৰ মাজতে ৰাতি ৰাতি শীতৰ সৈতে এঘৰী যুঁজাৰ মানসেৰে খেৰ, শুকান খৰিৰে চোতালৰ একোনত সৰুকৈ জুই একুৰা জ্বলাই প্ৰতিদিনেই হাত-ভৰি সেকি গা-মন তঙাই লয়। জুহালে নিজৰ স্বকীয় গৰিমাৰে সকলোকে সুখ, আনন্দ দিয়ে। উৰুকাৰ স্মৃতিচাৰণ কৰিবলৈ গৈ স্মৃতিপটত অলেখ স্মৃতিয়ে ভুমুকি মাৰিছে। এই উৰুকাত অৰ্জন কৰা অভিজ্ঞতা, ঘটনা-পৰিঘটনা বন্ধু-বান্ধৱীৰ কথা আজিও জল-জল পট-পটকৈ মনত পৰে। শুকান কহুৱাৰ খৰি লুৰা, পিঠা বনোৱা, ব্ৰহ্মপুত্ৰ পাৰ হৈ চাপৰিৰ পৰা ঝাওবনৰ শুকান খৰি নাঁৱত অনা, ভেলা ঘৰ সজা। সঁচাকৈয়ে নষ্টালজিয়া কৰিছে। উৰুকাৰ দিনা নিশা ওচৰ-চুবুৰীয়াৰ ঘৰৰ পুৰণি জেওৰা চুৰ কৰা, বাৰীৰ কবি, বেঙেনা, ধেমালিৰ চলেৰে চুৰ কৰি গৃহস্থৰ মেথা গৰম কৰি দিওঁ। পুৱাই গুৱাল গালি খাই নুশুনা ভাওঁ জুৰি মিচিক মিচিক কৈ হাঁহি থাকি বৰ আমোদ পাইছিলোঁ। দোমাহীৰ দিনা ৰাতিপুৱাই গা-ধুই মেজি সেৱা কৰি ম'হৰ গাখীৰৰ থমা দৈৰে চিৰা-সান্দহ, পিঠা, লাৰু খোৱা ইত্যাদি। কি কি পিঠা, লাৰু বনাম উৰুকাৰ দুদিনমানৰ আগৰ পৰাই ওৰেৰাতি জাগি থকা, ভাবিচিন্তি থাকোঁতেই উৰুকা আহি ঘৰত প্ৰৱেশ কৰে। চাৰিওপিনে ভোগৰ উথপথপ। বছৰৰ মূৰত ভালকৈ হাঁহে-মাহে, মাছে-মঙহে উৰুকাৰ বাকৰিতেই এসাঁজ লগেভাগে ভোজভাত খোৱা হয়। শীতৰ সেমেকা ৰাতি সকলোৰে মুখত হালধীয়া হাঁহি বিৰিঙে।

ভোজৰ দিনা মাছ, হাঁহ কোমোৰাৰ তেলেতীয়া তৰকাৰী দোঙেপতি একোহেতো কাঠআলুৰ দাইলৰে ভোজ পাতত ভাত খোৱা মনোৰম দৃশ্যই মন প্ৰাণ পুলকিত কৰে। সঁচাকৈয়ে সেই দিনবোৰ বৰ আনন্দৰ আৰু সুখকৰ আছিল। দায়িত্ব মাত্ৰ এটাই কাম-বন নিয়াৰিকৈ শিকা। ধৈৰ্য্য, আত্মবিশ্বাস, সহনশীলতা, মিতব্যয়িতা, সময়ৰ সদব্যৱহাৰ, দায়িত্বশীলতা, সমাজৰ তথা গাওঁখনৰ প্ৰতি দায়বদ্ধতা, সামাজিক সমযোজনা আদি সেই সময়তে আহৰণ কৰাৰ সেইয়াই সোণালী সুযোগ। য'ত বিচাৰি পোৱা যায় জীৱনৰ প্ৰকৃত শিক্ষা। সেই সময়ৰ মধুৰ স্মৃতিক সদায় কঢ়িয়াই লৈ ফুৰো। এই স্মৃতিবোৰ আজিও প্ৰতিধ্বনিত হৈ আছে হৃদয়ত, যিয়ে জীৱনত সাতোৰঙী ৰঙৰ ফাকু খেলি মন মতলীয়া কৰিছিল। দুচকুত আজিও তিৰবিৰাই থাকে সপোনৰ উদ্দাম গতি, তেজাল ঘোঁৰাৰ ভৰৰ দৰে এবোজা আশা-আকাংক্ষা আৰু জীৱনক বুজা-নুবুজাৰ আলি দোমোজাত থকা এক অশান্ত মনৰ বুৰবুৰণি। উৰুকাৰ ভাষাহীন ভাষাৰে প্ৰতিধ্বনি শুনো প্ৰতিধ্বনি। ভোগালীৰ ভোগৰ ৰহঘৰাই, কলিজা শাঁত পেলোৱা মেজিৰ জুইৰ উমাল উত্তাপে সকলোৰে মাজত সমন্বয়ৰ এনাজৰীডাল অধিক কটকটীয়া কৰক, মনৰ উৎসাহ-উদ্দীপনা, আনন্দপূৰ্ণ হওক চিৰদিন - চিৰকাললৈ। তাৰেই কামনাৰে সকলোটিলৈ চহৰৰ পৰাই ভোগালী বিহুৰ ওলগ জনাইছো, প্ৰফুল্লতাৰে মন ভৰি পৰক।

# মেজিৰ জুইত জাহ যাৱক অসূয়া-অপ্ৰীতি



সৃষ্টিৰ বিনন্দীয়া পথাৰত বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ বীঁজ সিঁচিবলৈ আকৌ আহি পালেহি হেঁপাহৰ ভোগালী বিহু। শীতৰ আৱৰণ ফালি সুকোমল পুৱাই কঢ়িয়াই আনে ভোগৰ প্ৰাচুৰ্য্যতা। প্ৰাপ্তিৰ আঘোণক বুকুতে সামৰি আপোনপাহৰা হওঁ আমি ভোগালীৰ আনন্দত! উদং পথাৰৰ সেওঁতাত আঁকি দিওঁ আমি স্বাভিমানৰ প্ৰতীক। গৌৰৱত উথলি উঠে আমাৰ সাতামপুৰুষীয়া নিৰ্ভেজাল আৱেগ। গাঁৱৰ সবে মিলি কৰা ভোগলীৰ প্ৰস্তুতি আজি এক নষ্টালজীয়া। ক্ৰমশঃ নিদাৰুণ ভোগৰ জুইয়ে আমাক কোঙা কৰি আনিছে। ভোকৰ তাড়নাই যেন পাহৰাই পেলাইছে ভোগালীৰ নজসা-নপমা কথাবোৰ। ক'ত হেৰাল তাহানিৰ ভোগালীৰ স্বাভিমান? গাঁৱৰ সকলোৱে মিলি কৰা ভোগৰ ভোগজৰা! ধানে-মাহে, শাকে-মাছে উভৈনদী গাঁওসমূহত এতিয়া নাই তাহানিৰ ৰূপ-ছন্দ। তাহানি আঘোণ সোমোৱাৰে পৰা এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছিল আপোন গাঁওবোৰত। সোণগুটিৰে উপচি পৰিছিল ভঁৰালবোৰ। কাঠ-বাঁহৰো অভাৱ নাছিল। গাঁৱৰ প্ৰত্যেকঘৰতে পুখুৰীত যদি মাছ বাৰীত তামোল-পাণ, ফল-মূল আদিৰে পৰিপূৰ্ণ আছিল। বিহু আহিলে গাঁৱৰ ডেকা-বুঢ়াই মিলি মেজি-ভেলাঘৰ সাজিবলৈ খৰি-মাৰি গোটোৱা, নৰা কটা কথাবোৰে মন আজিও জীপাল কৰি তোলে। মূলতঃ চহা কৃষকৰ ফচল চপোৱা আনন্দৰ অন্য ৰূপেই হৈছে ভোগালী তথা মাঘৰ বিহু। কাৰণ পূৰ্বতে গাঁওসমূহত প্ৰায়সংখ্যক লোকেই খেতি-বাতিৰ সৈতে নিৰ্ভৰশীল আছিল। বৰ্তমান খেতিৰ সৈতে মানুহৰ সম্পৰ্ক কমি আহিবলৈ ধৰিছে। আধুনিকতাৰ ধামখুমীয়াত বিশ্বায়নৰ বহল পৰিসৰত আমিবোৰ যেন ক্ৰমশঃ যন্ত্ৰচালিত মানৱলৈ পৰিবেষ্টিত হৈ আহিছো। য'ত ভোগবাদে আমাৰ দেহ-মনকো ভাৰাক্ৰান্ত কৰি আনিছে। এতিয়া মাথোঁ জাতীয় উৎসৱসমূহ পালনৰ আনুষ্ঠানিক পৰম্পৰা ৰক্ষাৰ যুঁজতহে আমি অৱতীণ! তদুপৰি আমি আধুনিক মানৱ হোৱাৰ প্ৰতিযোগিতাত মত্ত হৈ সমাজলৈ অশনিৰ সংকেত কঢ়িয়াই আনিছো। জাতি-ধৰ্ম-ভাষা-বৃত্তি আদিয়ে আজি আমাৰ পৰিচয় হৈ ৰৈছে। তাতে আমাৰ সমাজৰ গৰিষ্ঠ সংখ্যকৰে হাতৰটো এৰি বাটৰটো লোৱাৰ মানসিকতা বাঢ়িছে। লাহে লাহে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে গঢ়ি উঠা জাতিৰ ভাঙোনমুখী চেতনাই গা কৰিবলৈ ধৰিছে। আচলতে উৎসৱসমূহ কৃষিৰ সৈতে জড়িত। এতিয়া সময় আমাৰ মাটি আৰু শিপাৰ সৈতে যি নিবিড় সম্পৰ্ক তাক অধিক সুদৃঢ় কৰাৰ সময়। এই জটিল সন্ধিক্ষণত আমি সকলোৱে আগবাঢ়ি সমিলমিলে ভোগৰ ৰং-আনন্দৰ অংশীদাৰ হওঁ আহক। লগতে ৰাজনীতিৰ পাশাখেলতো বন্দী নহৈ আমাৰ জাতি-জনগোষ্ঠীৰ যাউটিযুগীয়া সম্বন্ধবোৰ অটুত ৰখাৰ সময়। তদুপৰি এই ভোগালী বিহুৰ মেজিৰ জুইতে অসূয়া-অপ্ৰিতীসমূহ জাহ দি সকলোৱে স্বাৱলম্বী আৰু স্বাভীমানীহৈ এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়ি তোলাৰ পণ লওঁ আহক। তেহে উৎসৱৰ মান-মৰ্য্যাদা অক্ষুণ্ণ থাকিব।

নেত্ৰকমল সন্দিকৈ
শিৱসাগৰ

# মকৰ সংক্ৰান্তি আৰু মাঘ বিহুৰ পৰম্পৰা

ললিত নাথ

ভাৰতীয় ভাষা আৰু কলা-সংস্কৃতিত হাজাৰ হাজাৰ বছৰ ধৰি সাহিত্য, ৰীতি-নীতি, পৰম্পৰা, ভাষিক প্ৰকাশ, শিল্পকৰ্ম, ঐতিহ্য ক্ষেত্ৰ আদিৰ এক আশ্চৰ্যকৰ সমাৱেশ ঘটিছে। যুগ যুগ ধৰি আৰ্য, অনাৰ্য, মংগোলীয়, দ্ৰাবিড়ী আদি বিভিন্ন জাতিৰ নিজস্ব সংস্কৃতিৰ সমন্বয়ত এক বিশাল আৰু বৰ্ণাঢ্য ভাৰতীয় সংস্কৃতিৰ ৰূপ পৰিগ্ৰহ কৰিছে। সমগ্ৰ ভাৰতবৰ্ষত বহুবৰ্ণী, বহুভাষী আৰু বিভিন্ন আঞ্চলিক ৰীতি-নীতিৰে উদ্‌যাপিত 'মকৰ সংক্ৰান্তি'য়ে ভাৰতীয় চহকী সাংস্কৃতিক ঐক্যৰ পোষকতা কৰে। পৰম্পৰাৰ ভিন্নতা থকাৰ পিছতো সূৰ্য্য দেৱতাৰ প্ৰতীকী পৰিৱৰ্তনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ অন্তৰ্নিহিত সাৰমৰ্মই ভাষিক আৰু আঞ্চলিক সীমাৰ বৈচিত্ৰ্যক অতিক্ৰমি আৰ্য আৰু অনাৰ্য সংস্কৃতিয়ে ভাৰতীয় ধৰ্মৰ ইতিহাসত সমন্বয়ৰ বাৰ্তা বহন কৰে। জ্যোতিষৰ মতে মকৰ সংক্ৰান্তিৰ দিনা সূৰ্য্যই মকৰ ৰাশিত প্ৰৱেশ কৰে আৰু এই তাৰিখৰ পৰাই সূৰ্য্যৰ উত্তৰায়ণ আৰম্ভ হয়। জ্যোতিষ শাস্ত্ৰত সূৰ্যৰ উত্তৰায়ণক দেৱতাৰ দিন আৰু দক্ষিণায়ণক দেৱতাৰ নিশা বুলি কোৱা হয়।

গীতাৰ অক্ষৰ ব্ৰহ্ম যোগত ভগৱান শ্ৰীকৃষ্ণই কৈছে -

"অগ্নিৰ্জ্যোতিৰহ: শুক্ল: ষণ্মা উত্তৰায়ণম্।
তত্ৰ প্ৰয়াতা গচ্ছন্তি ব্ৰহ্ম ব্ৰহ্মাৱিদো
জনাঃ।।" ২৪

অৰ্থাৎ যিটো মাৰ্গত অগ্নি অভিমানী দেৱতা আছে, শুক্ল পক্ষৰ অভিমানী দেৱতা আছে আৰু উত্তৰায়ণৰ ছমাহৰ অভিমানী দেৱতা আছে, সেইটো মাৰ্গেৰে শৰীৰ ত্যাগ কৰি যোৱা ব্ৰহ্মবেত্তা যোগীজন ব্ৰহ্মলোক আদি কৰি পাচত ব্ৰহ্মক পায়। আধ্যাত্মিক সাধনাৰ বাবে মকৰ সংক্ৰান্তি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় আৰু সেই অনুসৰি বিশেষকৈ গংগা, যমুনা, গোদাবৰী, কৃষ্ণ আৰু কাবেৰী নদীত মানুহে পবিত্ৰ স্নান কৰে। মহাভাৰতৰ যুদ্ধত পিতামহ ভীষ্মই এই পবিত্ৰ মকৰ সংক্ৰান্তিৰ দিনাই দেহ ত্যাগ কৰিছিল। সনাতন হিন্দু ধৰ্মত মকৰ সংক্ৰান্তি হৈছে এক গুৰুত্বপূৰ্ণ সৰ্বভাৰতীয় সৌৰ উৎসৱ য'ত সূৰ্য দেৱতাক সন্তুষ্ট কৰাৰ এক আকূতি নিহিত হৈ আছে।

ভাৰতীয়সকলে অতীজৰে পৰা 'মকৰ সংক্ৰান্তি' হৰ্যোল্লাসেৰে উদ্‌যাপন কৰি আহিছে। ইয়াক অন্ধ্ৰপ্ৰদেশত পেড্ডা পাণ্ডুগা, কৰ্ণাটক, তেলেংগানা আৰু মহাৰাষ্ট্ৰত 'মকৰ সংক্ৰান্তি', তামিলনাডুত পোংগল, গুজৰাটত 'উত্তৰায়ণ', হাৰিয়ানা, পঞ্জাৱ হিমাচল প্ৰদেশত 'মাঘী', কেৰেলাত 'মকৰৱিলক্কু', উত্তৰ প্ৰদেশত 'খিচড়ী', পশ্চিম বংগত 'পৌষ সংক্ৰান্তি' আৰু অসমত মাঘ বিহু বা ভোগালী বিহু হিচাপে পালন কৰা হয়। বিহু সংস্কৃতিৰ গৱেষক লীলা গগৈদেৱে কৈছে "অসমীয়া জাতিটো যেনেকৈ আৰ্য অনাৰ্য, অষ্ট্ৰিক, মংগোলীয় জাতিৰ সংমিশ্ৰণ, ঠিক সেইদৰে অসমীয়া সংস্কৃতিও সংমিশ্ৰিত।" অসমত বসবাস কৰা আৰ্য, অনাৰ্য আদি বিভিন্ন জনগোষ্ঠীসমূহৰ আচাৰ নীতি, বিশ্বাস, পৰম্পৰা, চিন্তা-চেতনাৰ ধাৰক আৰু বাহক হৈছে বিহু। বিহু জাতি উপজাতিৰ সমন্বয়ৰ অৰ্ঘ্য। কৃষিজীৱি সমাজ একান্তভাৱে প্ৰকৃতিৰ নিয়ম নীতিৰ আধাৰত চলে। ঋতুৰ সৈতে তেওঁলোকৰ ভাগ্য বিজড়িত। অসমত প্ৰথম প্ৰণালীবদ্ধভাৱে কৃষিকাৰ্য কৰি সু-সভ্যতাৰ পাতনি মেলিছিল অষ্ট্ৰিক জাতিৰ লোকসকলে। অষ্ট্ৰিক গোষ্ঠীৰ লোকসকলৰ সংস্কৃতি মূলত: কৃষি সংস্কৃতি। তেওঁলোকে ধানখেতিৰ উপৰিও আলু, সৰিয়হ, লাও, কোমোৰা,

বেঙেনা, আদা, হালধি, পান-তামোল, নাৰিকল আদিৰ খেতি কৰিছিল। অষ্ট্ৰিকসকলে ৰোপণ কৰা কৃষি- সংস্কৃতি পৰৱৰ্তী সময়ত তিব্বত-বৰ্মীসকলৰ পৰশত ঠন ধৰি উঠিছিল। ১২২৮ খ্ৰিষ্টাব্দত অসমলৈ অহা তাইসকলে অনামী এই কৃষি-সংস্কৃতিক সাৰ পানী যোগালে। অসমৰ জনজাতিসকলে শীতকালত পালন কৰা কৃষি উৎসৱত জুই একুৰা ধৰি তাৰ চাৰিওফালে কিৰীলি পাৰি আনন্দ কৰিছিল। শীতৰ পৰা পৰিত্ৰাণ পাবলৈ ধৰি লোৱা জুইকুৰাই আজিৰ মেজিৰ জুইলৈ ৰূপান্তৰ হ'ল। পৰৱৰ্তী সময়ত আৰ্যসকলে অগ্নিপূজাৰ লোকাচাৰেৰে ইয়াক সমৃদ্ধ কৰি মেজিৰ এক বিচিত্ৰ ৰূপ দিয়ে। পণ্ডিতসকলৰ মতে মাঘ বিহুৰ মেজিৰ জুইকুৰাৰ মাজত প্ৰাক্‌বৈদিক অগ্নি উপাসক দেৱতা মাগী বা মেজাই মাঘ বিহুৰ মেজিৰ মেজিলৈ ৰূপান্তৰিত হ'ল। অগ্নি প্ৰজ্বলনেৰে শীতক বিদায় দি সমাজৰ সকলো লোকৰ কুশল কামনা কৰি অগ্নিদেৱতাৰ কোপদৃষ্টিৰ পৰা নিৰাপদে ৰাখি জীৱনীশক্তি বৃদ্ধি কৰিবলৈ প্ৰাৰ্থনা কৰে। মাঘ বিহু মেজি, ভোজ-ভাত, পিঠা-পনা আদি ভোগৰ প্ৰাচুৰ্য্যতা আৰু আধ্যাত্মিকতাৰ মূৰ্ত প্ৰকাশ। ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ হ'ল মেজি জ্বলোৱা। মেজিৰ জুইকুৰাই এক গভীৰ তাৎপৰ্য বহন কৰিছে। এই 'মেজি' শব্দটো বড়ো কছাৰী মূলীয় প্ৰাচীন প্ৰাচীন চুতীয়া ভাষাৰ 'মিডি-য়ে-জি'ৰ পৰা আৰু 'উৰুকা' শব্দটো চুতীয়া ভাষাৰ 'উৰুকুৱা'ৰ পৰা অহা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে যাৰ অৰ্থ হৈছে 'শেষ হোৱা'।



মেজি হ'ল মুকলি পথাৰত খেৰ নৰা, কল গছৰ চোঁচনি আৰু বাঁহেৰে অস্থায়ীকৈ সজোৱা ছাউনী। নামনি অসমত বৰপুঁজি, মাজু পুঁজি, সৰু পুঁজি আদি বিচিত্ৰ ৰূপত মেজি সজা হয়। অসমত মাঘৰ মেজিৰ ৰূপ অঞ্চলভেদে বেলেগ বলেগ হয়। 'মেজি'ক দক্ষিন কামৰূপ অঞ্চলত ভেলাঘৰ বা 'ভেলাপুঁজি' মঙলদৈ অঞ্চলত 'ভেলাঘৰ' বোলে। শোণিতপুৰ জিলাৰ ভৰলী নদীৰ দাঁতিকাষৰীয়া অঞ্চলত মেজিঘৰক 'ধেৰাঘৰ' বুলি কয়। প্ৰতীকী ৰূপতো মেজি বনোৱা হয়। মেজিত পানী হিলৈ, উকা হিলৈ ফুটাই চেমনীয়াসকলে ৰং-ৰহইচ কৰে। মাঘ বিহুৰ সাতদিনৰ আগৰে পৰা খেৰ, নৰা আৰু বাঁহৰ কামিৰে পৰলি বান্ধি পথাৰৰ মাজত ভেলাঘৰ সজা হয়। গাঁৱৰ ডেকা-ডেকেৰী, ল'ৰা-ছোৱালীসকলে ভেলাঘৰসমূহত উৰুকাৰ দিনা গোটেই নিশা ভোজ-ভাত খাই নৃত্য-গীত আৰু বিভিন্ন বাজনাৰ শব্দেৰে মুখৰিত কৰি ৰাখে। বিহুৰ দিনা দোকমোকালিতে উঠি গাঁৱৰ বুঢ়ামেথা সকলোৱে স্নান কৰি আগলতি কলপাতত ধূপ-ধূনা, তামোল-পান, অৰিহণা, নৈৱেদ্য আদি আগবঢ়াই ঈশ্বৰৰ নাম লৈ হৰিধ্বনি দি ভেলাঘৰত অগ্নি সংযোগ কৰি সকলোৱে অগ্নি দেৱতাক সেৱা জনাই। দপদপাই জ্বলি থকা জুইকুৰাত চাউল, তিল, মাহ আদি সভক্তিৰে অৰ্পণ কৰি অগ্নি দেৱতাৰ মন্ত্ৰোচ্চৰণ কৰে-'অগ্নি প্ৰজ্জ্বলিতং বন্দে চতুৰ্বেদহুতাশনম্।
সুবৰ্ণৱৰ্ণমমলয়ং জ্যোতিৰূপায়তে নমঃ।।"

মেজিৰ চৌদিশে বহি অগ্নিক সেৱা কৰি মাহ-প্ৰসাদ বিতৰণ কৰে। ভেলাঘৰ বা ভেলাপুজি জ্বলি শেষ হ'লে আধা পোৱা ৰুৱা-কামিবোৰ নি বাৰীৰ আম, কঁঠাল, তামোল, নাৰিকল, লেটেকু, পনিয়ল আদি গছত ওলোমাই দিয়ে। মেজিৰ জুইত কাঠআলু, মিঠাআলু আদি পুৰি খোৱা হয়। মাঘ বিহুত আলু নাখালে পিছৰ জন্মত গাহৰিৰ জন্ম লৈ আলু কচু খান্দি ফুৰিব লাগে বুলি বিশ্বাস কৰা হয়। মাঘবিহুৰ এই অনিৰ্বান জুইকুৰাই আমাক জীৱন জীৱিকাৰ উত্তাপ দি আহিছে। মাঘৰ মেজিৰ জুইকৰাক বৈজ্ঞানিক যুক্তিৰে বিচাৰ কৰিব পৰা যায়। জুইৰ তাপে মানুহৰ ৰোগ নাশ কৰে। অতীতকালৰে পৰা জুইৰ তাপে বতাহত উৰি ফুৰা বীজানু ধ্বংস কৰি পৰিৱেশ বিশুদ্ধ কৰি আহিছে। তাপশক্তিক কোনেও উপেক্ষা কৰিব নোৱাৰে। বিহুৰদিনা সৰুৱে ডাঙৰক সেৱা-সৎকাৰ কৰে। বিহুৰদিনা ম'হ যুঁজ, কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, মাল যুঁজ আদি অনুষ্ঠিত কৰা হয়। এই যুঁজবোৰে আহোম ৰজাসকলৰ দিনত অধিক প্ৰাধান্য লাভ কৰে। অসমীয়া লোক সংস্কৃতিৰ গৱেষক লীলা গগৈ দেৱে 'বিহু: এটি সমীক্ষা'ত লিখিছে "বিহু সংস্কৃতিৰ ভোগজৰা, ভোগমনৰ ভোগথলী, সৃষ্টিৰ গৌৰৱ আৰু দৃষ্টিৰ ৰোমাঞ্চ।" ভোগৰ উৎসৱৰ আনন্দ উল্লাসে অসমীয়া মানুহক উৎসৱ-মুখৰ কৰি তোলে। পৰম্পৰাগতভাৱে নানান ভোগৰ উপচাৰেৰে অসমত ভোগালীক আদৰণি জনোৱা হয়।

কৃষিভিত্তিক উৎসৱ মাঘ বিহুৰ মৌলিক তাৎপৰ্য কৃষি কৰ্মৰ লগত ওত: প্ৰোতভাৱে জড়িত। অসমৰ গ্ৰাম্য অঞ্চলসমূহত বিহু সংস্কৃতিৰ প্ৰাদুৰ্ভাৱ অধিক। নিভাঁজ অসমীয়া পৰম্পৰাসমূহ মূলত: ৰক্ষা কৰি আহিছে গাম্য সমাজেই। এই সময়ত অসমীয়া কৃষক ৰাইজৰ ঘৰে ঘৰে ধান, মাহ আলু, সৰিয়হ, তিল, কুঁহিয়াৰ, মাটিমাহ, মগুমাহ, মচুৰ মাহ, পানীলাও, মূলা, কবি, বিলাহী, মিঠাআলু আদি উভৈনদী হৈ পৰে। মাঘৰ উৰুকাৰদিনা অসমৰ বিভিন্ন বিল, নৈ, ডোবা, পুখুৰী আদি প্ৰাকৃতিক জলাশয়সমূহত মাছ মাৰাতো মাঘ বিহুৰ এক অবিচ্ছেদ্য সংস্কৃতি। মাঘ বিহুৰ প্ৰায় এমাহমান আগৰ পৰাই ঢেঁকীত সান্দহগুৰি, পিঠাগুৰি, কোমল চাউল, তিল, চিৰা, সান্দহ, হুৰুম, আখৈ, আদি খুন্দাৰ এক অঘোষিত প্ৰতিযোগিতা চলে। ঢেঁকীৰ চুবুৰ-চুবুৰ ছন্দায়িত শব্দই গাঁওসমূহক নিনাদিত কৰি তোলে। মাঘ বিহুলৈ বুলি গৃহিণীসকলে নাৰিকলৰ লাড়ু, পকা মিঠৈ, তিলৰ লাড়ু, মুড়ি লাড়ু, চিৰা, গোটা কৰাই আদি বিভিন্ন ধৰণৰ সুস্বাদু জা-জলপান আৰু পিঠা-পনা তৈয়াৰ কৰে। গাঁৱৰ মহিলাসকলে উৰুকাৰ আগদিনা আখলত দুপৰ ৰাতিলৈকে তিল পিঠা, ঘিলা পিঠা, বৰ পিঠা, টেকেলি পিঠা আৰু ধানখেৰৰ জুইত শাৰী শাৰীকৈ চুঙা পিঠা পোৰে। মাঘ বিহুৰ পৰম্পৰা আৰু লোক বিশ্বাসক আজি বিশ্বায়নে সাৰপানী যোগোৱা ভোগবাদী সংস্কৃতিয়ে গ্ৰাস কৰি পেলাইছে। বিহু সংস্কৃতিৰ জৰিয়তে গঢ় লৈ উঠা সাতামপুৰুষীয়া সৌন্দৰ্য্যবোধ, সমন্বয় আৰু মানৱতাবোধক উৎখাত কৰি পেলাইছে। অসমীয়া গৃহিণীসকলৰ সৃষ্টি প্ৰতিভাৰ অন্ত নাই। তেওঁলোকে ভোগালীৰ বিভিন্ন সমলেৰে পৰম্পৰাগতভাৱে তৈয়াৰ কৰা বিবধ জলপান, পিঠা-পনা আদি তৈয়াৰ কৰাত সিদ্ধহস্ত। কিন্তু বানপানী, গৰাখহনীয়া, জনসংখ্যা বৃদ্ধিৰ ফলত কৃষিভূমি অভাৱনীয়ভাৱে কমি আহিছে। শ্ৰমজীৱী কৃষকসকলৰ এতিয়া কোনোবাই সৰু-সুৰা ব্যৱসায় অথবা অন্য কোনো কামত আত্মনিয়োগ কৰিছে। ফলত কৃষি নিৰ্ভৰশীল পৰম্পৰাবোৰ বিঘ্নিত হৈ পৰিছে। ভেলাঘৰ, মেজিৰ সমন্বয়ৰ জুইকুৰা যেন আজি ম্লান পৰি গ'ল। অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য আহিলা ঢেঁকীয়েও মেলানি মাগিছে। অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ জা-জলপান, পিঠা-পনা আদি আজি বিলুপ্তিৰ পথত। এনে প্ৰেক্ষাপটত নৱপ্ৰজন্মই অসমীয়া সংস্কৃতিৰ এই আপুৰুগীয়া খাদ্যসম্ভাৰৰ লগত চিনাকি হোৱাৰ সুযোগ হেৰুৱাই পেলাইছে। পণ্যশালাত সহজতে উপলব্ধ ভোগৰ সামগ্ৰীৰ প্ৰতিহে নৱ-প্ৰজন্মৰ আকৰ্ষিত হৈ পৰিছে। চাওমিন, ম'ম', পিজা, বিৰিয়ানী, কাবাব আদি খাদ্যসম্ভাৰ নতুন প্ৰজন্মৰ এতিয়া প্ৰিয় খাদ্য হৈ পৰিছে। এইটো অনস্বীকাৰ্য্য যে ভোগবাদী সংস্কৃতিয়ে আজিৰ নৱ-প্ৰজন্মৰ মনত এতিয়া এটা চাহিদা পূৰণৰ পিছতেই মনোজগতত আন এটা চাহিদাৰ পূৰণৰ হাবিয়াস জন্মাই। ভোগবাদৰ আগ্ৰাসনে মানুহক প্ৰকৃত পথৰ পৰা বিচলিত কৰি কৃত্ৰিমতাৰ এখন পৃথৱীত বাস কৰিবলৈ বাধ্য কৰাইছে। সাম্প্ৰতিক সময়ত মানৱতা, শুভচিন্তা, শুভবুদ্ধি, সহিষ্ণুতা ইত্যাদি গুণবোৰ সহজেই হ্ৰাস পাইছে। সৰুৱে ডাঙৰক সেৱা কৰা, ডাঙৰে সৰুক আশীৰ্বাদ কৰা আৰু বন্ধুবৰ্গক জনোৱা মৰম- স্নেহ, প্ৰীতি আদি বিহু সংস্কৃতিৰ লগত জড়িত মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় ঘটিছে। ভোগবাদী মাসিকতাই মানুহৰ মনত অপ্ৰাপ্তিবোধৰ জন্ম দি প্ৰতিনিয়ত অসন্তুষ্ট কৰি ৰাখে। গাড়ী-মটৰ, মাটি-বাৰী, টকা-পইচা, নাম-যশ, খ্যাতি আদি প্ৰাচুৰ্য্যৰ মাজত থাকিলেও হেঁপাহৰ যেন শেষ নাই। ভোগবাদী সমাজব্যৱস্থাই মানুহক আত্মকেন্দ্ৰিক কৰি সমন্বয়ৰ প্ৰতিভূ বিহু সংস্কৃতিত মোক্ষম আঘাত হানিছে। ভোগবাদৰ সংস্কৃতিৰ মতে পৃথিৱীত যিমানবোৰ বস্তু আছে সকলো ভোগৰ বাবে, ভোগহীন বস্তুৰ যেন কোনো মূল্য নাই। ভোগবাদীসকলে ব্যক্তিগত, সামাজিক তথা দেশীয় সকলো সম্পৰ্ক ভোগবাদী দৃষ্টিৰে চাই। এখন ভোগ সৰ্বস্ব সমাজত সুখৰ স্থায়িত্ব তেনেই ক্ষণস্থায়ী। অসমীয়া সমাজখনৰ গৌৰৱময় কৃষি-সংস্কৃতি আজি ভোগবাদৰ কবলত পৰি দুষ্কৃতিলৈ পৰ্যবসিত হৈছে। পৰিৱৰ্তনশীল সমাজব্যৱস্থাত বিশ্বায়ন অৱধাৰিত হ'লেও আমি পৰম্পৰাগত বিহু সংস্কৃতিক যিকোনো পৰিস্থিতিত জীয়াই ৰাখিবই লাগিব। ইয়াৰ চিৰশাশ্বত পৰম্পৰাক ঘূৰাই আনিবলৈ আমি সকলোৱেই নৱপ্ৰজন্মক উদ্বুদ্ধ কৰিব লাগিব।

# পুহ-মাঘৰ সংক্ৰান্তিত এয়া ভোগালীৰ পয়োভৰ

আৰু কাতি বিহু। মাঘক ভোগালী, ব'হাগক ৰঙালী আৰু কাতিক কঙালী নামেৰে অতি কৌটিকালৰে পৰা আমাৰ সমাজ পৰ্যবেক্ষক আৰু প্ৰকৃতি বিশ্লেষক, গৱেষকসকলে তিনি বিহুৰ ৰং-ৰূপ, গতি-প্ৰকৃতি অনুধাৱন কৰি যথাযথভাৱেৰেই নামকৰণ কৰি গৈছে, তাৰেই ধাৰাবাহিক পৰম্পৰা মানি আজিও আমি অসমীয়াৰ সামাজিক পৰিৱেশত বিহু উৎসৱ পালন কৰি আহিছোঁহক।

এতিয়া এয়া উপবিষ্ট মাঘৰ বিহু মানে ভোগালীৰ বতৰ। তথাকথিত অসমীয়া সমাজৰ উপৰিও অসমৰ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত বসবাস কৰা আন আন বহুবোৰ জাতি, ভাষা, ধৰ্মাৱলম্বী লোকেও অসমীয়াৰ লগতে এনেহেন ভোগৰ উৎসৱ ভোগালী বিহু পালন কৰে। সাম্প্ৰতিক সময়ত আমাৰ জনসমাজৰ মাজত অভাৱ-অনাটনৰ মাত্ৰা যথাৰ্থতেই প্ৰায় কমি যায়, পথাৰৰ শস্য-মৎস্য, বাৰীৰ শাক-পাচলিকে মুখ্য কৰি নানাবিধ খাদ্য উপকৰণেৰে সমাজ জীৱনৰ বৰঘৰ, ভাতঘৰ ওপচি পৰে আৰু উভৈনদী হয়। আনহে নালাগে বাট-পথৰ ভিক্ষাৰীয়েও অন্তত: পেটৰ ভোকত কলমতিয়াব লগা নহ'য় এই শুভক্ষণত।

ব'হাগ বা ৰঙালী বিহুৰ লেখিয়াকৈয়ে এই মাঘ বিহুৰ বতৰতো নগৰ-চহৰ, গাঁও-ভূঁই আদি সৰ্বত্ৰতে মানুহে মহা পয়োভৰে, উলহ-মালহ তথা আৱেগ-উৎকণ্ঠাৰে এয়া আমাৰ প্ৰকৃতি উৎসৱ মাঘ বিহুক আদৰণি জনায়, পালন কৰে। এয়া আমাৰ সমাজৰ চিৰন্তন নীতি-পৰম্পৰা। পুহ-মাঘৰ সংক্ৰান্তিৰ দিনাখন সমাজৰ নামঘৰ, সামাজিক সংঘানুষ্ঠান, বোৱতী নদীৰ পাৰ, মুকলি পথাৰ তথা বিল-জলাশয়াদিৰ পাৰত মেজি পতা, ভেলাঘৰ সাজি ৰং-ৰহইচেৰে ভোজ-ভাত খোৱা, ওৰে ৰাতি উজাগৰে থাকি ৰাতিপুৱা স্নান কৰি, মেজি জ্বলাই ভগৱন্তৰ শ্ৰীচৰণত সৰ্বমঙ্গল কামনা কৰি সেৱা-সৎকাৰাদি কৰা - এয়াও আমাৰ সংহতি প্ৰকাশ প্ৰতিষ্ঠাপনৰ এনাজৰী। ঐক্য-শান্তি, সুখ-সমৃদ্ধি আৰু মৰম-প্ৰীতি আৱেশৰ মাজত জীয়াই থাকিবলৈ আমাক এনেধৰণৰ পৰিৱেশ-পাৰিপাৰ্শ্বিকতাৰ অতীৱ প্ৰয়োজন। জাতীয় উৎসৱৰ সেৱাৰ স্থলীত একতাৰ বান্ধোনেৰে মিলিত হৈ থাকিবলৈকে মানুহৰ মাজত এনেহেন ভোগ-বিলাসৰ উৎসৱ-পাৰ্বনবোৰ স্বৰূপতেই বৰ প্ৰয়োজন। এয়া আমাৰ জাতীয় জীৱনৰ সম্পদ।

এইখিনিলৈকে ঠিকেই আছে, ইয়াত দ্বিমত প্ৰকাশৰ কোনো স্থল নাই, যুক্তি বা আপত্তিও নাই। বছৰ আহে, বিহু আহে, বিহুৰ বতৰত স্বভাৱজনিত গতি-প্ৰগতিৰ যাত্ৰাত আগুৱাই যোৱাটো আমাৰ দায়িত্ব বা কৰ্তব্য আৰু আমাৰ জাতীয় পৰম্পৰা। কিন্তু অতি দুখৰ বিষয়, বেয়া লাগে এনেহেন বিহুৰ বতৰতো আমিবোৰ কেতিয়াবা খং-ক্ষোভ, উষ্মা আৱেগ ঢালি যন্ত্ৰণাকাতৰ, বেদনাজৰ্জৰ পৰিৱেশ একোটাকৈ আদৰি ল'ব লগা হয়। ইয়াৰ মুখ্য কাৰণ বা কাৰক হিচাপে নিৰ্ণীত হয় মদ-ভাং, কানি, সুৰা আদি ভক্ষণ কৰি সাংস্কৃতিক সমাজৰ পৰিপন্থী কিছু গৰ্হিত কাম-কাজত লিপ্ত হৈ এচামে সমাজত একপ্ৰকাৰ বিষবাষ্প বিয়পাই তোলে। স্মৰ্তব্য যে, যিবোৰ আমাৰ কৰণীয় কৰ্মক সংস্কৃতি বুলি ভাৱোঁ, যিবোৰ কাৰ্য পদ্ধতিৰ কাৰণক সাংস্কৃতিক নীতি-ধৰম বুলি ভাৱোঁ, তেনে অপকৰ্মতেই লিপ্ত হৈ কিছুলোকে যদি এনেহেন সহজতে মানি ল'ব নোৱাৰা কাম কৰে, তেনেক্ষেত্ৰত মানুহ ক্ষোভিত আৰু স্তম্ভিত হোৱাটো স্বাভাৱিক কথা।

কথাবোৰ আমাৰ প্ৰকাশ্যেই ব্যক্ত কৰিবৰ মন যায়; বছৰৰ শীত নিবাৰণৰ নিৰ্মিত্তে যি স্থানত পৱিত্ৰ চিত্তে মেজিৰ ভোজ-ভাতৰ আয়োজন কৰা হয়, সৰ্বমঙ্গলৰ অৰ্থে ভগৱন্তৰ শ্ৰীচৰণত এভাগি ঠগি সমৰ্পণ কৰি সেৱা-সৎকাৰ কৰা হয়, সেই একে স্থানতে একোচামে আকৌ দেশী-বিদেশী সুৰাৰ বেহা পাতি অশালীন, অবাচ্য আৰু অসহনীয় মাত-কথা, বাচ্য-বচনেৰে একপ্ৰকাৰ বিসংগতিপূৰ্ণ কথা-বতৰা, আলাপ-আলোচনা কৰি কেতিয়াবা হাই-কাজিয়া আদিও সূচনা কৰে তেনেক্ষেত্ৰত বাৰু আমাৰ সংস্কৃতি, জাতীয় সম্প্ৰীতি, সংহতিৰ স্থান কেনে বিপৰ্যস্ত হয় এই কথা সহজে অনুমেয়। আজিৰ চাম নতুন পুৰুষ আমাৰ জাতিৰ সম্পদ, দেশৰ ধৰণীস্বৰূপ, সমাজৰ ভৱিষ্যত নিৰ্মাতা, সেইসকলেই যদি অসভ্য, অভব্য আচৰণ কৰি নিজ নিজ পৰিচয় অৱগত কৰায় তেনেক্ষেত্ৰত আমাৰ শিক্ষা-দিক্ষা, আমাৰ সভ্যতা আৰু চিন্তাদৰ্শ ক'ত এয়াও বুজি পাবলৈ আৰু বেচি পৰ নালাগে। আজিৰ আমাৰ সমাজবোৰত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দৌৰ অতি শীৰ্ষস্থানত। তেনেই সৰু কালৰে পৰাই ইলেক্ট্ৰনিক, মাধ্যম আহিলা ব্যৱহাৰ কৰিব জনা, ম'বাইলৰ সমস্ত টিপ্পা-টিপ্পনি আদি সহজতে আয়ত্ত কৰি ল'ব পৰা হোৱা, দুচকীয়া বাহনকে মুখ্য কৰি বিধে বিধে অত্যাধুনিক যান-বাহন চলাব পৰা হোৱা - এইবোৰ কথাযেন আজিৰ তাৰিখত ভাতৰ লগত পানী খোৱাৰ নিচিনা কথা। সমাজৰ মাক-দেউতাকবোৰৰ কাৰণে এয়া একপ্ৰকাৰ যহৰ কথা হ'লেও অপৈণত পৰিৱেশত, পৰিস্থিতিৰ আৱেগত ৰাগিয়াল বস্তু ভক্ষণ কৰি বাটে-ঘাটে দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যুক আদৰি লোৱাটো কিমান যে পৰিতাপৰ আৰু অসহনীয় বিষয়, সেয়া কেৱল ভুক্তভোগীয়েহে অনুধাৱন কৰিব পাৰে। এনেকৈয়ে এইহেন পৱিত্ৰ ক্ষণত আমাৰ সমাজৰ সৰ্বজনগ্ৰাহ্য মাঘৰ ভোগালীয়ে ভিন্ন ৰূপ পৰিগ্ৰহণ কৰাটো আমি স্বৰূপতে কেতিয়াও নিবিচাৰোঁ।

# শিৱসাগৰ ৰেজাউল কৰিম

কৰা এক বিতৰ্কিত মন্তব্যই অসমৰ ৰাজনৈতিক পৰিৱেশত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত দেওবাৰে কংগ্ৰেছত যোগদান কৰি দিয়া ভাষণত ৰেজাউল কৰিমে কয় যে "ধুবুৰীক শিৱসাগৰ আৰু শিৱসাগৰক ধুবুৰী কৰি তোলা হ'ব।" এই মন্তব্যই অসমৰ বিভিন্ন অঞ্চলৰ মাজত বিভাজন সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰি তাৎক্ষণিকভাৱে ব্যাপক সমালোচনাৰ সন্মুখীন হয়। বিজেপি নেতৃত্বৰ লগতে বিভিন্ন ৰাজনৈতিক আৰু সামাজিক ব্যক্তিয়ে এই মন্তব্যক অশোভন আৰু বিভাজনমূলক বুলি অভিহিত কৰে। বিধানসভাত বিৰোধী দলপতি তথা কংগ্ৰেছৰ বিধায়ক দেৱব্ৰত শইকীয়াই ৰেজাউল কৰিমক "ন-কংগ্ৰেছী" বুলি উল্লেখ কৰি তেওঁৰ ভাষণৰ প্ৰতি অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। বিতৰ্কৰ মাজতে আজি ৰাজহুৱাকৈ ক্ষমা বিচাৰে ৰেজাউল কৰিম সৰকাৰে। তথাপি এই ক্ষমাপ্ৰাৰ্থনাৰ পিছতো বিষয়টোৱে ৰাজ্যৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰেজাউল কৰিমৰ মন্তব্যক "অপমানজনক, উচটনিমূলক আৰু দায়িত্বহীন" বুলি তীব্ৰ গৰিহণা দিয়ে। শিৱসাগৰক "ধুবুৰী"লৈ ৰূপান্তৰিত কৰাৰ কথা কোৱাক লৈ তেওঁ প্ৰশ্ন উত্থাপন কৰি কয়— "বৃহত্তৰ অসমৰ নামত শিৱসাগৰক ধুবুৰী কৰাৰ কথা ক'বলৈ ৰেজাউল কৰিম কোন?" মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বাংলাদেশৰ পৰা পূৰ্বপুৰুষে প্ৰব্ৰজন কৰা এজন ব্যক্তিৰ এনে মন্তব্য কৰাৰ কোনো নৈতিক অধিকাৰ নাই। তেওঁ এই বক্তব্যক অহংকাৰৰ প্ৰতীক বুলি অভিহিত কৰি কয় যে ইয়াৰ দ্বাৰা শিৱসাগৰৰ ঐতিহাসিক, সাংস্কৃতিক আৰু পৰিচয়গত মৰ্যাদাক হেয়জ্ঞান কৰাৰ ইচ্ছাকৃত প্ৰচেষ্টা প্ৰতিফলিত হৈছে। "শিৱসাগৰ কোনো কংগ্ৰেছ নেতাৰ পূৰ্বপুৰুষৰ সম্পত্তি নহয়। ই অসমৰ গৌৰৱময় ইতিহাস আৰু ঐতিহ্যৰ এক অনন্য অংশ"— বুলি দৃঢ়তাৰে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ আৱেগক আঘাত কৰা ধৰণৰ দায়িত্বহীন মন্তব্য নকৰিবলৈ সকলোকে সাৱধান কৰে। ড° শৰ্মাই কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক প্ৰশ্ন কৰি কয় যে তেওঁলোকে কিয় "তুষ্টিকৰণৰ ৰাজনীতি"ত লিপ্ত হৈ আছে। তেওঁ এই ৰাজনীতিক "ৰহস্যময় আৰু গভীৰভাৱে আমনিদায়ক" বুলি অভিহিত কৰি অভিযোগ কৰে যে এনে ধৰণৰ ৰাজনীতিয়ে বাৰে বাৰে অসমৰ সামাজিক সম্প্ৰীতিৰ ক্ষতি সাধন কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শিৱসাগৰ আৰু ধুবুৰীৰ মাজত তুলনা কৰি এক অঞ্চলক আনটোৰ সমান বা নিম্নমানৰ বুলি চিত্ৰিত কৰাৰ প্ৰচেষ্টা গ্ৰহণযোগ্য নহয় আৰু ই এক প্ৰকাৰৰ মুকলি প্ৰৰোচনাৰ সমান। তেওঁ স্পষ্ট কৰি দিয়ে যে ৰাজনৈতিক লাভালাভৰ বাবে ৰাজ্যত আঞ্চলিক বা সাম্প্ৰদায়িক বিভাজন সৃষ্টিৰ কোনো প্ৰচেষ্টাক চৰকাৰে কেতিয়াও সহ্য নকৰিব। এই ঘটনাই আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তাপৰ সৃষ্টি কৰিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# অধিবক্তা সমাজৰ প্ৰতিবাদক

উচ্চ ন্যায়ালয় বাৰ এছ'চিয়েচনে সোমবাৰে এখন সংবাদমেল অনুষ্ঠিত কৰি ৰাজ্য চৰকাৰৰ ভূমিকাক তীব্ৰ ভাষাৰে সমালোচনা কৰে। সংগঠনটোৱে স্পষ্ট কৰি কয় যে, স্থানান্তৰৰ পক্ষত মন্তব্য কৰি অহা দেৱজিত লন শইকীয়া বাৰ এছ'চিয়েচনৰ সদস্য নহয় আৰু তেওঁৰ মন্তব্যৰ সৈতে সংগঠনৰ কোনো সম্পৰ্ক নাই। বাৰ এছ'চিয়েচনৰ নেতৃত্বই কয়, "তেওঁ যি কয় বা নকয়, সেয়া আমাৰ বাবে গুৰুত্বপূৰ্ণ নহয়। তেওঁ কোনো আইনী বিশেষজ্ঞ নহয়; বৰঞ্চ চৰকাৰৰ মুখপাত্ৰৰ দৰে আচৰণ কৰি আছে।" সংগঠনটোৱে অভিযোগ কৰে যে, চৰকাৰে অধিবক্তাসকলক সম্পূৰ্ণ অন্ধকাৰত ৰাখি উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ সিদ্ধান্ত আগবঢ়াই লৈ গৈছে। চৰকাৰী পক্ষই দাবী কৰা তিনিবাৰ আলোচনাৰ বাবে আমন্ত্ৰণ কৰাৰ কথাটো বাৰ এছ'চিয়েচনে সম্পূৰ্ণৰূপে নাকচ কৰিছে। সদস্যসকলে স্পষ্ট কৈ কয়, "এনে কোনো আমন্ত্ৰণ আমাক কেতিয়াও দিয়া হোৱা নাছিল। সিদ্ধান্ত লোৱাৰ পিছতহে জনাই দিয়া হৈছে আৰু সেই সিদ্ধান্ত মানি ল'বলৈ কোৱা হৈছে।" বৰ্তমানৰ উচ্চ ন্যায়ালয় চৌহদত স্থান সংকটৰ যুক্তিকো সংগঠনটোৱে দৃঢ়ভাৱে প্ৰত্যাহ্বান জনায়। তেওঁলোকে উল্লেখ কৰে যে, বিদ্যমান ভৱনতে অতিৰিক্ত তিনিটা তলা নিৰ্মাণ কৰাৰ সম্ভাৱনা আছে। অধিবক্তাসকলে ইতিমধ্যে একাধিক বিকল্প সমাধান চৰকাৰৰ ওচৰত আগবঢ়াইছিল যদিও চৰকাৰে সেইবোৰলৈ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰে। ইফালে বৰ্তমানৰ উচ্চ ন্যায়ালয় ভৱনৰ ঐতিহ্যৰ কথা উল্লেখ কৰি বাৰ এছ'চিয়েচনে কয়, "মন্দিৰ সদৃশ এই স্থাপত্যৰ গুৰুত্ব অগ্ৰাহ্য কৰিব নোৱাৰি। যদি অঞ্চলটো সঁচাকৈয়ে অনুপযুক্ত হয়, তেন্তে ঠিক কাষতে কিয় ১০ তলীয়া অট্টালিকা নিৰ্মাণ কৰা হৈছে?" বুলি প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে দাবী কৰা যে সকলো অধিবক্তাই স্থানান্তৰৰ পক্ষত ভোট দিছে বুলি কোৱা কথাটোকো সংগঠনটোৱে বিভ্ৰান্তিকৰ বুলি আখ্যা দিয়ে। তেওঁলোকে কয়, "চৰকাৰ নিজেই ১০০ শতাংশ ভোট নাপাই, মাত্ৰ প্ৰায় ৩৭ শতাংশ ভোটৰে ক্ষমতালৈ আহিছে। তেন্তে এনে যুক্তি কেনেকৈ গ্ৰহণযোগ্য?" লগতে চৰকাৰী বিজ্ঞাপনত ভুৱা তথ্য প্ৰচাৰ কৰা হৈছে বুলিও গুৰুতৰ অভিযোগ তোলে। পাৰ্কিং সমস্যাক স্থানান্তৰৰ অন্যতম কাৰণ হিচাপে দেখুওৱাৰ প্ৰয়াসকো বাৰ এছ'চিয়েচনে নাকচ কৰে। সদস্যসকলে কয়, "গুৱাহাটী, কলকাতা আদি সকলো ডাঙৰ চহৰতে পাৰ্কিং সমস্যা আছে। এই সমস্যা কেৱল ইয়াতেই নহয়।" সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মাই সংবাদমেলত কয়, "আমাক কেতিয়াও আলোচনাৰ বাবে মাত দিয়া হোৱা নাছিল। আমি গভীৰভাৱে দুঃখিত যে চৰকাৰে একপক্ষীয়ভাৱে সিদ্ধান্ত জাপি দিছে। যুক্তিসংগত আলোচনা আৰু সমস্যাৰ সমাধান হ'লে আমি হাঁহি মুখে ৰংমহললৈও যাবলৈ সাজু। আমিও উন্নয়ন বিচাৰোঁ, কিন্তু উন্নয়ন একপক্ষীয় সিদ্ধান্তৰ জৰিয়তে নাহিব পাৰে।" তেওঁ লগতে কয় যে বৰ্তমানৰ স্থানতে কম খৰচত একে ধৰণৰ উন্নয়ন সম্ভৱ। অধিবক্তাসকলক কেতিয়াও আপত্তি আছে নে নাই বুলি সোধা হোৱা নাছিল বুলি অভিযোগ কৰি বাৰ এছ'চিয়েচনে কয় যে, অধিবক্তাসকল কেৱল উচ্চ ন্যায়ালয়ৰ অংশ নহয়, সমাজৰো অবিচ্ছেদ্য অংশ। তেওঁলোকে সদায় জনস্বাৰ্থত কাম কৰে। গণতান্ত্ৰিক নীতি উলংঘা কৰি কোনো ধৰণৰ আলোচনা, সংলাপ বা মত বিনিময় অবিহনে সিদ্ধান্ত লোৱা হৈছে বুলিও সংগঠনটোৱে অভিযোগ তোলে। শেষত বাৰ এছ'চিয়েচনে চৰকাৰক সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে আৰু প্ৰতিবাদক "অপ্ৰয়োজনীয়" বুলি দেখুৱাবলৈ চেষ্টা কৰাৰ লগতে অধিবক্তাসকলৰ বিৰুদ্ধে ভুৱা ধাৰণা সৃষ্টি কৰি জনসাধাৰণক বিভ্ৰান্ত কৰাৰ অভিযোগ উত্থাপন কৰিছে। সংগঠনটোৱে স্পষ্ট কৰিছে যে এই বিষয়ত তেওঁলোকৰ কোনো ৰাজনৈতিক উদ্দেশ্য বা স্বাৰ্থ নাই।

# সমৰ্থকসহ বিজেপি ত্যাগ

জেষ্ঠ তথা নিষ্ঠাবান বিজেপি নেতা জীৱন চুতীয়াই আনুষ্ঠানিকভাৱে ত্যাগ কৰিলে বিজেপি দল। জীৱন চুতীয়াই দীৰ্ঘদিন ধৰি বিজেপি দলৰ হৈ সৰুপথাৰ সমষ্টিত সততাৰে কাম কৰি গৈছিল। আনহাতে বিগত নিৰ্বাচন সমূহত প্ৰাৰ্থীত্ব বিছাৰি তেখেতে বিজেপি দলৰ পৰা টিকটো [illegible] হিমন্ত বিশ্ব শৰ্মাই সৰুপথাৰ সমষ্টিত বৰ্তমানৰ বিধায়ক বিশ্বজিৎ ফুকনকে পুনৰ টিকত দিয়াৰ কথা ঘোষণা কৰাৰ পিছতেই জীৱন চুতীয়াৰ দীৰ্ঘদিনীয়া কষ্ট, ত্যাগ আৰু তেখেতৰ সপোনত যেন চেঁচা পানী ঢালিলে ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে। সেয়েহে তেওঁ আজি আনুষ্ঠানিকভাৱে তেখেতৰ সতীৰ্থসকলক লগত লৈ ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা কাৰ্যালয়ত উপস্থিত হৈ জিলা সভাপতিৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। তেখেতে কয়- বৰ্তমান বিজেপি দলত মেই সেৱা আগবঢ়োৱাৰ পৰিৱেশ নাই। যোৱাটো লোকসভা নিৰ্বাচনৰ পিছৰে পৰা মোক দলীয় কাম কাজ কৰাত বিভিন্ন বাধা প্ৰদান কৰি আঁতৰাই ৰখাৰ বাবে ষড়যন্ত্ৰ ৰচিছে। তেখেতে বৰ্তমানৰ বিধায়ক গৰাকীৰ বিৰুদ্ধেও কটু সমালোচনা কৰি কয় বিধায়ক বিশ্বজিৎ ফুকনে মোৰ বিৰুদ্ধে প্ৰতিখন সভা সমিতিত দলীয় কাৰ্যকৰ্তাসকলক মই বিজেপি দলৰ প্ৰাথমিক সদস্যও নহয় বুলি মন্তব্য কৰে। যোৱাটো পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিধায়ক বিশ্বজিৎ ফুকনে দলীয় কাৰ্যকৰ্তাসকল মোৰ লগত থাকিলে, মোৰ লগত ফটো উঠিলে টিকত দিয় নহব বুলিও কয় বুলি গুৰুতৰ অভিযোগ তোলে। জীৱন চুতীয়াই বিজেপি দলত বহুকেইটা দায়িত্বত থাকি সেৱা আগবঢ়াইছিল। তেখেতে দল ত্যাগ কৰাৰ ফলত সৰুপথাৰ সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ নিশ্চিতভাৱে যথেষ্ট পৰিমাণে দলটোৰ ক্ষতি হোৱাটো খাটাং। জীৱন চুতীয়াই সৰুপথাৰ সমষ্টিত এজন কেৱল ৰাজনৈতিক নেতা হিচাপেই নহয়, তেখেতে সমষ্টিটোত ব্যক্তিগতভাৱেও অগণন সমাজসেৱা অবিৰামভাৱে আগবঢ়াই গৈছে। খুউব কম সময়ৰ ভিতৰত জীৱন চুতীয়াই আঞ্চলিক দল অসম জাতীয় পৰিষদ দলত যোগদান কৰাৰ সম্ভাৱনা।

# বৰ অসমৰ কথা ক'বলৈ গৈ

কংগ্ৰেছত যোগদান কৰাৰ লগে লগে তেওঁৰ এটা মন্তব্যই সমগ্ৰ অসমত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। যোগদান অনুষ্ঠানত ৰাজহুৱা মঞ্চৰ পৰা কৰা বক্তব্যত তেওঁ "শিৱসাগৰক ধুবুৰী, ধুবুৰীক শিৱসাগৰ, তিনিচুকীয়াক ধুবুৰী আৰু বৰাকক শিৱসাগৰৰ দৰে" গঢ়ি তুলিব বুলি উল্লেখ কৰাৰ ফলত ৰাজ্যৰ বিভিন্ন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এপিচিচি) সভাপতি গৌৰৱ গগৈয়ে মৰিগাঁৱত অনুষ্ঠিত এক বিশাল যোগদান আৰু ৰাজহুৱা সভাৰ অন্তত সাংবাদিকৰ সৈতে কথা পাতি ৰেজাউল কৰিম সৰকাৰক ৰাজহুৱা মঞ্চত কথা কওঁতে অধিক সাৱধান হ'বলৈ আহ্বান জনাইছে। গগৈয়ে কয় যে "বৰ অসম" গঢ়াৰ কথা ক'বলৈ যাওঁতে তেওঁৰ শব্দৰ প্ৰয়োগ আৰু বাক্যৰ অৰ্থ ভুলভাৱে ব্যাখ্যা হৈ পৰিছে। ভৱিষ্যতে এনে বক্তব্য দিয়াৰ সময়ত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ তেওঁ অনুৰোধ জনাইছে। আনহাতে বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াইও এই মন্তব্যৰ তীব্ৰ সমালোচনা কৰি ৰেজাউল কৰিম সৰকাৰক ভৱিষ্যতে এনে ধৰণৰ বিতৰ্কিত বক্তব্য পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে। ইফালে বিতৰ্কৰ মাজতে ৰেজাউল কৰিম সৰকাৰে নিজৰ মন্তব্যৰ ওপৰত স্পষ্টীকৰণ দি দুখ প্ৰকাশ কৰিছে। তেওঁ কয় যে তেওঁৰ বক্তব্যক কিছুমানে ভুলভাৱে ব্যাখ্যা কৰিছে। তেওঁৰ লক্ষ্য হৈছে "বৰ অসম" গঢ়ি তোলা — শদিয়াৰ পৰা ধুবুৰীলৈকে, বৰাক উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈকে প্ৰকৃত উন্নয়নৰ জৰিয়তে সমন্বয় স্থাপন কৰি এক বৃহত্তৰ অসমীয়া জাতি গঠন কৰা। সৰকাৰে আৰু উল্লেখ কৰে যে, "মই কেতিয়াও শিৱসাগৰক ধুবুৰী বনাব বিচৰা নাই বা ধুবুৰীক শিৱসাগৰ বনাব বিচৰা নাই। মই কৈছিলোঁ যে শিৱসাগৰ, ধুবুৰীৰ দৰেই বঙাইগাঁও, বৰপেটা, তিনিচুকীয়া আদি সকলো অঞ্চলতে সমান উন্নয়ন হ'ব লাগিব। এনে সমান উন্নয়নৰ জৰিয়তে হে বৰ অসম সম্ভৱ হ'ব। মোৰ কথাটো আছিল সমন্বয় আৰু সকলোৰে মাজত সমতা সৃষ্টিৰ।" এই ঘটনাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে। বিভিন্ন ৰাজনৈতিক নেতা আৰু সামাজিক সংগঠনে এই মন্তব্যক স্পৰ্শকাতৰ বিষয় বুলি অভিহিত কৰি ইয়াৰ প্ৰভাৱ অসমৰ সামাজিক সম্প্ৰীতিৰ ওপৰত পৰিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

# বিফলতাৰ মাজতো সফলতাৰ

প্ৰচেষ্টাই অঞ্চলটোৰ শিক্ষা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত এক অভূতপূৰ্ব মাইলৰ খুঁটি স্থাপন কৰিছে। যদিও ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ PSLV-C62 ৰকেটৰ PS3 পৰ্যায়ত বিসংগতিৰ বাবে ১৫টা উপগ্ৰহকে ধৰি 'লাচিত-১'ও কক্ষপথত স্থাপন হ'ব পৰা নাই, তথাপি এই বিফলতাৰ বুকুত অসমৰ বাবে ৰচিত হৈছে এক সফলতাৰ ইতিহাস। কাৰণ এই উপগ্ৰহটো নিৰ্মাণ কৰি মহাকাশলৈ প্ৰেৰণৰ বাবে সম্পূৰ্ণ সাজু কৰি তোলাটোৱেই অসমৰ মেধা, সাহস আৰু দৃঢ়সংকল্পৰ জয়। অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ এক নিষ্ঠাৱান দলে হায়দৰাবাদস্থিত 'ধ্ৰুৱ স্পেচ'ৰ কাৰিকৰী সহযোগত এই এমেচাৰ ৰেডিঅ' কমিউনিকেচন উপগ্ৰহটো নিৰ্মাণ কৰিছে। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বক সন্মান জনাই নামকৰণ কৰা এই উপগ্ৰহটোৰ মূল উদ্যোক্তা আছিল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ফাদাৰ ড° জ'চ পালেলি আৰু গৱেষণা আৰু উন্নয়ন সঞ্চালক ড° বিক্ৰমজিত কাকতি। অধ্যাপক ড° দীনেশ বৈশ্যই কয়, "উত্তৰ-পূবৰ কোনো ৰাজ্য বা বিশ্ববিদ্যালয়ে এতিয়ালৈকে উপগ্ৰহ উৎক্ষেপণৰ সপোন দেখা নাছিল। আমি কেইবছৰীয়া পৰিশ্ৰমৰ জৰিয়তে এই সপোনক বাস্তৱলৈ ৰূপ দিছোঁ। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ইছৰোত প্ৰশিক্ষণ লৈ নিজে সকলো কাম শিকিছে।" পঞ্জীয়ক জাকাৰিয়া জৰ্জে যোগ কৰে যে, "এইটো কেৱল অসমৰ নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম বেচৰকাৰী উপগ্ৰহ। অসমৰ লগতে অৰুণাচল, মেঘালয়, মণিপুৰ আৰু নাগালেণ্ডৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকল এই অভিযানত জড়িত আছিল।" অভিযানৰ নেতৃত্ব দিয়া ছাত্ৰী সুভাষণা বৰুৱাই আনন্দ প্ৰকাশ কৰি কয়, "উত্তৰ-পূবৰ পৰা এনে পদক্ষেপ লোৱাটো আমাৰ বাবে গৌৰৱৰ কথা। ড° বিক্ৰমজিত কাকতি চাৰৰ পৰিকল্পনা আৰু নিৰ্দেশনাই আমাক এই সফলতাৰ কাষ চাপিবলৈ সক্ষম কৰিছে। আশা কৰোঁ ভৱিষ্যতে আৰু বহুতো ছাত্ৰ-ছাত্ৰীয়ে মহাকাশ বিজ্ঞানৰ পথ বাছি ল'ব।" 'লাচিত-১' মূলতঃ এটা এমেচাৰ ৰেডিঅ' যোগাযোগ উপগ্ৰহ। ইয়াৰ প্ৰধান কাৰ্য হ'ল-প্ৰাকৃতিক দুৰ্যোগ (বানপানী, ভূঁইকঁপ, ভূস্খলন আদি)ৰ সময়ত সাধাৰণ যোগাযোগ ব্যৱস্থা বিঘ্নিত হ'লে জৰুৰীকালীন বাৰ্তা আদান-প্ৰদান, বায়ুমণ্ডলীয় আৰু পৰিৱেশ সম্পৰ্কীয় বৈজ্ঞানিক তথ্য সংগ্ৰহ (প্ৰায় ১২ মাহৰ বাবে)। শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা সোমবাৰে পুৱা প্ৰায় ১০: ১৭ বজাত PSLV-C62 ৰকেটৰ জৰিয়তে উৎক্ষেপণ কৰা হৈছিল। কিন্তু PS3 পৰ্যায়ৰ শেষত বিসংগতিৰ বাবে ৰকেটটোৱে লক্ষ্যত উপনীত হ'ব পৰা নাই। ইছৰোৱে এই সমস্যাৰ বিশদ তদন্ত আৰম্ভ কৰিছে বুলি জানিবলৈ দিছে। উল্লেখ্য যে বিশ্ববিদ্যালয়ৰ সোণাপুৰ কেম্পাছত এটা অত্যাধুনিক ভূমি কেন্দ্ৰ (Ground Station) স্থাপন কৰা হৈছে, যিয়ে ভৱিষ্যতে এনে অভিযানসমূহৰ বাবে সহায়ক হ'ব। এই অভিযানে প্ৰমাণ কৰিলে যে সদিচ্ছা, পৰিকল্পনা আৰু অধ্যৱসায় থাকিলে অসমৰ শিক্ষানুষ্ঠানসমূহেও বিশ্বমানৰ মহাকাশ গৱেষণাত অংশগ্ৰহণ কৰিব পাৰে। 'লাচিত-১'ৰ এই পদক্ষেপে অসমৰ যুৱ প্ৰজন্মক মহাকাশ বিজ্ঞানৰ দিশত নতুন অনুপ্ৰেৰণা যোগাব বুলি বিশেষজ্ঞসকলে আশা প্ৰকাশ কৰিছে।

# শিৱসাগৰক ধুবুৰী কৰিব

বিধানসভা সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে কংগ্ৰেছ দলত যোগদান কৰা প্ৰাক্তন আটাই অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ (এ আই এম এছ ইউ) সভাপতি ৰেজাউল কৰিম সৰকাৰৰ বিতৰ্কিত মন্তব্যৰ তীব্ৰ সমালোচনা কৰে। অখিল গগৈয়ে কয় যে শিৱসাগৰ আৰু ধুবুৰীৰ নিজা ঐতিহাসিক, সাংস্কৃতিক ঐতিহ্য আৰু সমৃদ্ধিৰে ভৰপুৰ পৰিচয় আছে। "শিৱসাগৰক কোনেও ধুবুৰী কৰিব নোৱাৰে আৰু ধুবুৰীকো কোনেও শিৱসাগৰ কৰিব নোৱাৰে" - এই কথাৰে তেওঁ স্পষ্ট কৰে যে দুয়োটা অঞ্চলৰ স্বকীয়তাক সন্মান কৰিব লাগিব। তেওঁৰ মতে ৰেজাউল কৰিম সৰকাৰে কৰা বক্তব্য ভুল আৰু ইয়াৰ বাবে তেওঁৰ বক্তব্য উঠাই ল'ব লাগিব লগতে ৰাইজৰ ওচৰত ক্ষমা বিচাৰিব লাগিব। বিধায়ক গগৈয়ে আৰু উল্লেখ কৰে যে এনে বক্তব্যই সাম্প্ৰদায়িক বিজেপি আৰু আৰ এছ এছক পৰোক্ষভাৱে সহায় কৰে। "যি বক্তব্যই বিজেপি-আৰ এছ এছক সহায় কৰিব, সেই বক্তব্য কেতিয়াও গ্ৰহণযোগ্য নহয়"- বুলি তেওঁ কয়। তেওঁ কংগ্ৰেছ দলকো সমালোচনা কৰি কয় যে এনে ধৰণৰ বক্তব্যৰ বাবে মঞ্চত অনুমতি নিদিব লাগিছিল। প্ৰসংগক্ৰমে অখিল গগৈয়ে পূৰ্বতে এ আই ইউ ডি এফৰ প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে অসমত "লুঙি-টুপিৰ চৰকাৰ" গঠনৰ কথা কৈ বিজেপিক পৰোক্ষভাৱে সহায় কৰাৰ দৰে ৰেজাউল কৰিম সৰকাৰৰ বক্তব্যইও সাম্প্ৰদায়িক শক্তিবোৰক সহায় কৰিব বুলি মন্তব্য কৰে। সভাত মুখ্য অতিথি হিচাপে ভাষণ দি অখিল গগৈয়ে আহ্বান জনায় যে অহা বিধানসভা নিৰ্বাচনত সাম্প্ৰদায়িক বিজেপি আৰু এ আই ইউ ডি এফক উভালি ব্ৰহ্মপুত্ৰত দলিয়াই পেলাব লাগিব। তেওঁ অভিযোগ কৰে যে বিজেপি চৰকাৰৰ আমোলত অসমত অশান্তিৰ পৰিৱেশ সৃষ্টি হৈছে। নামনি অসমৰ দিনহাজিৰাৰ শ্ৰমিকসকলে উজনি অসমলৈ যাওঁতে ভয় কৰিবলগীয়া হৈ পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নামনি অসমত "বিদেশী, বিদেশী" বুলি চিএৰি ফুৰে যদিও উজনি অসমত একে কথা ক'বলৈ দপদপনি নাই বুলি উল্লেখ কৰি অখিল গগৈয়ে কয় যে ৰাইজৰ দলৰ মিত্ৰজোঁট চৰকাৰ গঠন হ'লে হিমন্তক "লেকাম লগাই ঠাণ্ডা" কৰা হ'ব। তেওঁ হাস্যৰসৰ সৈতে কয় যে "হিমন্তক ঠাণ্ডা কৰা মানুহ অখিল গগৈৰ বাহিৰে অসমত আন কোনো নাই" আৰু "হিমন্তই তেওঁৰ পানী খোৱাই দিয়া বাবেই ভয় কৰে।" উল্লেখ্য যে কংগ্ৰেছৰ সৈতে ৰাইজৰ দলৰ মিত্ৰজোঁটৰ আলোচনা প্ৰায় সম্পূৰ্ণ হৈ আহিছে। জানুৱাৰী মাহতে আসন বণ্টনৰ আলোচনা হ'ব বুলি জানিবলৈ দিয়াৰ লগতে গৌৰীপুৰ বিধানসভা সমষ্টি ৰাইজৰ দলে বিচাৰি দাবী কৰিছে বুলি অখিল গগৈয়ে উল্লেখ কৰে। উক্ত সভাত প্ৰায় সহস্ৰাধিক লোকৰ উপস্থিতি আছিল। এই সভাই ২০২৬ৰ নিৰ্বাচনী ৰাজনীতিত নতুন মোৰ দিছে বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

# ভোগৰ ভোগজৰা লৈ আজি

গুৱাহাটীকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বজাৰত উভৈনদী হৈ পৰিছে ভোগৰ সামগ্ৰী। বিশেষকৈ পিঠা-পনা, দৈ, গুড়কে ধৰি থলুৱা অসমীয়া খাদ্য সম্ভাৰেৰে ভৰি পৰিছে বজাৰ। পৰম্পৰা ৰক্ষাৰ তাগিদাত নগৰাঞ্চলৰ অসমীয়াই ঢাপলি মেলিছে বজাৰলৈ। লাডু-পিঠা, কোমল চাউল, জহা চাউল, চিৰা, সান্দহ গুড়ি, মালভোগ চিৰা, জহা-বৰা চিৰা, বকুল-বৰা চিৰা, মাহকৰাই, বৰা ভজা, আঢ়ৈ চাউল ভজা, চকোৱা চাউল, জেং পিঠা, পানী টেঙা খাৰলি, জুলীয়া মিঠৈ, গুড়, দৈৰ গোন্ধত আমোলমোলাইছে চৌদিশ। গুৱাহাটীৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত ভোগালীৰ মেলাসমূহো গ্ৰাহকৰ বাবে হৈ পৰিছে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। বিহুৰ বাবে পিঠা-পনা ক্ৰয় কৰিবলৈ বিহুলিয়া ৰাইজে ঢাপলি মেলিছে ভোগালীৰ মেলাসমূহলৈ। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আত্মসহায়ক গোট, ব্যৱসায়িক প্ৰতিষ্ঠানে গ্ৰাহকৰ সন্মুখলৈ উলিয়াই দিছে থলুৱা খাদ্য সম্ভাৰ। পিচপৰি ৰোৱা নাই গুৱাহাটীৰ পদপথৰ বজাৰসমূহো। মাঘ বিহুৰ প্ৰতি লক্ষ্য ৰাখি গণেশগুৰি, খানাপাৰা, উলুবাৰী, নুনমাটি, ছয়মাইল, আমবাৰী আদি অঞ্চলৰ পদপথত ব্যৱসায়ীসকলে ৰাইজৰ বাবে মেলি দিছে ভোগৰ সামগ্ৰী। বৰপেটা, কামৰূপ, নাগ্ৰীজুলি, মঙলদৈ, ভেৰগাঁও, টিপাম, গহপুৰ, ৰামদিয়া, সৰভোগ, নলবাৰী আদিৰ পৰা গুৱাহাটীলৈ আমদানি হৈছে বিধে বিধে সামগ্ৰী। নগাঁও, দেৰগাঁৱৰ পৰা আহিছে গুড়। টিপামৰ পৰা আমদানি হৈছে ঢেঁকীৰ চিৰা-হুকম। মঙলদৈৰ পৰা গুৱাহাটীৰ বজাৰলৈ আহিছে জুলীয়া মিঠৈ। ৰামদিয়া আৰু সৰভোগৰ পৰা আমদানি কৰা হৈছে গৰু আৰু ম'হৰ দৈ। গহপুৰৰ পৰা বিক্ৰীৰ বাবে অনা হৈছে নাৰিকল। বৰপেটাৰ পৰা আমদানি হৈছে মাহ-তিল, বৰা চাউল। কোমল চাউল অনা হৈছে জামুগুৰিৰ পৰা। আনহাতে হেঙেৰাবাৰীকে ধৰি গুৱাহাটীৰ কেইবাটাও উদ্যোগত প্ৰস্তুত হোৱা পেকেটিং পিঠা-পনা, লাড়ু, চিৰা বিক্ৰী হৈছে বজাৰত। কেৱল সেয়ে নহয়, ধানখেৰ, নৰাৰে প্ৰস্তুত কৰা মেজিও বিক্ৰী হৈছে গুৱাহাটীৰ পদপথত। ভোগালীৰ সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ধামখুমীয়াই গ্ৰাহকক কিছু পৰিমাণে ব্যতিব্যস্ত কৰিলেও বাপতি সাহোন বিহুটিক আদৰিবলৈ যেন অকণো কৃপণালি কৰিব বিচৰা নাই বিহুপ্ৰাণ অসমীয়াই। মুঠৰ ওপৰত বজাৰৰ পৰা ভোগৰ সামগ্ৰী সংগ্ৰহ কৰি চহৰাঞ্চলৰ ৰাইজে পৰম্পৰা ৰক্ষা কৰিবলৈ প্ৰস্তুতি চলাইছে। উৰুকাৰ নিশাৰ বাবে হাঁহ, পাৰ, কুকুৰা, ছাগলীৰ মাংস, ৰৌ, ভকুৱা, চিতল, আৰি আদি মাছ গ্ৰাহকৰ বাবে উলিয়াই দিবলৈ প্ৰস্তুতি চলাইছে বিক্ৰেতাসকলে। ৰৌ, আৰি, চিতল আদি বিভিন্ন মাছেৰে উপচি পৰিব মাছৰবজাৰ।

# ভোগালীৰ প্ৰাকমুহূৰ্তত

টোলগেট। ৰাইজৰ মূৰত মাধমাৰ শোধাবলৈ মাঘৰ উৰুকাৰ প্ৰাকক্ষণত কোনো ধৰণৰ আগতীয়া জাননী নিদিয়াকৈ হঠাতে সোমবাৰে মুকলি হ'ল দেৰগাঁৱৰ ৰঙামাটি টোল গেট। যাৰ বাবে বিপদত পৰা পৰিলক্ষিত হ'ল পথটোৰে যাতায়াত কৰা বাহন সমূহৰ চালকসকলক। এতিয়াৰে পৰা উজনি বা নামনিলৈ যাঁওতে প্ৰতিখন বাহনৰ চালকে ল'ব লাগিব আন এখন নতুন টোলগেটৰ টোল কৰৰ বোজা। যি সময়ত জনতাই পথৰ দুৰৱস্থাৰ বাবে যমৰ যাতনা ভুগিছে সেই সময়ত চৰকাৰৰ লক্ষ্য হৈ পৰিছে টোলগে'টৰ যোগেদি কৰ সংগ্ৰহ কৰা। ৰাজ্যৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ জৰাজীৰ্ণৰূপে সৰ্বসাধাৰণ জনতাক সংকটত পেলোৱাৰ সময়ত টোল কৰ সংগ্ৰহত অলপো কৃপণালি কৰা নাই ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে। আনহাতে টোলগেটখন আৰম্ভ হোৱাৰ দিনটোতেই টোলগেটৰ কৰ্মচাৰীয়ে চালকৰ অনুজ্ঞাপত্ৰ কাঢ়ি লোৱাৰ অভিযোগোত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰো। উত্তপ্ত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আহি কেমেৰা দেখি পলায়নো কৰে টোলগেটখনৰ কৰ্মচাৰীয়ে। উত্তপ্ত পৰিস্থিতিৰ মাজতেই আটছাৰ এটা বৃহৎ দলে টোলগেট বন্ধ কৰাৰ দাবীত বৃহৎ প্ৰতিবাদী কাৰ্যসূচীও ৰূপায়ণ কৰে। সমান্তৰালভাৱে টোলগেটখনৰ পৰা বিশ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ বাণিজ্যিক বাহনসমূহৰ গৰাকীসকলে টোল কৰ ৰেহাই দিয়াৰো দাবী উত্থাপন কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। বিভিন্ন দল সংগঠনৰ ধাৰাবাহিক প্ৰতিবাদকো বৃদ্ধাঙ্গুষ্ঠ দেখুৱাই চৰকাৰ যে নিজৰ মতত অটল সেয়া পুনৰবাৰ প্ৰকাশ কৰিলে নতুন টোলগেট মুকলি কৰি। আৰম্ভণিৰ দিনাই কৰ্মচাৰীৰ ব্যৱহাৰ আৰু সামগ্ৰীক পৰিস্থিতি অধ্যয়ন কৰি অনাগত সময়ত এই টোলগেটখন যে বাতৰিৰ শিৰোনাম হৈয়েই থাকিব সেয়া নিশ্চিত।

# মাঘ বিহু আৰু আমি

যেতিয়া কথা ক'ব শিকা নাছিল, তেনেকুৱা সময়তো মনৰ উচ্ছাস প্ৰকাশৰ বাট নিৰ্মাণ হৈছিল মনৰ ভিতৰত গোটখোৱা আৱেগেৰে।

এদিন আৱেগ প্ৰকাশৰ মাধ্যমো সন্মুখত উপস্থিত হৈছিল। মানুহে কথা ক'বলৈ শিকিলে, গান গাবলৈ শিকিলে আৰু তাক লিখিত ৰূপ দিবলৈ শিকিলে। গীত আৰু কবিতাত জীৱন্ত ৰূপ দিলে জীৱনৰ প্ৰতিচ্ছবিৰ। তেনেকৈয়ে এদিন আৰম্ভ হৈছিল পূৰ্বোত্তৰ ভূ খণ্ডত এটি লোক পৰম্পৰাৰ। যাক পৰৱৰ্তী সময়ত নামকৰণ কৰা হৈছিল 'বিহু' বুলি। গীত আৰু নৃত্যৰ সমাবেশত বসন্তোৎসৱ বা ৰঙালী বিহুৰ প্ৰভাৱ অসমীয়া জাতিৰ জীৱন ৰেখাত অধিক গুৰুত্বপূৰ্ণ যদিয়ো, মাঘ বিহুৰ আদৰো কম নহয়। যদিহেএই কথা নিশ্চিত হয় যে বিহু কৃষিভিত্তিক উৎসৱ, তেন্তে যুক্তিৰ তুলাচনীত মাঘ বিহু আৰু কাতি বিহুৰ প্ৰাচীনত্ব অধিক হ'ব। কিয়নো আদিম সমাজত কৃষিৰ আৱিষ্কাৰে তাৰ সংৰক্ষণৰ প্ৰশ্নও অৱতাৰণা কৰিব। পোক-পতংগ আৰু বিভিন্ন তৃণভোজী জন্তুৰ আক্ৰমণৰ পৰা গাখীৰতী ধাননিৰ বিপন্নতা প্ৰতিহত কৰিবলৈ আদিম কৃষিভিত্তিক সমাজখনে ধাননি পথাৰত বন্তি জ্বলোৱাৰ পৰম্পৰা সৃষ্টি কৰিছিল। তাৰ পিছৰ পৰ্য্যায়ত পূৰ্ণতা প্ৰাপ্ত শষ্য তলীত বৃহৎ আকাৰৰ অগ্নি প্ৰজ্বলিত কৰি বৃহৎ বৃহৎ তৃণভোজী প্ৰাণীক আঁতৰত ৰখাৰ চিন্তাও সেই সমাজেই উদ্ভাৱন কৰিছিল। সেই বাবেই আজিৰ সমাজ বিজ্ঞানী সকল মাঘ বিহুৰ পৰম্পৰা তেনেকুৱা পটভূমিতেই সৃষ্টি হৈছিল বুলি এক মতত উপনিত হৈছে।

পৰিবৰ্তিত সময়ৰ বোকোচাত মাঘ বিহুৰ ছবিখনৰ আমূল পৰিৱৰ্তন দেখা পাইছোঁ। আমি বিগত শতিকাৰ সত্তৰৰ দশকৰ মানুহ সকলে এই পৰিবৰ্তনৰ কথা ভালকৈয়ে উপলব্ধি কৰিব পাৰিব। তেতিয়া বছৰেকীয়া পৰীক্ষা হৈছিল ডিচেম্বৰত পৰীক্ষা শেষ হোৱাৰ পিছতেই আমি পঢ়া শুনাৰ বান্ধোনৰ পৰা মুক্ত হৈছিলোঁ। তাৰ পিছতেই চেমনীয়া আৰু কিশোৰৰ সকলে হাতে হাতে কাঁচি লৈ আবেলি নামি পৰিছিলোঁ পথাৰত। লগত লৈ গৈছিলোঁ মহৰ শিঙৰ পেঁপা। নৰা কটাৰ লগে লগে বিভিন্ন ধৰণৰ স্ফুৰ্তি কৰিছিলোঁ। আমি ঘৰলৈ যোৱাত পলম হ'লে ঘৰৰ মানুহে প্ৰায়েই হাতত লেম্প লৈ বিচাৰি আহিছিল পথাৰলৈ। কেতিয়াবা কোনোৱে ডাঙৰৰ হাতত দুই এচাঁত খোৱাটো কোনো ডাঙৰ কথা নাছিল।

এমাহ নৰা কাটি তিনি চাৰিটা দম লগাইছিলোঁ। দোমাহীৰ পৰা দহ দিনমান থকোঁতেই আৰম্ভ হৈছিল বাঁহ কটা কামটো। কিছুমানৰ বাৰীত বাঁহ নাছিল। তেৰোঁলোকৰ পৰা টকা দাবী কৰা হৈছিল। দুটকা-তিনিটকা যি দিয়ে, সেয়া আমাৰ পূঁজি হৈছিল। তাৰে বিস্কুট কিনি আনি ভেলা পুজি আৰু ভেলাঘৰ সজা দিন কেইটাত চাহৰ লগত খাইছিলোঁ। চাওঁতে চাওঁতে ওঁঠৰ-বিশ হাত ওখ ভেলাপুজিবোৰে আকাশলৈ মূৰ তুলি থিয় দিছিল। আটাইতকৈ ওখটোৰ কাষত আৰু তিনি বা চাৰিটা পূজি সজা হৈছিল। আটাইতকৈ ওখটোক ধৰ্মপূজি আৰু বাকীবোৰ ক্ৰমে কৰ্ম, পিতা, পুত্ৰ বুলি নাম দিয়া হৈছিল। তাৰ মাজতে প্ৰতিখন গাঁৱৰ মাজত অঘোষিত প্ৰতিযোগিতা হৈছিল কাৰ মেজি কিমান ওখ হয়।

মেজি সম্পূৰ্ণ হোৱাৰ পিছত সজা হয় ভেলাঘৰ। উৰুকাৰ আবেলিতে সকলো কাম সম্পন্ন কৰি যোগাৰ কৰা হয় দল ভাতৰ। তাত সকলো বয়সৰ মানুহে হাত উজান দিয়ে। উৰুকাৰ দিনা দিনৰ ভাগতে বা তাৰ আগদিনাই ঘৰে ঘৰে চুঙা পিঠা পোৰা হয়। ৫০ - ১০০টা চুঙা পিঠা নহ'লে বিহুৰ মজাই নাথাকে। উৰুকাৰ ৰাতি ঘৰৰ মা হঁতে তিল পিঠা, ঘিলা পিঠা, মাহকৰৈ, মুড়ীৰ লাৰু, নাৰিকলৰ লাৰু বানোৱাত ব্যস্ত হৈ পৰে। অৱশ্যে তিন-চাৰিদিন আগতেই ঢেকিৰ চাব মাৰি মাৰি চিৰা আৰু গুড়ি সান্দহ খুন্দি লেঠাটো মাৰি থয়। জীয়ৰী-বোৱাৰীহঁতে দলভাত খোৱাৰ আগে-পিছে ঘৰ-কাঠি, চোতাল মচাত ব্যস্ত হৈ পৰে। গাঁৱৰ বহুত মানুহৰ ঘৰ, চোতাল, নঙলা ইমানেই ডাঙৰ যে ৰাতি পোহৰ হোৱালৈকে মচি শেষ নহয়।

ৰাতিপুৱা পোহৰ নৌ হওঁতেই আমি ল'ৰাবোৰে গা-পা ধুই সাজু হওঁ, মেজিত জুই দিবলৈ। তাৰ মাজতে তিল, চাউল আদিৰে অগ্নি দেৱতাক পূজা কৰা হয়। কণী যুঁজ পতা হয়। মেজিবোৰ পুৰি শেষ হোৱাৰ পিছত পূজিৰ গুৰিতে ঠাই অকণ চাফ-চিকুণ কৰি ঠগি দিয়া হয় আৰু নাম প্ৰসংগ চলে দুপৰীয়ালৈকে। তাৰ পিছতে আৰম্ভ হয় সেৱা পৰ্ব। সৰুবোৰ যায় - পিতৃ-মাতৃ, ককা, বৰ দেউতা, বৰ মা হঁতক সেৱা কৰি আশীৰ্বাদ ল'বলৈ। পত্নীয়ে পতি, শাহু-শহুৰ, বৰজনা, বৰ জা আদিৰ চৰণ তলত নিজৰ অহংকাৰ, অসূয়া, অপ্ৰীতি এৰি থৈ আহে। ডাঙৰোৱে সকলো পাহৰি নতুন সম্পৰ্ক এটা সুখময় কৰি তোলাৰ কথা ভাবে। তাৰ পিছত চলে দৈ, চিৰা, গুৰ, পিঠা খোৱাৰ পৰ্ব। সকলোৱে খোৱাৰ পিছত গাঁৱৰ গোসাঁই ঘৰৰ চোতালত বহে মিটিং - গাঁৱৰ পুৰণি হিচাব-নিকাচ আৰু ভৱিষ্যতে কৰিব লগা কামৰ পৰিকল্পনা।

সেয়াই আছিল আমাৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ বছৰবোৰৰ মাঘ বিহুৰ ৰূপৰেখা। বছৰ বাগৰাৰ লগে লগে সেইবোৰৰ বৰ্তমান হেৰাই গ'ল। গাঁওবোৰতো নগৰৰ বতাহে আউল লগালে। আগৰ সেই দিনবোৰৰ দৰে নৰা কটা, মেজি সজাৰ মাদকতা আৰু উৎসাহ ম্লান পৰিল। আজিৰ ল'ৰাই নৰা কাটিবলৈ এলাহ কৰে। বহুতে আকৌ বিভিন্ন ডিজাইনত ভেলাঘৰ সাজে, প্ৰচাৰ লাভৰ বাবেহে। ঢেকিৰ চাব শুনিবলৈ নোহোৱা হ'ল। দলভাতত অনেক আইটেমৰ লগতে সুৰাৰ পয়োভৰ অধিক। বৰ্তমান গাঁৱৰ প্ৰায়বোৰ কিশোৰ আৰু যুৱকে একো সংকোচ নকৰাকৈ সেইবোৰ উপভোগ কৰে। অতি আধুনিক দুই-এটা ঘৰত সকলোৱে হাতে হাতে সুৰা লৈ ভোগালী উদযাপন কৰাও দেখিছোঁ। লাৰু, পিঠা, চিৰা বনোৱা অভ্যাস নাইকিয়া হৈছে। সকলো বজাৰত উপলব্ধ যেতিয়া ইমান কষ্ট কৰি কোন মৰে? বহুত বাৰ মাঘ বিহুৰ সময়ত গাঁৱলৈ গৈছোঁ, কিন্তু চুঙা পিঠা খাবলৈ পোৱা নাই। বাকীবোৰ সাধাৰণ ভাবে চলি আছে। ডাঙৰৰ আশীৰ্বাদ বিচৰা মানুহৰ সংখ্যাটো ক্ৰমশঃ বিলুপ্তিৰ পথত।

তথাপিও সমন্বিত সংস্কৃতিৰ বৃহৎ ৰূপ হৈছে অসমৰ বিহু। বিহু হৈছে অসমৰ জনজীৱনৰ এক দলিল। ৰঙালী, ভোগালী বা কঙালী - যিয়েই নহওক আটাইকেইটা বিহুৰ প্ৰভাৱ আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত অনবদ্য।

বালিভৰ্তি ডাম্পাৰ চলাচল বন্ধৰ দাবীত জিলা আয়ুক্তলৈ প্ৰেছক্লাব, আছু, আমছুৰ স্মাৰকপত্ৰ

# গৰৈমাৰীৰ বৰভিঠাত মথাউৰিৰ ওপৰৰ পৰা ডাম্পাৰ তলত পৰি মাতৃ-কন্যাৰ মৃত্যু



**অসম বাৰ্তা, ছয়গাঁও, ১২ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত বৰভিঠাত যোৱা নিশা অবৈধভাৱে বালি কঢ়িওৱা ডাম্পাৰ এখনে মথাউৰিৰ তলত পৰি মাতৃ আৰু এটি কন্যা শিশুৰ শোকাৱহ মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। জানিব পৰামতে দক্ষিণ কামৰূপৰ ব্ৰহ্মপুত্ৰৰ পৰা অবৈধভাৱে খনন কৰা বালি কঢ়িওৱা এ এছ-০১, এফ চি-১১৬৯ নম্বৰৰ ডাম্পাৰখনে যোৱা নিশা নিয়ন্ত্ৰণ হেৰুৱাই গৰৈমাৰীৰ বৰভিঠাৰ হাছেন আলীৰ ঘৰৰ ওপৰত বাগৰি পৰে। ফলত নিশা টোপনিত থকা পৰিয়ালটোৰ ৫জন লোক ডাম্পাৰৰ তলত আবদ্ধ হৈ পৰে। এইখিনিতে উল্লেখযোগ্য যে নিশা হোৱাৰ লগে লগে শ শ জাম্পাৰে বালি মাটি কঢ়িওৱাৰ ফলত অতিষ্ঠ হৈছে এই অঞ্চলৰ জনসাধাৰণ। যাৰ ফলত সংঘটিত হয় যোৱা নিশাৰ শোকাৱহ ঘটনাটো। ঘটনাৰ খবৰ পোৱা মাত্ৰকে গৰৈমাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আব্দুল মোমিন, ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱৰা, কুকুৰমাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৈলাস কুমাৰ বৰ্মন, জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অঞ্জন শৰ্মা, সোণতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অপূৰ্ব কলিতা, ছমৰীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিখাব বৰা, জামবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰেবাৰ্ট শইকীয়া সহ আৰক্ষীৰ বিশাল দল এটাই নিশাই ততাতৈয়াকৈ বৰভিঠাত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত ক্ৰেইন গাড়ীৰ জৰিয়তে প্ৰায় তিনি ঘণ্টা ধৰি আৱদ্ধ হৈ থকা পৰিয়ালটোক আপ্ৰাণ প্ৰচেষ্টাৰ ফলত উদ্ধাৰ কৰে। ডাম্পাৰৰ তলৰ পৰা হাছেন আলীৰ পত্নী ছালেহা খাতুন (২৪) তিনি কন্যা ক্ৰমে- নাজমা খাতুন (৩), হাছিনা খাতুন (৭), ডেৰ বছৰীয়া শিশু তাছলিমা খাতুন আৰু ছালাম আলীৰ কন্যা ফুল ভানু (১৮)ক উদ্ধাৰ কৰি গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। চিকিৎসালয়ত পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত মাতৃ-কন্যা ক্ৰমে—ছালেহা খাতুন আৰু নাজমা খাতুনৰ ইতিমধ্যে মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। ইফালে আহত আন তিনিগৰাকী বৰ্তমানো চিকিৎসাধীন হৈ আছে। ঘটনাৰ খবৰ পোৱাৰ পিছতে মাজ নিশাই ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত উপস্থিতি হৈ পৰিস্থিতিৰ বুজ লয়। শোকাৱহ দুৰ্ঘটনাটোক বিধায়কগৰাকীয়ে দুৰ্ভাগ্যজনক আখ্যা দি বিগত কিছুদিন ধৰি ই এণ্ড ডি মথাউৰিত ডাম্পাৰৰ উৎপাত বৃদ্ধি পোৱাত সাধাৰণ জনতালৈ ভাবুকি অনা বুলিও কয়। বালিভৰ্তি ডাম্পাৰে গৰৈমাৰী অঞ্চলত এক উচ্ছৃংখলৰ সৃষ্টি কৰা বুলি বিধায়ক ৰেকিবুদ্দিন আহমেদে উল্লেখ কৰে। শোকাৱহ দুৰ্ঘটনাত মৃত পৰিয়ালটোক বিধায়কগৰাকীয়ে সমবেদনা জ্ঞাপন কৰে। ইপিনে গৰৈমাৰী আৰক্ষীয়ে ডাম্পাৰৰ চেপাত পৰি মৃত্যু হোৱা মাতৃ-কন্যাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাত মাতৃ-কন্যাৰ শোকাৱহ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখযোগ্য যে -অবৈধ ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰিছে ৰাইজ। পশ্চিম কামৰূপ বনসংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ অন্তৰ্গত জাহিৰপুৰ, বৰভিঠা অঞ্চলত বিগত কিছু বছৰ ধৰি খৰালিকালত ব্ৰহ্মপুত্ৰত দিনে-নিশাই এটা শক্তিশালী চক্ৰই বালি খনন কাৰ্য চলাই আহিছে। বিশেষকৈ নিশাৰ ভাগত ডাম্পাৰৰ দৌৰাত্ম্যত বৃহত্তৰ অঞ্চলবাসী অতিষ্ঠ হৈ পৰিছে। গৰৈমাৰী অঞ্চলত বালিভৰ্তি ডাম্পাৰৰ চলাচল বন্ধ কৰাৰ বাবে বিভিন্ন দল-সংগঠনে দাবী উত্থাপন কৰিও কোনোধৰণৰ সুফল পোৱা নাই। ফলত অঞ্চলটোত দুৰ্ঘটনাৰ প্ৰকোপ বৃদ্ধি পাইছে। **গৰৈমাৰীত বালিভৰ্তি ডাম্পাৰ চলাচল বন্ধৰ দাবীত জিলা আয়ুক্তলৈ প্ৰেছ ক্লাব, আছু, আমছুৰ স্মাৰকপত্ৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত অবৈধভাৱে ব্ৰহ্মপুত্ৰৰ বালিখনন কাৰ্যৰ লগতে ডাম্পাৰৰ চলাচল বন্ধৰ দাবীত আজি প্ৰেছ ক্লাব, আছু, আমছুৱে দাবী উত্থাপন কৰিছে। উল্লেখ্য যে পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ অন্তৰ্গত জাহিৰপুৰ, বৰভিঠা আৰু গুমী অঞ্চলত চৰকাৰী নিয়ম উলংঘা কৰি একাংশ বালি মাফিয়াই ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ নিচেই কাষত জে চি বি আৰু ডাম্পাৰেৰে দিনে-নিশাই অবৈধভাৱে বালি-মাটি খনন আৰু সৰবৰাহ কৰি আহিছে। এই অনিয়ন্ত্ৰিত খননৰ ফলত বাৰিষাত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ তীব্ৰ আশংকা বৃদ্ধি পোৱাৰ লগতে ই এণ্ড ডি মথাউৰিলৈ ভাবুকি সৃষ্টি কৰে। জানিব পৰামতে ব্ৰহ্মপুত্ৰৰ অবৈধ বালিখননৰ ফলত যোৱা নিশা বৰভিঠা গাঁৱৰ অতিকৈ দৰিদ্ৰ হাছেন আলীৰ বাসগৃহত দ্ৰুতবেগী ডাম্পাৰ এখন নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। ফলত হাছেন আলীৰ পত্নী আৰু কন্যাৰ শোকাৱহ মৃত্যু হয়। ডাম্পাৰৰ চেপাত পৰিয়ালটোৰ আন তিনিদন লোক গুৰুতৰভাৱে আহত হয়। গৰৈমাৰী অঞ্চলত অনিয়ন্ত্ৰিতভাৱে চলি থকা ডাম্পাৰ তথা ব্ৰহ্মপুত্ৰ বালিখনন বন্ধ কৰাৰ লগতে দুৰ্ভোগীয়া দৰিদ্ৰ পৰিয়ালটোক চৰকাৰীভাৱে একঁকালীন আৰ্থিক সাহায্য প্ৰদান কৰাৰ দাবীত জি কে এছ প্ৰেছ ক্লাব, পূৱ ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থা আৰু গৰৈমাৰী আঞ্চলিক সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ তৰফৰ পৰা পৃথকে গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে কামৰূপ জিলাৰ আয়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে।

## গণকপাৰা হোহুৱাৰ যুবক সন্ধানহীন

**অসম বাৰ্তা, ছয়গাঁও, ১২ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত গণকপাৰা হোহুৱাৰ দ্বীপজ্যোতি কলিতা নামৰ এজন যুৱক সন্ধানহীন হৈছে। যোৱা ৬ জানুৱাৰীৰ দুপৰীয়া প্ৰায় ১২ বজাত চাইকেলেৰে ঘৰৰ পৰা ওলাই যোৱাৰ পিচত আৰু ঘৰলৈ ঘূৰি নাহিল ২২ বছৰীয়া যুৱক দ্বীপজ্যোতি কলিতা। ইতিমধ্যে পৰিয়ালৰ লোকে ওচৰ চুবুৰীয়াৰ লগতে আত্মীয় সৃজনৰ ঘৰত বিচাৰিও যুৱকজনৰ কোনো সন্ধান নাপালে। এই সন্দৰ্ভত যুৱকজনৰ পিতৃ ধন কলিতাই ছয়গাঁও আৰক্ষী থানাত লিখিতভাৱে জনাইছে। ছয়গাঁও আৰক্ষীয়েও যুৱকজনৰ সন্ধান অব্যাহত ৰাখিছে যদিও আৰক্ষীয়ে এতিয়ালৈকে যুৱকজনৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। প্ৰায় ৫ ফুট ওখ, পিন্ধনত বগা হাফপেণ্ট আৰু কলা লংপেণ্ট পৰিহিত যুৱকজনৰ যদি কোনোবাই সন্ধান পাই তেতিয়া ওচৰৰ আৰক্ষী থানা নাই বা ৬৯০০১৩৯৬০১ এই নম্বৰত জনাবলৈ অনুৰোধ জনাইছে।

নলবাৰী জিলা সংখ্যালঘু বিভাগ কংগ্ৰেছ কমিটিৰ সহযোগত আৰু বৰক্ষেত্ৰী ব্লক সংখ্যালঘু বিভাগৰ উদ্যোগত অৱস্থান ধৰ্মঘট

# বৰক্ষেত্ৰীত ভোটাৰ তালিকাৰ খচৰাৰ পুনৰীক্ষণত খেলি-মেলিৰ অভিযোগ কংগ্ৰেছৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুকালমুৱাত আজি নলবাৰী জিলা সংখ্যালঘু বিভাগ, কংগ্ৰেছ কমিটীৰ সহযোগত আৰু বৰক্ষেত্ৰী ব্লক সংখ্যালঘু বিভাগ, কংগ্ৰেছ কমিটীৰ উদ্যোগত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা ১১ বজাৰ পৰা আবেলি ১ বজালৈ মুকালমুৱাস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীৰ জৰিয়তে এছ আৰৰ যোগেদি প্ৰকৃত ভাৰতীয় নাগৰিকক কৰা হাৰাশাস্তিৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বৰক্ষেত্ৰী সমষ্টিৰ চৰাঞ্চলৰ প্ৰায় ১৭, ৫০০ নাগৰিকলৈ ভোটাধিকাৰৰ বৈধতা প্ৰমাণৰ নিৰ্বাচন আয়োগে যি নিৰ্দেশনা প্ৰদান কৰিছে তাক লৈ অসন্তুষ্ট হৈ পৰিছে সংখ্যালঘু লোকসকল। ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ উদ্দেশ্যে যি খচৰাৰ পুনৰীক্ষণৰ কাম-কাজ সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়তো অনুষ্ঠিত হৈছে। যোৱা ৫ জানুৱাৰীৰ পৰা ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ প্ৰায় ১৭, ৫০০ গৰাকী লোকৰ নথি-পত্ৰ পুনৰীক্ষণৰ কাম-কাজ চলি আছে। তাক লৈও তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে একাংশ সংখ্যালঘু লোকে। সমষ্টিটোৰ চৰাঞ্চলৰ বিভিন্ন প্ৰান্তৰ লোকক বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপস্থিত থকাৰ নিৰ্দেশনা প্ৰদান কৰাত প্ৰায় প্ৰতিদিনে পুৱাৰে পৰা একাংশ লোকে শুনানিত উপস্থিত থকাৰ বাবে বোন্দাপৰ দি পথপথৰ দুয়োকাষে ভীৰ কৰিছে। ইয়াৰে একাংশ অসহায় মহিলাই কোলাত পানীকেঁচুৱা লৈ অহাৰ বিপৰীতে বৃদ্ধ লোকসকলো হাৰাশাস্তিৰ সন্মুখীন হৈছে। আনহাতে, সন্তানসম্ভৱা মহিলাসকলেও পুৱাৰে পৰা নিশালৈ হোৱা শুনানিৰ বাবে বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ তাঁতবাতি কাঢ়িবলগীয়া হৈছে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ ৭ টাকৈ কেন্দ্ৰত শুনানিলৈ অহা বহুসংখ্যক লোকে চৰম হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। কিয়নো, ঠিকনাবিহীন অজ্ঞাত লোকে ৭ নম্বৰ প্ৰ-পত্ৰৰে প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ ভোট স্থানান্তৰৰ গুৰুতৰ অভিযোগ দাখিল কৰে। সেই অনুসৰি ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়াগৰাকীয়ে ১৪ নং পত্ৰৰে সেই সকল ব্যক্তিলৈ শুনানিৰ বাবে জাননী জাৰি কৰে। ফলত, কৰ্মসূত্ৰে বহিঃৰাজ্যত থকা ব্যক্তিসকল শুনানিলৈ আহি চৰম হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। জানিব পৰা মতে, বহুসংখ্যক লোকে অভিযোগকাৰীৰ ৭নং পত্ৰ বিচাৰি নোপোৱাত দিনৰ দিনটো বোন্দাপৰ দি নিশা নিৰাশ মনেৰে উভতি যাবলগীয়াও হৈছে। উল্লেখ্য যে প্ৰতিদিনে কেৱল ৭টা কোঠাত ৭গৰাকী সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ জৰিয়তে শুনানি গ্ৰহণ কৰাত নিশালৈকে চলি থাকে শুনানি গ্ৰহণৰ প্ৰক্ৰিয়া। ফলত গৰ্ভৱতী মহিলা, বৃদ্ধা মহিলা, শিশু কোলাত লৈ অহা মহিলাসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। অজ্ঞাত ব্যক্তিৰ দ্বাৰা সংখ্যালঘু লোকসকলক এনেধৰণে হাৰাশাস্তি চলোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সমগ্ৰ বৰক্ষেত্ৰীত। এই সন্দৰ্ভত আজি কংগ্ৰেছ দলৰ নলবাৰী জিলা সংখ্যালঘু বিভাগ, কংগ্ৰেছ কমিটিৰ সহযোগত আৰু বৰক্ষেত্ৰী ব্লক সংখ্যালঘু বিভাগ, কংগ্ৰেছ কমিটিৰ উদ্যোগত প্ৰকৃত নাগৰিকক হাৰাশাস্তিৰ অভিযোগ উত্থাপন কৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰি প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ ভোটৰ অধিকাৰ কৰ্তন কৰাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। অসম চৰকাৰ হায় হায়, বিজেপি হায় হায় আদি শ্লোগানেৰে সমগ্ৰ অঞ্চলটোত এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে।

## ঢেকীয়াজুলিৰ তামোলী পথত উদুলি-মুদুলি পৰিৱেশেৰে উদ্‌যাপন প্ৰাক-ভোগালী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১২ জানুৱাৰী ঃ** সমাগত মাঘ বিহু তথা ভোগৰ উৎসৱ ভোগালী বিহুক আদৰণি জনাবলৈ ৰাজ্যজুৰি চলিছে ব্যাপক প্ৰস্তুতি। অসমৰ চৌদিশে উৎসৱমুখৰ পৰিবেশ সৃষ্টি হোৱাৰ সমান্তৰালভাৱে শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি পৌৰসভা এলেকাৰ ৮ নং ৱাৰ্ডৰ তামোলী পথতো উদ্‌যাপন কৰা হৈছে প্ৰাক ভোগালী বিহু। ঢেকীয়াজুলি শংকৰ মন্দিৰ নামঘৰৰ উদ্যোগত তামোলী পথৰ জুবিন সোঁৱৰণী ক্ষেত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে প্ৰাক ভোগালী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। স্থানীয় সমাজকৰ্মী ধ্ৰুৱ বৰাৰ বিশেষ প্ৰচেষ্টাত আয়োজিত এই অনুষ্ঠানত ৰাইজৰ উচ্ছ্বাস আৰু উৎসাহে পৰিবেশ অধিক আনন্দময় কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা



হয়। জুবিন গাৰ্গৰ স্মৃতিত নিৰ্মিত জুবিন সোঁৱৰণী ক্ষেত্ৰত উপস্থিত ৰাইজে ফুল আৰু শ্ৰদ্ধাৰে মহান শিল্পীগৰাকীক সোঁৱৰণ কৰে। ইয়াৰ পাছতে ভোগালী বিহুৰ শুভ সূচনা কৰি নাম-প্ৰসংগ, গীত-মাত, পৰম্পৰাগত খাদ্য প্ৰস্তুতি আদি কাৰ্যসূচীৰে অনুষ্ঠান আগবাঢ়ে। প্ৰাক ভোগালীৰ এই অনুষ্ঠানত পিঠা-পনা, লাৰু, চিৰা-দৈ আদি অসমীয়াৰ পৰম্পৰাগত খাদ্যৰ আয়োজন কৰা হয়। শিশু, যুৱক-যুৱতী আৰু বৃদ্ধ-বৃদ্ধা সকলৰ অংশগ্ৰহণেৰে সমগ্ৰ তামোলী পথ এলেকা এক উৎসৱমুখৰ ৰূপ ধাৰণ কৰে। স্থানীয় ৰাইজে কয় যে এনে অনুষ্ঠানৰ জৰিয়তে অসমীয়াৰ পৰম্পৰা, সংস্কৃতি আৰু ভাতৃত্ববোধ অটুট থাকিব। ভোগালী বিহুৰ আগমুহূৰ্তত এই ধৰণৰ প্ৰাক ভোগালী অনুষ্ঠানসমূহে ৰাইজৰ মাজত অধিক আনন্দ আৰু উৎসাহৰ সঞ্চাৰ ঘটায়।

# বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, নয়াবজাৰত বিবেকানন্দ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ জানুৱাৰী ঃ** বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় নয়াবজাত আজি বৰ্ণাঢ্য কাৰ্য্যসূচীৰে স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগত ক্ৰমে ফুলনি, জেংৰাইমুখ, নয়াবজাৰ আৰু একেন দীঘলীগাঁৱত স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। ইয়াৰ পিছতে উজনী মাজুলী মিলন সংঘ, নয়াবজাৰত স্বামী বিবকানন্দৰ জন্ম জয়ন্তীৰ মূল কাৰ্য্যসূচী আৰু বিদ্যালয়ৰ বাৰ্ষিক সভা আয়োজিত কৰা হয়। এই সভাত মুখ্য অতিথিৰ আসন শুৱনি কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া। আৰু বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ড° উপেন বৰা আৰু উপস্থিত থাকে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল বৰা। অনুষ্ঠানটি বন্তিপ্ৰজ্বলন আৰু মঙ্গলাচৰণেৰে আৰম্ভ কৰা হয়। অনুষ্ঠানটি আত ধৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰিমঝিম ফুকন আৰু তৰালী বৰাই। ইয়াৰ পিছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰা হয়। ইয়াৰ পিছতে সন্মান আৰু কৃতজ্ঞতা প্ৰকাশ স্বৰূপে এখন চেলেং চাদৰ আৰু কিতাপে দুয়োজন অতিথিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দ্বাৰা আদৰণি ভাষণ আগবঢ়োৱা হয়। তাৰ পিছতে বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন আগবঢ়ায় বিদ্যালয়ৰ শিক্ষক বাস্তৱ বৰাই। তাৰ পিছতে বঁটা বিতৰণী কাৰ্য্যসূচী আৰম্ভ হয়। ভাল সভাৰ শ্ৰেষ্ঠ প্ৰতিযোগীৰ খিতাপ অৰ্জন কৰে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী অনুষ্কা বৰদলৈয়ে। ইয়াৰ পিছত ১০০ক্স বিদ্যালয়ৰ উপস্থিতি খিতাপ অৰ্জন কৰে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী জিষ্টিমনি নৰহে। অমৃত পৰিবাৰ তৰফৰ পৰা যোৱা ১ ডিচেম্বৰত বিদ্যালয়ত অনুষ্ঠিত হোৱা পৰম্পৰাগত খাদ্য প্ৰস্তুতকৰণ আৰু প্ৰদৰ্শনত অংশ




গ্ৰহণ কৰা প্ৰত্যেক গৰাকী সদস্যাক অভিনন্দন পত্ৰ আগবঢ়োৱা হয়। ইয়াৰ পিছতে আমন্ত্ৰিত মুখ্য অতিথি ড° দেৱজিৎ শইকীয়াই শিশু সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰাৰ লগতে অভিভাৱক সকলকো গঠনমূলক মন্তব্য আৰু স্বামী বিবেকানন্দৰ জীৱন আৰু কৰ্মৰ ওপৰত মাৰ্গ দৰ্শনেৰে প্ৰেৰণামূলক বাৰ্তা প্ৰেৰণ কৰে। ইয়াৰ পিছতে বিশিষ্ট অতিথি উপেন বৰাই নয়াবজাৰ অঞ্চলত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ প্ৰসংগত বিবেকানন্দ কেন্দৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে শলাগৰ শৰাই আবঢ়ায় বিদ্যালয়ৰ শিক্ষক উপেন দত্তই। ইয়াৰ পিছতে সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। প্ৰথমে বিদ্যালয়ৰ ছাত্ৰী সকলৰ দ্বাৰা এটি শংকৰী সংস্কৃতিৰ অন্যতম নিদৰ্শন সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰা হয়। ইয়াৰ পাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সকলৰ দ্বাৰা দিহানাম, বিহু নৃত্য, দলীয় নৃত্য, ৰাসৰ নৃত্য আৰু খেলো আহা জয়মতী নাটকখনি মঞ্চস্থ কৰা হয়। ইয়াৰ পিছতে অভিভাৱিকা সকলে এটি সমবেত সংগীত পৰিবেশন কৰে। শেষত শান্তি পাঠেৰে সভা ভংগ কৰা হয়।

সৰকাৰৰ প্ৰতিকৃতি দাহ অসমীয়া যুৱ মঞ্চৰ; প্ৰতিকৃতিৰ ডিঙিত ৰছীৰে বান্ধি ৰাজপথত চোঁচৰাই অভিনৱ প্ৰতিবাদ

# কংগ্ৰেছত যোগ দিয়েই বিতৰ্কৰে সাঙুৰ খাইছে প্ৰাক্তন আমছু নেতা

**অসম বাৰ্তা, আমগুৰি, ১২ জানুৱাৰী ঃ** কংগ্ৰেছত যোগ দিয়েই শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়াক ধুবুৰী বনোৱাৰ পৰিকল্পনাৰ কথা ৰাজহুৱাভাৱে ব্যক্ত কৰি জাতীয় সংগঠন অসমীয়া যুৱ মঞ্চৰ ৰোষত পৰিল আমছুৰ প্ৰাক্তন নেতা ৰেজাউল কৰিম সৰকাৰ। অসমীয়া যুৱ মঞ্চই উভতি ধৰিলে ৰেজাউলক। আজি জাতীয় সংগঠনটোৰ আমগুৰি আঞ্চলিক সমিতিয়ে আমগুৰি চাৰিআলিত ৰেজাউল কৰিমৰ প্ৰতিকৃতি ৰছীৰে বান্ধি ৰাজআলিত চোঁচৰাই লৈ ফুৰে। ইয়াৰোপৰি প্ৰতিকৃতিটো গছত ওলোমাই লৈ লঠিয়াই, গোৰিয়াই, থু পেলাই ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ পিছত আমগুৰি নগৰৰ মাজমজিয়াত সৰকাৰৰ প্ৰতিকৃতিটো দাহ কৰি বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সদ্য কংগ্ৰেছী জেয়াউল কৰিমক গৌৰৱ গগৈৰ সেনাপতি বুলি কটাক্ষ কৰি অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক আকাশ বীৰ শইকীয়াই উজনি অসমলৈ আহিলে জেয়াউল কৰিম সৰকাৰক জোতা চেণ্ডেল, গেলা আদিৰে গুৰুলা গুৰুলকৈ পিটন দিয়া হ'ব বুলি হুংকাৰ দিয়ে। তেওঁ লগতে কয়, আমছু থকা কালত সৰকাৰে লুটি পুটি খাই সংগঠনটো ধ্বংস কৰিলে। এতিয়া কংগ্ৰেছ দলটো যি সামান্য জীৱিত আছে




তাকো সমুলঞ্চে ধ্বংস কৰিব। কংগেছ দলৰ সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈৰ সাক্ষাততে সৰকাৰে উজনি অসমক ধুবুৰী বনাম বুলি কেনেকৈ ক'ব পাৰিলে বুলিও প্ৰশ্ন কৰে। তেনেক্ষেত্ৰত গৌৰৱ গগৈয়ে কিয় এষাৰো মাত নিদিলে বুলিও প্ৰশ্ন উত্থাপন কৰে। সমগ্ৰ ঘটনাক লৈ জেয়াউল কৰিম সৰকাৰ আৰু গৌৰৱ গগৈয়ে অসমৰ ৰাইজৰ ওচৰত ৰাজহুৱা ক্ষমা বিচাৰিব লাগিব বুলি দাবী জনায়। জেয়াউল কৰিম সৰকাৰক বাংলাদেশ আৰু পাকিস্তানৰ এজেণ্ট আখ্যা দি তেওঁক অতিশীঘ্ৰে কৰায়ত্ত কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দাবী জনায়।

তিনিখনকৈ বিদ্যালয়ত চাইকেল বিতৰণৰ লগতে কেইবাটাও পকীপথৰ শুভ উদ্বোধন

# বিধায়ক ভাস্কৰ শৰ্মাৰ মাৰথান দৌৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১২ জানুৱাৰী ঃ** আজি ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাই নিজ সমষ্টিৰ বিভিন্ন ঠাইত দিনজুৰা কাৰ্যসূচী হাতত লয়। এক মাৰঠান দৌৰে ইটোৰ পিছত সিটো কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মাৰ্ঘেৰিটা সম জিলা শিক্ষা খণ্ডৰ অন্তৰ্গত কেটেতং জনজাতি হাইস্কুল (১০৪খন), মহাত্মা গান্ধী হাইস্কুল(৫৪খন), আৰু কুজুপথাৰ হাইস্কুল(৬৬খন), এই তিনিখন বিদ্যালয়ত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনি দ্বাৰা মুঠ ২২৪খন চাইকেল বিতৰণ কৰে। কেটেতং জনজাতি হাইস্কুলত ১০৪খন, ইয়াৰ পিছত কিছুদিন পূৰ্বে খাটাং পানী বন আঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত খাটাং পানী গাঁৱত বন্যহস্তীৰ উপদ্ৰৱ চলিছিল। বন্যহস্তীৰ তাণ্ডৱত গঞ্জাৰাইৰ নিদ্ৰাহ হৰণ হৈছিল। প্ৰায় ৩২ টাকৈ ঘৰ ভাঙি চুৰমাৰ কৰাৰ লগতে বিস্তাৰ ক্ষতি সাধন কৰে বন্যহস্তীয়ে। আজি মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক শৰ্মাই এই দুৰ্ভগীয়া পৰিয়ালবৰ্গক দেখা সাক্ষাত কৰি ঘটনাৰ বুজ লোৱাৰ লগতে চৰকাৰী সুবিধা দিয়াৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পিছতেই পৰ্য্যায়ক্ৰমে পুৰনি পুখুৰী গাঁও পঞ্চায়তৰ তিনিটাকৈ পেভাৰ ব্লক পথৰ শুভ উদ্বোধন কৰে বিধায়ক শৰ্মাই।

# বহ্নিমান কাৰাটে একাডেমীৰ দশম সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, হাজো, ১২ জানুৱাৰী ঃ** তীৰ্থনগৰী হাজোৰ অগ্ৰণী ক্ৰীড়ানুষ্ঠান হাজো বহ্নিমান কাৰাটে একাডেমীৰ দশম বৰ্ষপূৰ্তি উপলক্ষে অনুষ্ঠিত বাৰ্ষিক অনুষ্ঠানটি কালি লৌহ মানৱ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত সফলতাৰে সম্পন্ন হয়। তদুপলক্ষে ৰাতিপুৱা ১১ বজাত কাৰ্যসূচীৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বহ্নিমান কাৰাটে একাডেমীৰ সঞ্চালক তথা মুখ্য প্ৰশিক্ষক দিপাংকৰ মজুমদাৰ, প্ৰাক্তন ৰাজ্যিক তথ্য আয়ুক্ত মোহন চন্দ্ৰ মালাকাৰ আৰু অৱসৰী শিক্ষক ধনেশ্বৰ দাসে। ছানি কুমাৰ দাস আৰু হিয়াশ্ৰী কলিতাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে ইশ্বৰপুত্ৰ জুবিন গাৰ্গক শ্ৰদ্ধা নিবেদন কৰি প্ৰেক্ষাগৃহত উপস্থিত তিনি শতাধিক দৰ্শকে সমস্বৰে মায়াবিনী গীতটি পৰিৱেশন কৰে। বাৰ্ষিক অনুষ্ঠান উপলক্ষে বহ্নিমান কাৰাটে একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত ভাগ লয়। আনহাতে ২০২৫ বৰ্ষত অনুষ্ঠিত অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত কামৰূপ জিলা দলক প্ৰতিনিধিত্ব কৰি পদক লাভ কৰা ১৬ পদক লাভ কৰা হাজো বহ্নিমান কাৰাটে একাডেমীৰ খেলুৱৈ ক্ৰমে বশিষ্ঠ কলিতা, হিৰক দাস, হৃষিতা দাস, হিয়াশ্ৰী কলিতা, হিমাংশুৰাজ কলিতা, দিয়ান জ্যোতি দাস, পৰিনীতা কলিতা, আয়ুক্তা মালাকাৰ, ৰিমঝিম মালাকাৰ, শ্যামল কলিতা, পৃথুৰাজ দাস, সুজিতা মালাকৰ, আকাশ দাস, মৃদাংগ মালাকৰক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অসম কাৰাটে সন্থাৰ জ্যেষ্ঠ বিষয়ববীয়া চিহান ৰমেন পাল দাস, চিহান বাণীকান্ত বৰ্মন, হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদৰ সভাপতি ডিম্বেশ্বৰ দাস, দমদমা ক্ৰীড়া সন্থাৰ সম্পাদক ৰূপেন দাস, অৱসৰী শিক্ষক ধনেশ্বৰ দাস, সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ দাস, শৰৎ নায়ক, মোহন চন্দ্ৰ মালাকাৰ, মৃণাল কুমাৰ দাস, সঞ্জীৱ কুমাৰ দাস, উদ্ধৱ কলিতা, ভবানন্দ আঠপৰীয়া, মনোজ মেধি, পৰমী দাস, ধ্ৰুৱজ্যোতি মালাকৰ, ধ্ৰুৱজ্যোতি দাস, আদি উপস্থিত থাকি খেলুৱৈ সকলক শুভেচ্ছা জনায়। ৰাজ্যিক পৰ্যায়ত হাজো বহ্নিমান কাৰাটে একাডেমীৰ খেলুৱৈসকল উজলি উঠাত মুখ্য প্ৰশিক্ষক দিপাংকৰ মজুমদাৰক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় কামৰূপ জিলা ৰেফাৰী বোৰ্ডৰ নৱনিৰ্বাচিত সম্পাদক প্ৰভাত কলিতা আৰু কোষাধ্যক্ষ ভবিন চন্দ্ৰ ভৰালীয়ে। বহ্নিমান কাৰাটে একাডেমীৰ সঞ্চালক দিপাংকৰ মজুমদাৰে শ'লাগৰ শৰাই যাঁচি অনুষ্ঠানৰ লগত জড়িত তথা উপস্থিত সকলোকে ধন্যবাদ জনায়।

## হোজাই জিলাৰ আজমল আলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ বিদায় সভা

**অসম বাৰ্তা, ডবকা, ১২ জানুৱাৰী ঃ** হোজাইৰ চৌধুৰী বজাৰস্থিত আজমল আলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ছাত্ৰ-ছাত্ৰীৰ বিদায়ী সভা হৈ যায়। বিদ্যালয় খনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ বিদায় সভা আজি এক আবেগিক পৰিৱেশৰ মাজেৰে সম্পন্ন হৈ যায়। এই উপলক্ষে বিদ্যালয়ৰ চৌহতত বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ ৰাজপুতে আঁত ধৰা এক অনুষ্ঠানত আজমল ফাউণ্ডেচনৰ অন্যতম শিক্ষা বিষয়া ড° চামিম শ্বফিকা বেগম মুখ্য অতিথি হিচাপে উপস্থিত হৈ ছাত্ৰ ছাত্ৰীক উদ্দেশ্য ব্যাখ্যা কৰে। এই সভাত শৈক্ষিক সমন্বয়ক ৰফিকুল ইছলাম, মোৰাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° বদৰুল ইছলাম, অধিবক্তা আমজাদ হুছেইন তালুকদাৰ, সমাজসেৱক মতাহিৰ হুছেইন, আব্দুল হান্নান মাৰ্জেণ্টকে ধৰি ভালেমান অতিথি উপস্থিত থাকে। উল্লেখ্যে যে ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে জীৱন গঢ়িব পাৰে তাৰ ওপৰত সকলোৰে অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে কৰে।

# দেশৰ বিশিষ্ট চাহ উদ্যোগপতি তথা ৱাঘ বকৰী চাহ গোষ্ঠীৰ অধ্যক্ষ পীযুষ দেশাইলৈ নেটাৰ জীৱনজোৰা সাধনা বঁটা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ জানুৱাৰী ঃ** দেশৰ অন্যতম বৃহৎ চাহ গোষ্ঠী ৱাঘ বকৰী কোম্পানীৰ অধ্যক্ষ, বিশিষ্ট চাহ উদ্যোগপতি পীযুষ দেশাইলৈ নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েছন চমুকৈ নেটাই আগবঢ়াবলৈ লৈছে 'জীৱনজোৰা সাধনা বঁটা'। এক প্ৰেছ বিজ্ঞপ্তি যোগে এই কথা সদৰি কৰিছে নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েছন ৰ উপদেষ্টা বিদ্যানন্দ বৰকাকতিয়ে। বিজ্ঞপ্তিটোত বৰকাকতিয়ে উল্লেখ কৰি কয় যে ১৮৯২ চনতে প্ৰতিষ্ঠা হোৱা ৱাঘ বকৰী চাহ গোষ্ঠী বৰ্তমান সমগ্ৰ দেশৰ কেইবাটাও আগশাৰীৰ পেকেজিং চাহ কোম্পানী চলাই আছে আৰু বাৰ্ষিক ২০০০ কোটি টকাৰ অধিক টাৰ্ণ অভাৰ থকা এই ৱাঘ বকৰী চাহে বছৰি ৫০ মিলিয়ন কিল'গ্ৰাম চাহ বিতৰণ কৰি দেশৰ মুঠ চাহ বিতৰণৰ প্ৰায় ৯ শতাংশ বজাৰ দখল কৰি আছে। ৱাঘ বকৰী হৈছে হিন্দুস্তান ইউনিলিভাৰ আৰু টাটা কনজিউমাৰ প্ৰডাক্টচৰ পিছতে ভাৰতৰ তৃতীয় বৃহৎ চাহৰ ব্ৰেণ্ড। 'জীৱনজোৰা সাধনা বঁটা প্ৰাপক' পীযুষ দেশাইৰ বিষয়ে নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েছন ৰ সদ্য প্ৰাক্তন অধ্যক্ষ অজয় ধান্দাৰিয়াই কয় যে দেশাই হৈছে দেশৰ চাহ উদ্যোগ খণ্ডৰ এজন অন্যতম হোতা যি নিজৰ ছয় দশকৰো অধিক অভিজ্ঞতাৰে ৱাঘ বকৰী গোষ্ঠীটোক যথেষ্ট উন্নত মানসম্পন্ন এক কোম্পানী হিচাপে প্ৰতিষ্ঠিত কৰি তুলিবলৈ সক্ষম হৈছে। আনহাতে বিদ্যানন্দ বৰকাকতিয়ে কয় যে পীযুষ দেশাই সৰ্বভাৰতীয় চাহ ব্যৱসায়ী সংস্থা (এফ এ আই টি টি এ)ৰ প্ৰাক্তন অধ্যক্ষ আছিল আৰু তেখেত পশ্চিম ভাৰত চাহ বিতৰক সংস্থাৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। লগতে বৰকাকতিয়ে কয় যে চাহক কেন্দ্ৰ কৰি অসম আৰু গুজৰাটৰ এক বিশেষ সম্পৰ্ক আছে আৰু সেয়া হৈছে যে অসম দেশৰ ভিতৰতে সৰ্বাধিক চাহ উৎপাদনকাৰী ৰাজ্য হিচাপে বিখ্যাত আৰু গুজৰাট হৈছে দেশৰ ভিতৰতে সৰ্বাধিক চাহ সেৱনকাৰী ৰাজ্য হিচাপে বিখ্যাত। উল্লেখ্য যে নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েছন চমুকৈ নেটাই বিগত বৰ্ষত চাহ উদ্যোগ খণ্ডলৈ অনবদ্য অৱদান আগবঢ়োৱা দুজন ব্যক্তি ক্ৰমে অপূৰ্ব কুমাৰ বৰুৱা আৰু সাগৰ মেহতালৈ জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰিছিল।

# অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপত বৰঙাবাৰী উদয় জ্যোতি সংঘৰ চমকপ্ৰদ জয়




**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১২ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ দ্বাৰা পৰিচালিত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত ক্ৰিকেট উপশমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ৮ম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপৰ মৰিগাঁও মণ্ডলৰ আজি অনুষ্ঠিত দ্বিতীয়খন খেলত বৰঙাবাৰী উদয়জ্যোতি সংঘই ৪৭ ৰাণৰ ব্যৱধানত অনায়াসে বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাৱক পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। প্ৰথম বেটিং কৰি বৰঙাবাৰী উদয়জ্যোতি সংঘই অংকিত সিঙৰ ৩৭, সুমিত বাচফোৰৰ ২৮ আৰু ৰাতুল বৰাৰ ১৩ ৰাণৰ বৰঙনিৰ সহায়ত ২৯ অভাৰত সকলো উইকেট হেৰুৱাই ১২৭ ৰাণ সংগ্ৰহ কৰে। বলিঙত বৰিগাওঁ ইয়ং স্পৰ্টিং ক্লাবৰ হৈ ইশ্বান্ত শ্বাহে ৫টা উইকেট দখল কৰাৰ লগতে কপিল দাস, ৰাহুল হক, অংশুমান ঠাকুৰীয়া আৰু ৰমিজ হুচেইনে ১ টাকৈ উইকেট লাভ কৰে। প্ৰতুত্তৰত লক্ষ্য অনুসৰণ কৰি বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাবে ইশ্বান্ত শ্বাহৰ ৩৬ আৰু অংশুমান ঠাকুৰীয়াৰ ১৩ ৰাণৰ অৱদানৰে ১৯ অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ ৮০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। উদয় জ্যোতিৰ হৈ বলিঙত ৰাতুল বৰাই ৪ টা, চিন্ময় বৰাই ৩টা আৰু হৰিচৰণ পাটৰে ১টা উইকেট দখল কৰে। দ্বীপজ্যোতি বৰদলৈ আৰু মঞ্জুৰেল খানে পৰিচালনা কৰা আজিৰ খেলখনৰ স্ক'ৰাৰৰ দ্বায়িত্ব নৱাজুৰ ৰহমানে পালন কৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হোৱা ৰাতুল বৰাক জ্যেষ্ঠ ক্ৰীড়া সংগঠক অসীম বৰদলৈয়ে বঁটা প্ৰদান কৰে।

# সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় যুৱ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১২ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে নগাঁৱতো ৰাষ্ট্ৰীয় যুৱ বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত বিগত বছৰ সমূহৰ দৰে এইবছৰো ভাৰতৰ যুৱ নেতা স্বামী বিবেকানন্দৰ জন্মদিন ৰাষ্ট্ৰীয় যুৱ দিৱসটি দিনযোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱা চাফাই অভিযান মুকলি কৰে শঙ্কৰজ্যোতি শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰভাত চন্দ্ৰ দেউৰীয়ে। গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে বিশিষ্ট পৰিৱেশকৰ্মী সেউজকোৱৰ স্বপন কুমাৰ চৌধুৰীয়ে। স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী শুভাৰম্ভ কৰে সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে। দিৱস উপলক্ষে সন্থাৰ প্ৰধান কাৰ্যালয় প্ৰাঙ্গণত দিনৰ ১১-০০ বজাৰ পৰা অনুষ্ঠিত, স্বামী বিবেকানন্দৰ সমাজলৈ অৱদান শীৰ্ষক আলোচনাচক্ৰত সভাপতিত্ব কৰে সন্থাৰ উপ সভাপতি শশীন্দ্ৰ দেৱ মহন্তই। বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰি স্বামী বিবেকানন্দৰ জীৱনাদৰ্শৰ আলোকপাত কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক ভৱেন বৰা আৰু হীৰেণ ডেকাই। সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিৰ আঁতধৰে সন্থাৰ প্ৰকল্প বিষয়া কনজুন বৰাই আৰু শলাগৰ শৰাই আগবঢ়াই সন্থা সহ-প্ৰকল্প বিষয়া বাবলীৰাণী দেৱে। উল্লেখযোগ্য যে সদৌ অসম গ্ৰাম্য পুথিভড়াল সন্থাই সমাজলৈ আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে ভাৰত চৰকাৰ যুৱকল্যাণ আৰু ক্ৰীড়া মন্ত্ৰালয়ে ১৯৯৭-৯৮ বৰ্ষত ৰাষ্ট্ৰীয় যুৱ বঁটাৰে সন্থাক এই সন্মান প্ৰদান কৰে আৰু ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীয়ে ১৯৯৯ চনৰ ১২ জানুৱাৰীত লক্ষ্ণৌত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত সন্থাক এই বঁটা প্ৰদান কৰে।

**নৱ সূৰুয শিল্পী সমাজৰ 'বৈদেহী বিয়োগ' শ্ৰেষ্ঠ**

# যোৰহাট মালৌপথাৰত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাৰ সামৰণি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১২ জানুৱাৰী ঃ** যোৰহাট মালৌপথাৰৰ নৱ মিলন নাট্য গোষ্ঠীয়ে ৪-১০ জানুৱাৰীলৈ শংকৰ-মাধৱ সমন্বয় ক্ষেত্ৰত ৰাজ্যিক ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত 'বৈদেহী বিয়োগ' নাটত অভিনয় কৰি যোৰহাটৰ নৱ সূৰুয শিল্পী সমাজে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। দ্বিতীয় শ্ৰেষ্ঠ দল হয় গোলাঘাট চিনাতলি অগ্নিগড় শিল্পী সমাজৰ নাট 'গৰুড়ৰ অমৃত হৰণ', তৃতীয় শ্ৰেষ্ঠ দল তিতাবৰৰ প্ৰজাপতি শিল্পী সমাজৰ নাট 'ৰুক্মিণীৰ সয়ম্বৰ', চতুৰ্থ শ্ৰেষ্ঠ দল কৰুণাময় শিল্পী সমাজৰ নাট 'দানবীৰ ৰজা হৰিশ্চন্দ্ৰ', পঞ্চম শ্ৰেষ্ঠ দল ৰবৈয়াৰ জগন্নাথ শিল্পী সমাজৰ নাট 'জন্মেজয়ৰ সৰ্প মেধ যজ্ঞ', ষষ্ঠ শ্ৰেষ্ঠ দল ৰঘুনন্দন নাট্য গোষ্ঠীৰ নাট 'কুৰ্মৱলী পতন', সপ্তম শ্ৰেষ্ঠ দল তিতাবৰৰ সব্যসাচী শিল্পী মঞ্চৰ নাট 'দক্ষ যজ্ঞ', অষ্টম শ্ৰেষ্ঠ দল দুলীয়াজানৰ শংখনিনাদ নাট্য গোষ্ঠীৰ নাট 'ৰাৱণৰ মন্দোদৰী লাভ', নৱম শ্ৰেষ্ঠ দল গোলাঘাটৰ চক্ৰপাণি শিল্পী সমাজৰ নাট 'ৰুহিতেশ্বৰৰ ধৰ্ম পৰীক্ষা', দশম শ্ৰেষ্ঠ দল সেউজ শিল্পী সমাজৰ নাট 'মৎস অৱতাৰ', একাদশ শ্ৰেষ্ঠ দল গোলাঘাটৰ চেম্বাৰ অৱ কমাৰ্চৰ নাট 'সাবিত্ৰী সত্যবান', শ্ৰেষ্ঠ সাত্বিক ভাবাপন্ন দল গোলাঘাট বেতিয়নীৰ আদৰ্শ সাংস্কৃতিক গোষ্ঠীৰ নাট 'কৰ্ণৰ একাগ্নিবাণ', শ্ৰেষ্ঠ পৰিচালক 'বৈদেহী বিয়োগ', দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক 'গৰুড়ৰ অমৃত হৰণ', তৃতীয় শ্ৰেষ্ঠ পৰিচালক 'ৰুক্মিণীৰ সয়ম্বৰ', চতুৰ্থ শ্ৰেষ্ঠ পৰিচালক 'দানবীৰ ৰজা হৰিশ্চন্দ্ৰ', শ্ৰেষ্ঠ বায়ন-প্ৰথম 'ৰাৱণৰ মন্দোদৰী লাভ', দ্বিতীয় 'জন্মেজয়ৰ সৰ্প মেধ যজ্ঞ', শ্ৰেষ্ঠ গায়ন - প্ৰথম 'ৰাৱণৰ মন্দোদৰী লাভ', দ্বিতীয় 'বৈদেহী বিয়োগ'। শ্ৰেষ্ঠ যোদ্ধা চৰিত্ৰ-'গৰুড়' (ডাঙৰ)নাট-গৰুড়ৰ অমৃত হৰণ। শ্ৰেষ্ঠ হাস্যৰসী (পুৰুষ) চৰিত্ৰ-'মহাভাৰত', নাট-ৰুক্মিণীৰ সয়ম্বৰ। মহিলা-'বামুণী', নাট-দানবীৰ ৰজা হৰিশ্চন্দ্ৰ'। শ্ৰেষ্ঠ বাঁহীবাদক ৰাৱণৰ মন্দোদৰী লাভ'। দবাবাদক 'ৰুহিতেশ্বৰৰ ধৰ্ম পৰীক্ষা'। নৱ মিলন সম্ভাৱনা বঁটা লাভ কৰে ৰুহিত (শিশু), ধৃতৰাষ্ট্ৰ, কুজী, নলকুবেৰ, শিৱ, মন্ত্ৰী, ঘটোৎকছ, লক্ষ্মণ, কাৰু, গায়ন, বায়ন, সূত্ৰ, ত্ৰিভুজা, দুশাসন, কদ্ৰো চৰিত্ৰত অভিনয় কৰা শিল্পীয়ে। উদ্‌যাপন সমিতিৰ সভাপতি দিগন্ত ৰাজখোৱা, কাৰ্যকৰী সভাপতি নিকুল বৰুৱা, প্ৰধান সম্পাদক সুৰেশ বৰা, প্ৰতিযোগিতা বিভাগৰ সভাপতি নৱ শৰ্মা, সম্পাদক দিব্যজ্যোতি দত্তৰ লগতে সমিতিৰ সৈতে জড়িত ব্যক্তিসকলে বিজেতাসকলক বঁটা আৰু পুৰস্কাৰ প্ৰতিযোগিতাৰ অন্তিম দিনা প্ৰদান কৰে।

**১৯ জানুৱাৰীত ৰাজ্যত নতুন ৰাজনৈতিক দলৰ ঘটিব অভিষেক**

# সততা আৰু কামৰ ৰাজনীতিৰ আধাৰত সুৰক্ষিত অসমৰ লক্ষ্য

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ জানুৱাৰী ঃ** সততা আৰু কামৰ ৰাজনীতিৰ আধাৰত সুৰক্ষিত অসমৰ লক্ষ্যৰে অহা ১৯ জানুৱাৰীত গুৱাহাটীত এক নতুন আঞ্চলিক দলৰ অভিষেক ঘটিব। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত এই কথা প্ৰকাশ কৰিছে প্ৰস্তাৱিত দলটোৰ আহ্বায়ক ৰাজীৱ শইকীয়াই। বিবৃতিটোত তেখেতে কয়, প্ৰস্তাৱিত দলটোৰ সংবিধান, পতাকা আদিৰ প্ৰস্তুতিৰ কাম চলি আছে আৰু মাঘ বিহুৰ পিছতেই চূড়ান্ত হ'ব। অহা ১৯ জানুৱাৰীত এদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া গুৱাহাটীৰ গণ অভিবৰ্তনত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব বুলি বিবৃতিটোত প্ৰস্তাৱিত দলটোৰ আহ্বায়ক ৰাজীৱ শইকীয়াই প্ৰকাশ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ, বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আদৰ্শৰে, মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰে আৰু অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীৰ কৰ্মপ্ৰেৰণাৰে সুৰক্ষিত অসমৰ স্বাৰ্থত আপোচহীন স্থিতিৰে প্ৰস্তাৱিত দলটো আগুৱাই যাব বুলি আহ্বায়ক ৰাজীৱ শইকীয়াই জনাইছে। সৰ্বদিশতে সুৰক্ষিত অসমৰ লক্ষ্যৰে দলৰ কাম কাজ আগবঢ়াই নিব বুলি বিবৃতিটোত আহ্বায়ক ৰাজীৱ শইকীয়াই জনাইছে। তেখেতে ৰাজ্যখনৰ সকলো শ্ৰেণী ৰাইজৰ আশীৰ্বাদ আৰু সহযোগিতা বিচাৰিছে।

**মৰিয়নি সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হোৱাৰ সম্ভাৱনা প্ৰবল চিকিৎসক যাদুনাথ বুঢ়াগোহাঁইৰ**

# সামাজিক কৰ্মৰ আধাৰত ৰাজনৈতিক যাত্ৰা

## আউল লাগিব পাৰে ৰূপজ্যোতি কুৰ্মীৰ ভোটৰ অংকত

**অসম বাৰ্তা, আমগুৰি, ১২ জানুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনলৈ মাজত মাথোঁ দুটা মাহ বাকী থকা অৱস্থাত অসমৰ বিভিন্ন সমষ্টিৰ লগতে নৱ গঠিত মৰিয়নী সমষ্টিটো নিৰ্বাচনী বতাহ বলা পৰিলক্ষিত হৈছে। বহুবল্কী বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ দখলত থকা পূৰ্বৰ মৰিয়নী সমষ্টি বিলুপ্ত হোৱাৰ পিছত পূৰ্বৰ টীয়ক সমষ্টিৰ এক অংশ নতুন মৰিয়নীত অন্তৰ্ভুক্ত হোৱাত এইবাৰ যেন আউল লাগিছে ৰূপজ্যোতি কুৰ্মীৰ নিৰ্বাচনী সমীকৰণত। ইয়াৰ উপৰিও এইবাৰ কংগ্ৰেছৰ এক উচ্চস্তৰীয় দলীয় সূত্ৰৰ মতে কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰায় খাটাং হৈছে চিকিৎসক যাদুনাথ বুঢ়াগোহাঁইৰ। উল্লেখযোগ্য যে শিমলুগুৰি মৌজাৰ বামুণপুখুৰী অঞ্চলৰ সন্তান চিকিৎসক যাদুনাথ বুঢ়াগোহাঁই। এই ক্ষেত্ৰত শিমলুগুৰি মৌজাত এক সবল স্থিতি আছে বুঢ়াগোহাঁইৰ। আনহাতেদি বিগত বৰ্ষৰ পৰাই ৰূপজ্যোতিৰ দুৰ্গ স্বৰূপ চেলেংহাট, ন-কছাৰী আদি গ্ৰাম্য অঞ্চলত দুৰ্গতজনৰ কাষত থিয় দিয়াৰ উপৰিও সৰু সৰু সভা সমিতি অনুষ্ঠিত কৰি ৰাইজৰ মাজত সোমাই পৰা দেখা গৈছে। উল্লেখ্য যে চিকিৎসকে গৰাকীয়ে ২০২০ চনৰ পৰা সামাজিক ভাৱে যোৰহাট জিলাৰ বিভিন্ন ঠাইত ৰাইজৰ বাবে কাম কৰা লগতে বহু ৰোগী চিকিৎসা কৰা উপৰিও আৰ্তজনক সহায় কৰি আহিছে। ২০২৬ বৰ্ষৰ বিধানসভা নিৰ্বাচনত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলৰ পৰা নৱগঠিত মৰিয়নি সমষ্টিৰ প্ৰাৰ্থীত্ব নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ চেষ্টাৰে শাসকীয় দলৰ মৰিয়নি সমষ্টিটো কংগ্ৰেছৰ দখললৈ অনাৰ সজোৰে দাবী তুলিছে কংগ্ৰেছৰ নেতৃ বৃন্দই। সংবাদ মাধ্যমৰ হোৱা এক সাক্ষাৎকাৰত মৰিয়নি সমষ্টিৰ পৰা ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ প্ৰাৰ্থী হোৱাৰ ইচ্ছা প্ৰকাশ কৰি চিকিৎসক গৰাকীয়ে সংবাদ মাধ্যমৰ যোগেদি ভাষ্য প্ৰদান কৰা লগতে মৰিয়নি সমষ্টিত এতিয়াও ৰাস্তা, পুদুলি, চিকিৎসা সেৱা, উদ্যোগ বাণিজ্য আদি পিছ পৰি ৰৈছে বুলি ব্যক্ত কৰিছে। যদিহে নিৰ্বাচনৰ শেষ মুহূৰ্তত বিশেষ অঘটন নঘটে তেন্তে যাদুনাথ বুঢ়াগোহাঁইয়ে ৰাইজৰ অন্তৰ জয় কৰিব বুলি জানিব পৰা গৈছে।

# ৰহা ৰিজ'নেন্স বিদ্যাপীঠত প্ৰাক্ ভোগালী উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১২ জানুৱাৰী ঃ** ৰহা ৰিজ'নেন্স বিদ্যাপীঠত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলে মিলি প্ৰাক্ ভোগালী উৎসৱ উদ্‌যাপন কৰি আনন্দ উপভোগ কৰে। তেওঁলোকে পোনপ্ৰথমে মেজি জ্বলোৱা পৰ্বৰ দ্বাৰা প্ৰাক্ ভোগালী বিহুৰ উৎসৱৰ আৰম্ভণি কৰে। বহু দিনৰ আগৰে পৰা ছাত্ৰ-ছাত্ৰীসকলে নৰা কাটি ভেলাঘৰ আৰু মেজিৰ বাবে জা-যোগাৰ কৰি প্ৰাক্ ভোগালী বিহু উৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলায়। অনুষ্ঠানটোত ৰিজন্সেজ বিদ্যাপীঠৰ সভাপতি মহোদয় আৰু বিদ্যাপীঠৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি হাজৰিকা, উপাধ্যক্ষ চন্দনা বৰাৰ লগতে মুখ্য অতিথি হিচাপে ৰহা মহাবিদ্যালয়ৰ ভুগোল বিভাগৰ প্ৰাক্তন অধ্যক্ষ যতীন্দ্ৰ নাথ পাৰৈ উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ জনাই। ইয়াৰ লগতে উচ্চতৰ মাধ্যমিক ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়সূচীৰ অন্তৰ্গত বিহু বিষয়ৰ ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত কৰা হয়। এই বিহু বিষয়ৰ শিক্ষয়িত্ৰী পূজাশ্ৰী দেৱীয়ে এই পৰীক্ষাটোৰ আত ধৰে আৰু পৰিচালনা কৰে। ছাত্ৰ-ছাত্ৰীসকলে নিজে চৌকা খান্দি ভোগৰ ভোগালীৰ ঐতিহ্য আৰু অসমীয়া সংস্কৃতিৰ পৰম্পৰা ৰক্ষাৰে বিভিন্ন খাদ্য সম্ভাৰ ভিতৰত - ঘিলা পিঠা, তিল পিঠা, নাৰিকলৰ লাড়ু, চুঙা পিঠা, বৰা পিঠা নিজ হাতেৰে প্ৰস্তুত কৰি শিক্ষকসকলৰ আগত সুন্দৰভাৱে উপস্থাপন কৰে আৰু ভোগালী বিহুৰ ওলগ জনাই। ছাত্ৰ-ছাত্ৰীসকলে বিহুৰ বিভিন্ন নৃত্য-গীত প্ৰদৰ্শন কৰে। অৱশেষত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ দ্বাৰা বিভিন্ন গীত নৃত্যৰে অনুষ্ঠান টিৰ সফল সামৰণি পৰে। বিদ্যালয়খনৰ এই কৰ্মই ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগোৱা লগতে অসমীয়া কৃষ্টি সংস্কৃতি জীয়াই ৰখা সুন্দৰ নিদৰ্শন হিচাপে পৰিণত হৈছে।

# পিএমশ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ জানুৱাৰী ঃ** ১৯৪৮ চনৰ ১২ জানুৱাৰীত প্ৰতিষ্ঠিত ডুমডুমা অঞ্চলৰ মাধ্যমিক শিক্ষাৰ এখন অগ্ৰণী অনুষ্ঠান পিএমশ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে আজি ইয়াৰ ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। এই উপলক্ষে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ অধ্যক্ষ মহম্মদ অলিপ খানে আৰু প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰসাদ সোণোৱালে। বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে মৃগেন শইকীয়া, গৌৰীশংকৰ চেতিয়া আৰু বৰ্তমান কৰ্মৰত জ্যেষ্ঠ শিক্ষক প্ৰফুল্ল গগৈয়ে। ইয়াৰ পাছতেই বিদ্যালয়খনৰ শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে ডুমডুমা নগৰত এটি বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই। শোভাযাত্ৰাটিত বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতিৰ প্ৰতিফলন ঘটা দেখা যায়। শোভাযাত্ৰাটি উদ্বোধন কৰে প্ৰবীণ সাংবাদিক তথা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। শোভাযাত্ৰাৰ অন্তত বিদ্যালয়খনৰ ৰং বিৰং মুকলি মঞ্চত এখনি সভা অনুষ্ঠিত হয়।



উক্ত সভাত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰসাদ সোণোৱাল, মৃগেন শইকীয়া, গৌৰীশংকৰ চেতিয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষা সীমা চৌধুৰী, প্ৰবীণ সাংবাদিক অৰ্জুন বৰুৱা, প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ অতীত ৰোমন্থন কৰে। বিদ্যালয়খনৰ অধ্যক্ষ মহম্মদ অলিপ খানে সকলোকে আদৰণি জনোৱাৰ লগতে প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে ২০২৩ বৰ্ষৰ পৰা ক্ৰমাগতভাৱে বিদ্যালয়খনে এই প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰি আহিছে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষাৰ্থী সকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু কেইবাগৰাকীও প্ৰাক্তন ছাত্ৰইও অংশগ্ৰহণ কৰে।

# চাওঁতালী সাহিত্য পৰিষদৰ অষ্টম বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, ধনশিৰি, ১২ জানুৱাৰী ঃ** গোলাঘাট জিলা চাওঁতালী সাহিত্য পৰিষদৰ উদ্যোগত তথা সৰুপথাৰবাসী ৰাইজৰ সহযোগত আগন্তুক ২৮ আৰু ২৯ জানুৱাৰী তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সৰুপথাৰ সমজিলাৰ ১নং টেঙাহোলা গাঁৱত অনুষ্ঠিত হ'ব চাওঁতালী সাহিত্য পৰিষদৰ অষ্টম বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। উক্ত অধিৱেশনত সৰুপথাৰ সমজিলাৰ লগতে অসমৰ বিভিন্ন জিলাৰ পৰা যথেষ্ট সংখ্যক প্ৰতিনিধি উপস্থিত থাকিব। ইতিমধ্যে কেন্দ্ৰীয় অধিৱেশন ভাগ উদ্‌যাপনৰ বাবে যাৱতীয় সকলো কামকাজৰ দ্ৰুত গতিত প্ৰস্তুতি চলিছে। সোমবাৰে উক্ত অধিৱেশনৰ লাইখুটা ভাগ সম্পূৰ্ণ মাঙ্গলিক নীতি নিয়মৰ মাজৰে স্থাপন কৰে বৰপথাৰ পৌৰসভা আৰু সৰুপথাৰ পৌৰসভাৰ পৌৰপতিদ্বয় সঞ্জীৱ কুমাৰ বৰুৱা আৰু ঊষা আগৰৱালাই। লাইখুঁটা স্থাপন অনুষ্ঠানটিত চাওঁতালী সাহিত্য পৰিষদৰ কেন্দ্ৰীয় সমিতি আৰু গোলাঘাট জিলা সমতিৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। উদযাপন সমিতিয়ে অধিৱেশনৰ দুয়োটা দিনতেই চাওঁতালী লোকসকলৰ লগতে সকলো ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।



# মাজুলীৰ শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাকৰিত ভোগালী উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ জানুৱাৰী ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত হেঁপাহৰ ভোগালী বিহু উৎপাদন কৰা হয়। বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু শিক্ষক কৰ্মচাৰী সকলো মিলি অতি আনন্দৰে মাঘ বিহুৰ সকলো পৰম্পৰা ৰাখি এই অনুষ্ঠান উদযাপন কৰে। বৰ্তমান সময়ত পৰিবৰ্তিত সমাজ ব্যৱস্থাৰ গ্ৰাসত পৰি আমাৰ মাজৰ পৰা হেৰাই যাব ধৰা বিহুৰ যি মাদকতা সেইয়া শিক্ষাৰ্থী সকলক অৱগত কৰোৱাৰ উদ্দেশ্যে সকলোৱে মিলি ভেলাঘৰ, দুটাকৈ মেজি সজাৰ লগতে বিভিন্ন ধৰণৰ পিঠা যেনে চুঙা পিঠা, তিল পিঠা, মালপোৱা, তিলৰ লাৰু, নাৰিকলৰ লাৰু, চুঙা চাউল আদিৰ সমাহাৰ ঘটোৱা হয়। বিভিন্ন ধৰণৰ পিঠাৰ ৰন্ধন তথা প্ৰস্তুত কৰণ শৈলী শিক্ষাৰ্থী সকলক শিকোৱা হয়। বিদ্যালয়ৰ শিক্ষক সকলে মাঘ বিহুৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। বিদ্যালয়ৰ ছাত্ৰী দীপ্তি হাজৰিকাই কেইটামান মন পৰশা



গীত পৰিৱেশন কৰে। শিক্ষক আৰু শিক্ষাৰ্থী সকলে মিলি একেলগে নাচ গান আয়োজন কৰাৰ শেষত সকলোৰে মাজত পিঠা বিতৰণ কৰা হয়। শেষত সকলোৰে মিলি ভোজ-ভাত খাই ভোগালী উৎসৱৰ সামৰণি মাৰে।

**একেলগে উৰিল ৩৯খন পতাকা, প্ৰতিষ্ঠাপক সাহিত্যসেৱক সকলক স্মৰণ**

# নলবাৰী জিলা সাহিত্য সভাৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নলবাৰী, ১২ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত নলবাৰী জিলা সাহিত্য সভাৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস ১১ জানুৱাৰীৰ দিনা বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। জিলা সাহিত্য সভাৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত হোৱা কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা ৯ বজাত মুখ্য পতাকা উত্তোলন কৰে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীয়ে। ইয়াৰ লগে লগে ৩৯খন পতাকা ৩৯ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হয়। জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই আঁত ধৰা আৰু সহকাৰী সম্পাদক শ্বাহ আলম আহমেদ, ভুবনেশ্বৰ বৈশ্য, ৰুবুল বৰ্মনে সহযোগ কৰা অনুষ্ঠানটিত জিলা উপ সভাপতি ডাঃ সমৰ তালুকদাৰ, প্ৰাক্তন সভাপতি গোলোক পাঠক, ডাঃ বিপিন চন্দ্ৰ কলিতা, ধ্ৰুৱজ্যোতি শৰ্মা, সাহিত্যসেৱী ক্ৰমে ড° ৰবীন দাস, দীপক কুমাৰ ডেকা, নৰেন্দ্ৰ মজুমদাৰ, কেশৱ ডেকা, বিমলা দেৱী, দোস্ত হান্নান, বিভা বুজৰবৰুৱা, বীৰেন্দ্ৰ নাথ শৰ্মা, ড° মঞ্জু হালৈ, অমল ডেকা, কমল চন্দ্ৰ দাস, দিবাকৰ কলিতা, কবিতা ডেকা তালুকদাৰ, মনহৰি কলিতা, খনীন্দ্ৰ লহকৰ, বিপুল কুমাৰ চক্ৰৱৰ্তী, আলহজ চাইফ উদ্দিন আহমেদ, ৰিয়াজ উদ্দিন আহমেদ, মইনুল হক চৌধুৰী, মমতাজ আহমেদ, হৰমোহন তহবিলদাৰ, কুমুদ ডেকা, উৎপল লোচন শৰ্মা, শেৱালি চৌধুৰী, শেৱালি কাকতি, মৃদুস্মিতা বৰুৱা, ডিম্বিকা চৌধুৰী, কল্পনা মিশ্ৰ, দিপুল তালুকদাৰ, নৰেশ্বৰ কলিতা, শ্বাহ আলম আহমেদ, ভুবনেশ্বৰ বৈশ্য, ৰুবুল বৰ্মনে পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীয়ে যি সকল মহান ব্যক্তি আৰু সাহিত্যসেৱকৰ প্ৰচেষ্টাত নলবাৰী জিলা সাহিত্য সভা ১৯৮৭ চনত প্ৰতিষ্ঠা হৈছিল সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰে। পতাকা উত্তোলনৰ পিচতে দানবীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে সাহিত্যসেৱী শেৱালি চৌধুৰী আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদে। শৰৎ চন্দ্ৰ গোস্বামীৰ আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তিপ্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে নলবাৰী সাহিত্য সমাজৰ সভাপতি কল্পনা মিশ্ৰই। ইয়াৰ পিচতে জিলা সাহিত্য সভাৰ উপ সভাপতি ডাঃ সমৰ তালুকদাৰৰ সভাপতিত্বত সভা অনুষ্ঠিত হয়। সভাত সাহিত্যিক ডাঃ বিপিন চন্দ্ৰ কলিতা, দীপক কুমাৰ ডেকা, ড° ৰবীন দাস, বিভা বুজৰবৰুৱা আদিকে ধৰি কেবাগৰাকীয়ে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক আৰু যি সকলৰ সাহিত্য সভালৈ অৱদান আছে আটাইৰে গুণানুকীৰ্তন কৰি স্মৰণ কৰা হয়।

# নাজিৰাৰ বামুণপুখুৰী চাহ বাগিচাত নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ



**অসম বাৰ্তা, নামতি, ১২ জানুৱাৰী ঃ** আজি কিছুদিন ধৰি নাজিৰাৰ বামুণপুখুৰী চাহবাগিচাকে ধৰি ইয়াৰ দাতিকাষৰীয়া অঞ্চলত নাহৰফুটুকী বাঘে গৰু, ছাগলী নিধন কৰি এক প্ৰকাৰে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এই বিষয়ে চাহ বাগিচা কৰ্তৃপক্ষই লক্ষ্মীজান খণ্ড বন কাৰ্যালয়ৰ বিষয়াক অৱগত কৰাত ৫ দিন পূৰ্বে বন বিভাগে বাগিচাৰ ১৫নং লাইনৰ এক স্থানত পিঞ্জৰা স্থাপন কৰে। আজি পুৱা ভাগত বামুণপুখুৰী চাহ বাগিচাৰ শ্ৰমিকে উক্ত এলেকাত কাম কৰিবলৈ যাওঁতে বাঘৰ গুজৰণি শুনা পাই লগে লগে শ্ৰমিকে বাগিচাৰ পৰিচালকক অৱগত কৰে। বাগিচাৰ পৰিচালকে ক্ষিপ্ৰতাৰে বন বিভাগৰ লোকক জনোৱা বিহুবৰ আৰু লক্ষ্মীজান খণ্ড বন কাৰ্যালয়ৰ কৰ্মী আৰু বাগিচাৰ শ্ৰমিকৰ সহায়ত পিঞ্জৰাবদ্ধ নাহৰফুটুকী বাঘটো লক্ষ্মীজান খণ্ড বন কাৰ্যালয়ত চমজাই দিয়ে। লক্ষ্মীজান খণ্ড বন বিষয়া বিজয় বৰগোঁহাইৰ নেতৃত্বত বন বিভাগে বাঘটো পশু চিকিৎসালয়ত চিকিৎসা কৰাৰ পিছত সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়া বুলি জানিবলৈ দিয়ে।